

সম্পাদক:
আফজল হুচেইন

সুবেন দাস মহাবিদ্যালয় আলোচনী

সুবেন দাস মহাবিদ্যালয়
আলোচনী

চতুর্থ সংখ্যা

১৯৯১-৯২ বর্ষ



তত্ত্বাৱধায়ক—
অধ্যাপিকা লোপা ডেকা বৰুৱা

সম্পাদক—
আফজল হুছেইন

সুবেন দাস মহাবিদ্যালয় আলোচনী
চতুর্থ সংখ্যা।
১৯৯১-৯২ ইং

* * *

বেটুপাত—
শ্রীধ্রুব ডেকা।

* * *

ছপা—
ইউনিক প্রিন্টিং প্রেছ, হাজো।

* * *

প্রকাশক—
সুঃ দাঃ মঃ বিঃ ছাঃ একতা সভা।

শ্বহীদ তৰ্পণ

অসমৰ অস্তিত্ব ৰক্ষাৰ ক্ষণত
বুকুৰ শোণিতেৰে
অৰ্ঘা দিয়া
জ্ঞাত
অজ্ঞাত
মহান ৰীৰ পুৰুষ
সকললৈ আমাৰ গভীৰ
শ্রদ্ধা নিবেদিছোঁ।

" জয় আই অসম "

সম্পাদনা সমিতি

অধ্যক্ষ ডঃ দয়ানন্দ পাঠক —সভাপতি
অধ্যাপিকা শ্রীমতী লোপা ডেকা বৰুৱা — তত্ত্বাৱধায়ক
অধ্যাপক— শ্রীপ্রসন্ন কুমাৰ চহৰীয়া — সদস্য
" শ্রীবিষ্ণু কান্ত শর্ম্মা — "
" শ্রীদীনেশ চন্দ্র লহকৰ— "
" শ্রীসুবোধ চন্দ্র চৌধুৰী — "
(তত্ত্বাৱধায়ক ছাঃ এঃ সভা)
শ্রীটংকেশ্বৰ দাস — সদস্য
(সাঃ সঃ ছাঃ এঃ সভা)
মঃ আফজল হুছেইন
সম্পাদক আলোচনী
শ্রীৰবী মালাকৰ — "
(সম্পাদিকা তর্ক)

সূচী-পত্ৰ

সম্পাদকীয়—

প্ৰবন্ধ—

১।	সাম্প্রতিক কালত শংকৰদেৱৰ প্রাসঙ্গিকতা	শ্রীৰঞ্জু ঠাকুৰীয়া	১
২।	শিক্ষাৰ লক্ষ্য	মঃ আফজল হুছেইন	৭
৩।	নোবেল বঁটা বিজয়ী সাহিত্যিক গ্রেব্রিয়েল গার্চিয়া মাকুইজৰ জীৱন আৰু সাহিত্য	শ্রীগুনেশ্বৰ কৈৱর্ত্ত	১১
৪।	বিশ্বনবী হজৰত মহম্মদ (ছঃ) আৰু সার্ব্বজনীন ভ্রাতৃত্ববোধ	আব্দুল মালিক	১৫
৫।	অসমীয়া ভাষাত জন জাতীয় ভাষাৰ প্রভাৱ	শ্রীবিষ্ণু শর্ম্মা	
৬।	মামনি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী চৰিত্র	লোপা ডেকা বৰুৱা	১৯

কবিতা—

১।	তুমি আহিবা	শ্রীগীতেন দাস	১
২।	স্বাধীনতাৰ বাবে	শ্রীঅমল বৈশ্য	২
৩।	তিনিটা প্রেমৰ কবিতা	মোঃ আইনুদ্দিন আহমেদ	৩
৪।	শান্তিৰ সন্ধানত	মোঃ ইছলামুদ্দিন আহমেদ	৪
৫।	এতিয়া নিশা	শ্রীৰমেশ কুমাৰ দাস	৫
৬।	অব্যক্ত সুৰ	এম মখলেজৰ ৰহমান	৫
৭।	মৰমীৰ সৈতে	চৈয়দ আটাউৰ ৰহমান	৬
৮।	নিৰন্ন প্রকৃতিৰ কোলাত ইতিহাসৰ উচুপনি	শ্রীমাধৱ পাটোৱাৰী	৮

৯। মইনাৰ কি হল ?
১০। গণতন্ত্ৰৰ নামত শপত খাই
১১। শায়েৰী

গল্প—

১। অপুৰ চকুলো
২। হেৰুৱা অতীত
৩। হত্যাৰ আবৃত
৪। "আধা আঁকা ছবি"
৫। অব্যক্ত
৬। মুকুতামালা
৭। বিচিত্ৰ বাৰ্ত্তা
৮। টুকুৰা খবৰ
৯। প্ৰশ্নৰ উত্তৰ

ENGLISH SECTION

1. The Ethnic Composition of Assam: An Overview — Nandita Chaliha — 1
2. Development of Higher Education in Assam in pre-Independence Period — 6
3. Relevance of Islam at present — Binapani Talukdar — 10
Ali Akbar Hussain

সম্পাদক সকলৰ কাৰ্য্যকালৰ প্ৰতিবেদন

চৈঃ নজৰুল ইছলাম ৯
মঃ লুটফুৰ ৰহমান ৯
মিছ বিজু দাস ১০

শ্ৰীভুৱন মালাকৰ ১
শ্ৰীশৰৎ চন্দ্ৰ ওঁজা ৪
শ্ৰীদীপিকা গোস্বামী ১০
শ্ৰীঅপূৰ্ব কলিতা ১৪
এম আব্দুল মালিক ১৮
মঃ জব্বৰ আলী ২০
শ্ৰীকল্যাণী দাস ২১
শ্ৰীৰবী মালাকৰ ২২
মিচ আনোৱাৰা বেগম ২৩

সম্পাদকীয়

প্ৰতিবেদনৰ আৰম্ভণিতে মোক প্ৰেৰণা যোগোৱা সমূহ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকা সকললৈ কৃতজ্ঞতাৰ শৰাই নিবেদন কৰিলো। লগতে যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীয়ে মোক ১৯৯১-৯২ ইং চনৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক ৰূপে বিপুল ভোটত নিৰ্ব্বাচিত কৰিলে সেই সকললৈ মোৰ শ্ৰদ্ধা তথা হিয়া ভৰা শুভেচ্ছা জনালো।

যি সময়ত কিবা লিখাৰ কথা ভাবিছো তেতিয়া মোৰ দু-চকুৰ আগত এক ভয়ংকৰ শত্ৰু পক্ষ। সচাঁকৈ আজি এই সুন্দৰ পৃথিবীৰ চাৰিওফালে কিবা এটা হৈছে। মৰম, স্নেহ, ন্যায়, ভক্তি আজি এই পৃথিবীৰ মানুহৰ মাজত নাই। মানুহৰ জীৱনৰ মূল্য নোহোৱা হ'ল। ইটোৱে সিটোক হিংসা কৰে ইজনে সিজনৰ লগত কাজিয়া কৰে কোনেওঁ কাকো বিশ্বাসত নোলোৱা হ'ল আজিৰ এই পৃথিবী বৈচিত্ৰময় সমাজত।

সাহিত্য দাপোন সদৃশ। দাপোনত যেনেকৈ নিজৰ প্ৰতিবিম্ব দেখা যায়, ঠিক তেনেকৈ সাহিত্যতো সমাজৰ প্ৰতিবিম্ব দেখা যায়। সত্যক বাদ দি সাহিত্য জীয়াই থাকিব নোৱাৰে। কাৰণ 'সত্যম শিৱম্ সুন্দৰম্' এই সকলো নিৰ্ভৰ কৰে সাহিত্য চৰ্চাৰ ওপৰত। সাহিত্য চৰ্চ্চাই মানৱ জাতিৰ মাজত থকা কুসংস্কাৰ আৰু অন্ধবিশ্বাস দূৰ কৰে। সাহিত্য চৰ্চ্চাত কৃতকাৰ্য্যতা লাভ কৰিবলৈ সাধনাৰ একান্ত প্ৰয়োজন। ৰোম নগৰী একে দিনাই গঢ়া হোৱা নাই। আমেৰিকাই চন্দ্ৰলৈ একে দিনাই যাব পৰা নাই। ইয়াৰ আৰম্ভণিতে আছে নীৰৱ সাধনা—নিৰবিচ্ছিন্ন প্ৰচেষ্টা।

সাহিত্য হৈছে মানৱৰ অন্তৰত লুকাই থকা ভাৱ ৰাজিৰ এটি স্থল। সাহিত্য প্ৰকাশৰ স্থল কেইবা প্ৰকাৰৰ। তাৰ ভিতৰত আলোচনীয়ে শ্ৰেষ্ঠ আসন লাভ কৰিছে। আলোচনীৰ দ্বাৰা নানা জনৰ চিন্তাধাৰা প্ৰকাশিত হয় বাবে ইয়াৰ বৰঙণি আনবোৰতকৈ বেছি। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলৰ মনত জাগি উঠা সুন্দৰ বিচিত্ৰময় ভাৱধাৰা অনুভূতি আদিৰ প্ৰকাশ ঘটে ইয়াৰ মাধ্যমত। আলোচনীৰ মূল্য কোনোমতেই নুই কৰিব নোৱাৰি।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন বছৰেকীয়া আলোচনী। ইয়াতে আছে আমাৰ ছাত্ৰ ছাত্ৰী সকলৰ মনত উদ্ভৱ হোৱা নানান

কল্পনা আৰু অনুভূতি। এই আলোচনীখনৰ জৰিয়তে সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰী সকলৰ কোমল অন্তৰৰ ভাৱৰাশি বিকশিত কৰিবলৈ চেষ্টা কৰা হৈছে। আশাকৰো আমাৰ বছৰেকীয়া মুখপত্ৰ খনে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাত সহায় কৰিব আৰু ভৱিষ্যতে এচাম সুসাহিত্যিক সৃষ্টি কৰি আই অসমীয়া ভাষাৰ ভড়াল চহকী কৰাত কণমান হলেও অৱিহনা যোগাব। মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীই প্ৰগতিৰ পথত আগবাঢ়ি যোৱা-টোকে আমাৰ বছৰেকীয়া মুখপত্ৰয়ে কামনা কৰে।

অনুষ্ঠানৰ মুখপত্ৰ এখনে অনুষ্ঠানটোৱে বিকীৰণ কৰা পোহৰখিনি ধৰি আকাশৰ জোন-টোৰ দৰে জনসাধাৰণৰ মাজলৈ যেনেকৈ সুন্দৰ ভাৱে প্ৰতিফলিত কৰে। সম্পদনাৰ দায়িত্ব লৈ মই মনত গধুৰ আশা বান্ধি পুহিছিলো যে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এই সংখ্যা আলোচনী জোনৰ পোহৰৰ দৰে সবাঙ্গসুন্দৰ কৰি উলিয়াম আৰু সম্পাদনাৰ মাজেৰে অভিজ্ঞতা অৰ্জন কৰিম। লগতে আপোনা-লোকে বিচৰামতে উন্নত ধৰণৰ মুখপত্ৰ খন উলিয়াই দিম। মই আপোনালোকক যি প্ৰতিশ্ৰুতি দিছিলো তাক কৰিব নোৱাৰিলো? কিন্তু কিয় নোৱাৰিলো? কাৰ ভুল? মোৰ নে ছাত্ৰ-ছাত্ৰী সকলৰ? নে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ভুল? আপোনালোকে নিৰপেক্ষ ভাবে বুজিব। প্ৰথমতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা মান বিছৰা উন্নত মানৰ লেখনিৰ অভাৱ দ্বিতীয়তে অৰ্থনৈতিক অভাৱ। মহাবিদ্যালয়ৰ আলোচনীৰ ভড়ালৰ সকলো খিনি টকা মুখপত্ৰখনত খৰচ কৰিব নোৱাৰি। আগলৈ এই বিষয়ত চিন্তা কৰিব বুলি কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনালো।

সুবিধাৰ অভাৱত সৃজনীশীল প্ৰতিভাই বিকাশ লাভ কৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰী সকলক সুবিধা দিয়া উদ্দেশ্য সাধনত বাৰ্ষিক ভাৱে প্ৰকাশিত আলোচনী এখনে যথেষ্ট নহয়। সেয়ে আজি তিনি বছৰ মান ধৰি এখন প্ৰাচীৰ পত্ৰিকা নামে ওৱাল আলোচনী স্থাপন কৰি ইচ্ছুক লেখক লেখিকা সকলক সঘনাই লেখাৰ বাবে প্ৰেৰণা যোগোৱা হৈছে। মোৰ কাৰ্য্যকালত দুটা সংখ্যা প্ৰকাশ কৰিবলৈ সক্ষম হৈছো। লেখিকাৰ হাৰ বৃদ্ধি হলে মাহিলি প্ৰকাশ কৰিব পৰা গলহেতেন। প্ৰাচীৰ পত্ৰিকা সম্পাদনা কৰি পাইছো যে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত লেখাৰ ধাউতি নাই। ভৱিষ্যত প্ৰাচীৰ পত্ৰিকা সঘনাই প্ৰকাশ হব বুলি আশা ৰাখিছো।

সম্পাদনাৰ দায়িত্ব লঘু নহয়। এনে গুৰু দায়িত্ব বহন কৰাত আমাৰ যথেষ্ট ত্ৰুটি বিচ্যুতি থকা নিত্যান্ত স্বাভাৱিক। মোৰ সীমিত জ্ঞানৰে সম্পাদনা কৰাত প্ৰতিটো কথাতে দিয়া পৰামৰ্শ তথা সহায়ৰ বাবে মই বিশেষকৈ তত্ত্বাৱধায়ক অধ্যাপিকা শ্ৰীমতী লোপা ডেকা বৰুৱা মহোদয়া ওঁ অধ্যাপক শ্ৰীযুত প্ৰসন্ন কুমাৰ চহৰীয়া তথা অধ্যক্ষ ড° দয়ানন্দ পাঠকৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে সমূহ অধ্যাপক অধ্যাপিকা সকলৰ মৰম স্নেহ মই আজীৱন মনত ৰাখিম। আৰু প্ৰিয় বন্ধু বান্ধৱী সকলৰ সহায় সহযোগিতা আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ ক্ষেত্ৰত টংকেশ্বৰ দাস, ৰবী, আইনুদ্দিন, মুকুল, মেঘালী, বিজু, কল্যানী, মইনা, আচমা, দীপক, জৰ্ব্বৰ, গনি, চেলিম, হাচনা, অতুল, মৃগেন, লাতু সমূহ মহাবিদ্যা-লয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা তথা ধন্যবাদ আগবঢ়াইছো।

সদৌ শেষত মোৰ অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমাৰ ভিক্ষা মাগি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

আফজল হুছেইন
সম্পাদক,
সুৰেন দাস মহাবিদ্যালয়

অভিমত

এদিন—।

অফুৰন্ত উৎসাহ আৰু আশাৰে আলোচনী খনৰ দায়িত্বভাৰ লৈছিলো আৰু কিছু হতাশ আৰু ক্ষোভৰ মাজেৰে আলোচনীখন আপোনালোকৰ হাতত তুলি দিছো। এখন সুন্দৰ আলোচনীৰ বাবে এটা শকত পুঁজিৰ লগতে প্ৰয়োজন শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাৰ, কিছু উচ্চ মানদণ্ডৰ লিখনিৰ। —আৰু সেইটোৰ বাৰকৈয়ে অভাৱ অনুভৱ কৰিছিলো। আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক মাথো আলোচনী লাগে— আলোচনীৰ বাবে শিক্ষক তথা ছাত্ৰ-ছাত্ৰী ওচৰত লিখনি বিচাৰি বাৰে পতি বিমুখ হৈ ভাবিছিলো— আলোচনীখন কাৰ বাবে ?

—তথাপিও যিসকল শিক্ষক শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ লিখনিৰে আলোচনীখন প্ৰকাশত অৱদান যোগালে তেওলোকলৈ কৃতজ্ঞতা জনাই. সীমিত পৰিসৰৰ মাজত থাকি এই সংখ্যাৰ আলোচনী আপোনালোকৰ হাতত তুলি দিলো।

সম্পাদক —

কৃতজ্ঞতা স্বীকাৰ—

ডঃ দয়ানন্দ পাঠক, শ্ৰীলোপা ডেকা বৰুৱা, প্ৰসন্ন কুমাৰ চহৰীয়া, বিষ্ণু কান্ত শৰ্মা পাৰুল ডেকা, নন্দিতা চলিহা, ধ্ৰুব প্ৰসাদ বৈশ্য, আলী আকবৰ হুছেইন, জ্যোতিষ বৰদলৈ টংকেশ্বৰ দাস, ববী মালাকৰ, আফাজুৰ ৰহমান ও ইউনিক প্ৰেছৰ সমূহ কৰ্মচাৰী।

সম্পাদনা সমিতি



বহি থকা— (বাওঁফালৰ পৰা) ঃ অধ্যাপক দীনেশ চন্দ্ৰ লহকৰ, অধ্যাপক প্ৰসন্ন কুমাৰ চহৰীয়া, অধ্যক্ষ ডঃ দয়ানন্দ পাঠক, অধ্যাপিকা লোপা ডেকা বৰুৱা (তত্বাৱধায়ক), টংকেশ্বৰ দাস (সাঃ সম্পাদক)

থিয়হৈ— (বাওঁফালৰ পৰা) ঃ ববী মালাকৰ, আফজল হুছেইন (সম্পাদক, আলোচনী)।



অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদক

বহি (বাওঁফালৰ পৰা) ঃ– অধ্যাপিকা গীতা ডেকা, অধ্যাপিকা মিনা দেৱী, অধ্যাপিকা নন্দিতা চলিহা, অধ্যাপিকা পাৰুল দাস, অধ্যক্ষ ডঃ দয়ানন্দ পাঠক, অধ্যাপিকা বীতা গোস্বামী, অধ্যাপিকা মঞ্জুশ্ৰী বৰুৱা, অধ্যাপিকা জাৰতী বৰ্মন, অধ্যাপিকা বীনাপানী তালুকদাৰ।

থিয় হৈ (বাওঁফালৰ পৰা) ঃ– মেঘালী দাস, আফজল হুছেইন, বৰী মালাকৰ, মুকুল মেধী, প্ৰবীন মেধী, অধ্যাপক প্ৰসন্ন কুমাৰ চহৰীয়া, অধ্যাপক দীনেশ চন্দ্ৰ লহকৰ, অধ্যাপক আলী আকবৰ হুছেইন, টংকেশ্বৰ দাস, অপূৰ্ব্ব কলিতা, বফিকুদ্দিন আহমেদ, ইলা কাকতি সূর্য্য ভৰালী।

প্ৰবন্ধ

সাম্প্ৰতিক কালত শংকৰদেৱৰ প্ৰাসঙ্গিকতা

সাম্প্ৰতিক কালত শংকৰদেৱৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে তেৱাৰ বহুমুখী প্ৰতিভা আৰু কাৰ্য্যৱলী সমূহৰ বিশ্লেষণ কৰিব লাগিব। তেৱাৰ প্ৰতিভা আৰু ৰচনা ৱলীৰ প্ৰকৃত বিশ্লেষণ আৰু অনুধাৱন ব্যতিৰেকে সাম্প্ৰতিক কালত তেৱাৰ প্ৰাসঙ্গিকতা অথবা প্ৰয়োজনীয়তা উপলব্ধি কৰাটো কঠিন।

সাধাৰণতে শংকৰদেৱক এজন ধৰ্ম্ম গুৰু; ধৰ্ম্ম প্ৰচাৰক হিচাবে প্ৰসিদ্ধ আছিল বুলি কয় যদিও সমসাময়িক সমাজ খনৰ সংস্কাৰ আৰু সংস্কৃতিৰ ক্ষেত্ৰত তেওঁ যি অৱদান দি গ'ল তাৰ তুলনা অপৰিসীম। ধৰ্ম্ম সংস্কাৰৰ জগতে প্ৰচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্ত্তন ঘটাই চিন্ন বিচ্ছিন্ন হৈ পৰা অসমীয়া জন জীৱনৰ এক নতুন মূল্যবোধ সৃষ্টি কৰিছিল সাম্য মৈত্ৰী অহিংসা বানীৰে "প্ৰেম অমৃতৰ নদী" বোৱাই জাতি ধৰ্ম নিৰ্বিশেষে সম অধিকাৰৰ ভিত্তিত যি সমাজ ব্যৱস্থাৰ পাতনি মেলিছিল তাৰ প্ৰাসঙ্গিকতা বৰ্ত্তমান সময়তো বাকচৈয়ে অনুভৱ হৈছে।

শংকৰদেৱৰ অভ্যুদয় হৈছিল অসমীয়া জাতিৰ জাতীয় জীৱনৰ এক সংকট পূৰ্ণ সন্ধিক্ষনৰ মূহুৰ্ত্তত। সেই সময়ত অসমৰ ধৰ্মাকাশ কলিয়া ডাৱৰে আঁৱৰি ধৰিছিল। মানুহে সহজ সৰল ধৰ্মীয় পন্থা পৰিহাৰ কৰি যাগ-যজ্ঞ, পূজা-পাতাল আদিৰে ব্যয় বহুল ধৰ্মীয় অনুষ্ঠান সম্পাদন কৰিছিল। ঠায়ে ঠায়ে শাক্ত ধৰ্মৰ তান্ত্ৰিক মতবাদে মূৰ দাঙি উঠি নৰবলিৰ দৰে ভয়াবহ ধৰ্মীয় ব্যৱস্থা পালন কৰাৰো উদাহৰণ পোৱা গৈছে। ইয়াৰ উপৰিও সেই সময়ত অসমত আছিল ৰাজনৈতিক বিভাজন। এনেদৰে পঞ্চদশ শতিকাৰ অসম

খনত কি ধর্মীয়, কি ৰাজনৈতিক সামাজিক সকলো ক্ষেত্রতে এক অৰাজকতাই তথা বিশৃংখল তাই মূৰ দাঙি উঠি অসমীয়া সমাজৰ ৰাজ হাড় ভাঙি চিঙি টুকুৰা টুকুৰ কৰিবৰ উপক্রম কৰিছিল। অসীম প্রতিভাৰ অধিকাৰী মহাপুৰুষ শংকৰদেৱে উদাৰ মনোভাবেৰে সকলো সম্প্রদায়ৰ লোকক একত্রিত কৰি বিশ্ব শান্তি স্থাপনৰ কাৰণে ৰাষ্ট্রীয় ঐক্য আৰু সংহতিৰ বাবে মুকলি মনেৰে চিন্তা কৰিছিল আৰু অসমীয়া জাতি গঠনত কাণ্ডাৰী ৰূপে অহোপুৰুষার্থ কৰিছিল। এই খিনিতে মহাপুৰুষ জনাৰ প্রাসঙ্গিকতা কালাতীত ৰূপে বিদ্যমান। যুগ নায়ক শংকৰ দেৱৰ বৈপ্লৱিক প্রচেষ্টাই সমকালীন সমাজ জীৱনৰ কথাই নাই সাম্প্রতিক কালৰ অসমকো তাৰ কল্যানময়ী ফল ভোগ কৰাইছে আৰু ই উত্তৰ কালৰো বিষয় হৈ ৰ'ব।

সাম্প্রতিক কালত আমি যিটো যুগত বাস কৰিছো সেইটো হৈছে পাৰমানৱিক বিজ্ঞানৰ যুগ। যুদ্ধৰ আতংক, পাৰস্পৰিক সন্দেহ, আৰু অবিশ্বাসৰ ঘনীভূত মেঘ মালাৰে আবৃত্ত আজিৰ মানুহৰ মনৰ আকাশ। অন্যহাতে এই যুগ চমক প্রদ জ্ঞান বিজ্ঞানৰ দুধর্ষ চিন্তাচর্চাৰ যুগ। মানৱ সভ্যতাৰ এনে এটা সেতু বন্ধৰ অনিশ্চিতম সময়ত শংকৰদেৱৰ আদর্শ আৰু কর্ম জীৱনৰ বিভিন্ন দিশ জন সাধাৰনে অসমৰ উঠি অহা তৰুণ তৰুণী সকলৰ বাবে এনে এটা প্রচেষ্টা অতীব প্রয়োজনীয় হৈ পৰিছে। কিয়নো আজি অসমীয়া সমাজখনত ধর্ম্ম জাতি আৰু আঞ্চলিকতাবাদৰ ধাৰনাই বিশালতাৰ পথৰ পৰা ক্ষুদ্র লৈ অহৰহ ঠেলি দি আহিছে। সম্প্রদায়ে-সম্প্রদায়ে, গোষ্ঠীয়ে-গোষ্ঠীয়ে, আজি সংঘর্ষত লিপ্ত হৈছে। মুক্ত ভাৱে মানুহ বিচৰণ কৰিব পৰা সুবিধা কণ প্রায় নোহোৱা হৈছে। নিন্দা কুৎসাৰতনা, বিদ্বেষ, আৰু ব্যক্তি সমালোচনাত. চৰিত্র হননৰ দৰে ঘটনাৰ উপৰিও আমাৰ সমাজত শিষ্য অপহৰণ, নাৰী ধর্ষণ, নৰ হত্যাৰ দৰে কুটাঘাট মূলক— হিংসাৰ অপৰাটো সংঘটিত হৈছে। মানবীয় মূল্যবোধৰ পতন হৰৰ উপক্রম হৈছে। সমাজত যেতিয়া মানবীয় মূল্যবোধৰ পতনাভিমুখী হয় তেতিয়াই ধর্মৰো গ্লানি হৈছে বুলি বুজিব লাগিব। অসমীয়া সমাজৰ সংস্কৃতিত আজি অপসংস্কৃতিৰ অনুপ্রবেশ ঘটিছে। আজি অসমীয়া যুৱক যুৱতীয়ে গুৰু বিচাৰি বাহিৰত হায়ৰান হৈ পৰিছে। বেজবৰুৱাৰ ভাষাত—"মোক গুৰু লাগে শিক্ষিত শিষ্য জগতত জাননী দিলোঁ, জগতৰে গুৰু শংকৰ ঘৰতে অন্ধলাই নেদেখিলোঁ।" সচাকৈয়ে আমি অন্ধ। শংকৰদেৱক চিনি পাইছে বেজবৰুৱাই, জ্যোতি প্রসাদে, বিষ্ণু প্রসাদ ৰাভাই, ডঃভূপেন হাজৰিকাই।

অসমীয়া সমাজৰ এই অস্থিৰতাৰ মূহুর্ত্তত, অসমীয়া সমাজখন ভাঙি চিঙি চূর্ণ বিচূর্ণ হোৱাৰ মূহুর্ত্তত মনত এটা প্রশ্ন উদয় হৈছে। অসমীয়া সমাজখন সুস্থিৰ অৱস্থালৈ ঘুৰি আহিবনে? বৃহৎ অসমীয়া জাতি গঠনৰ প্রক্রিয়া অব্যাহত থাকিবনে? এই প্রশ্নৰ উদ্

হোৱাৰ মূহুর্ত্ততে মনত পৰিছে পূর্ব্ব কবি ধর্ম্মাত্মা John Milton ক উনবিংশ শতিকাত পুনঃ জন্ম গ্রহণ কৰিবলৈ William wordsworth এ কৰা আহ্বানটো— "Milton 9. thou shouldst. be living at this hour. England hath need of thee."

আজি আমি প্রত্যেক অসমীয়াই সমাজখনক সুস্থিৰতাৰ পথলৈ আনিবলৈ শংকৰদেৱক আহ্বান জনাব লাগিব। কাৰণ আজি আমি অসমীয়া যি সমস্যাত পৰিছো—আমাৰ পর্ব্বতীয়া ভাই সকল, বিভিন্ন জনজাতীয় ভাইসকল আৰু এই নবাগত সকলক লৈ সেই একে সমস্যাতে পৰিছিল আমাৰ গুৰু শ্রীমন্তশংকৰ। সেই সময়ত অসম নানা ৰাজনৈতিক শাসক গোষ্ঠীৰ মাজত বহুধাবিভক্ত হৈছিল আৰু অসমীয়া জাতীয় জীৱন সমূলে উৎপাতন হবৰ উপক্রম হৈছিল। সেই সময়তে গুৰুজনাই অসমীয়া গীত পদত ব্রজাৱলী আৰু অসমীয়া ভাষাৰ মিশ্রন দি এটা ভাষা সমন্বয়ৰ নীতি দেখুৱাই গৈছে। সুকুমাৰ কলাতো অসমীয়া থলুৱা সম্পদেৰে সৈতে আন আন প্রদেশৰ সুকুমাৰ সম্পদেৰে এটা সমন্বয় দেখুৱাই গৈছে। পর্ব্বতীয়া ভাই সকলৰ সৈতে আমি সাংস্কৃতিক ঐক্য সূত্রেৰে কেনেকৈ বান্ধ খাই আমাৰ বহল অসমীয়া জীৱন ৰচনা কৰিব পাৰো তাকো আদর্শ দেখুৱাই থৈ গৈছে। সেই সময়ত গুৰু জনাই আমাৰ ভিতৰত অস্পৃশ্যতাই সমাজ খুলি খুলি খাই ধ্বংস কৰিব খোজা ব্যাধি নিবাৰণৰ বাবে কি সামাজিক বৈপ্লৱিক ব্যৱস্থা গ্রহন কৰিছিল তাক নজনা কোনো নাই। তেৱাই গাৱোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, বনিয়াৰ হৰিদাস ভোটৰ দামোদৰ, নগাৰ নৰোত্তম, কছাৰীৰ ৰমাই, কৈৱর্ত্তৰ পুর্ণানন্দ আৰু মুছলমানৰ ছান্দমাক শৰণ দি অস্পৃশ্যতা ৰূপী মহাশত্রুক ধ্বংস কৰা আদর্শ প্রতিষ্ঠা কৰি থৈ গৈছে। গুৰু জনাই দ্বিতীয় স্কন্ধ ভাগৱততে গাইছে—

"কিৰাত কছাৰী খাচী গাৱো মিৰি
যৱন কঙ্ক গোৱাল
অসম মলুক ৰজক যে তুৰুক
কুবাচ ম্লেচ চতাল।"

আমি আজি উত্তৰ পুৰুষে তেৱাৰ সেই সুমহান আদর্শ জলাঞ্জলি দি নিজৰ নিজৰ গোষ্ঠীৰ উন্নতিত ৰত হৈ বৃহৎ অসমীয়া জাতি গঠনৰ প্রক্রিয়াত বাধা জন্মাইছো। গুৰুজনাৰ একেশ্বৰ বাদী দর্শনে পৰম ব্রহ্মৰ অংশ স্বৰূপ জীৱ মুঠি মানুহ, শিয়াল, কুকুৰ, কেচু, কুমতি পাহাৰ, ভৈয়াম সকলোকে সমভাৱে সামৰি লৈছে—

"কুক্কুৰ শৃগাল গর্দভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্রণাম।"
"ব্রাহ্মনৰ চণ্ডালৰ নিৰিচাৰি কুল
দাতাত চোৰত যেন দৃষ্টি সমতুল॥"

গুৰুজনাৰ বাহিৰে বিশ্বৰ কোনো মহাপুৰুষে ইয়াতকৈ ডাঙৰ সাম্যবাদৰ দর্শন আজিলৈকে দাঙি ধৰিব পৰা নাই। গুৰুজনাৰ এই আদর্শ সাম্প্রতিক কালত অকল অসমবাসী কিম্বা

ভাৰতবাসীৰ কাৰণেই নহয় সমগ্ৰ মানৱ সমাজৰ বাবে ইয়াৰ পৰিসীমা ব্যপ্ত।

মহাপুৰুষ জনাই ভক্তি ধৰ্ম্ম প্ৰচাৰৰ যোগেদি সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষত খলকনি তোলা ভক্তি আন্দোলনৰ লগত অসমীয়াক সাঙুৰি পেলাইছিল। যি অসমীয়াই অসমীয়াত্ব বুজি নাপায় তেনেলোক ভাৰতীয় হব নোৱাৰে। শংকদেৱ জন্মসূত্ৰে অসমীয়া হৈও সংকীৰ্ণতাৰ উৰ্দ্ধত বাস কৰিছিল। অৰ্থাৎ প্ৰকৃত পক্ষে তেওঁ কেৱল অসমীয়াই নাছিল তেওঁ আছিল এজন ভাৰতীয়। ভাৰতীয় আদৰ্শৰ লগত অসমীয়াক একেটা সুঁতিত বোৱাঁই দিবলৈ শংকৰদেৱ যত্নপৰ হৈছিল। জীৱনৰ বিভিন্ন বয়সত তীৰ্থ ভ্ৰমনৰ জৰিয়তে গুৰুজনাই ভাৰতীয় জীৱন বোধ উপলব্ধি কৰিছিল, কিন্তু সেই বুলি প্ৰকৃত অসমীয়াত্ব তেওঁ ত্যাগ কৰা নাছিল। ৰৱং ভাৰতীয় আদৰ্শৰ লগত অসমীয়া আদৰ্শৰ সহযোজন ঘটাই অসমীয়া জাতি সত্বাক ভাৰতীয় জাতি সত্বাৰ মাজলৈ ঠেলি লৈ গৈ সোনতে সুবঁগা চৰাইছিল। সাম্প্ৰতিক কালত আমি অসমীয়াই শংকৰদেৱৰ এই আদৰ্শক অনুকৰণ কৰিব লাগিব।

শংকৰদেৱে ভক্তি ধৰ্ম্মৰ যোগেদি ১৫ শতিকাতে স্বৰাজৰ বানী প্ৰচাৰ কৰিছিল। কুৰি শতিকাত লোকমান্য তিলকে "স্বৰাজ আমাৰ জন্ম স্বত্ব" বুলি সেই বানীয়েই প্ৰতিধ্বনি তুলিছিল। শংকৰদেৱ প্ৰতিষ্ঠিত গণতান্ত্ৰিক সমাজ পদ্ধতিৰ অন্যতম অনুষ্ঠানৰ নিদৰ্শন হ'ল নামঘৰটি। সাম্প্ৰতিক কালত বিপুল অৰ্থব্যয়ৰে জন শিক্ষাৰ নামত চৰকাৰী ভাবে যি নীতি গ্ৰহন কৰা হৈছে তাৰ বিপৰীতে শংকৰদেৱে মধ্য যুগতে ততোধিক গভীৰ সংবেদনশীল মাধ্যম গীত নাট আদিৰে সত্ৰ নাম ঘৰৰ জৰিয়তে সমাজৰ পৰা নিৰক্ষৰতা ব্যধি আঁতৰাবলৈ সচেষ্ট হৈছিল। এই সত্ৰ নাম ঘৰ বোৰ আছিল জন শিক্ষা আৰু স্বায়ত্ব শাসনৰ ভেঁটি স্বৰূপ আৰু ইয়াতে অনুস্থিত হোৱা ভাওনা, নাম ভাওনা, খুলীয়া ভাওনা চালিনৃত্য. সূত্ৰধাৰী নৃত্য, আদি কলা সমন্বিতে আৰেখী কলা, সুনম্য কলা (মৃন্ময় শিল্প, ভাস্কৰ্য্য আদি চাৰু শিল্প, চিত্ৰাংকন) প্ৰভৃতি বিদ্যাৰ চৰ্চাই লোকায়ত সমাজক আৰ্থিক, নৈতিক মানসিক সকলো দিশতে উৎকৰ্ষতা প্ৰদান কৰিছিল। কিন্তু দুখৰ বিষয় যে আজি আমাৰ সমাজৰ উঠি অহা শিল্পী চামৰ এইবোৰ শিল্প কলাৰ প্ৰতি মনোযোগ হ্ৰাস পাইছে। শ্ৰীমন্তশংকৰে দি যোৱা সুকুমাৰ কলাৰ স্বৰূপ চাই, তাৰ বৈশিষ্ঠতাৰ কাৰিকৰি বুজ লৈ আজি অসমীয়া শিল্পীয়ে সাধাৰণতে কলা নৈপুন্যতাক ৰূপ-দক্ষতা, সুক্ষ্মাভিতম কলা কৌশলতা অৰ্জন কৰি যদি আজি নতুন যুগৰ অসমীয়া সুকুমাৰ কলা, পুৰনি অসমীয়া কলা কৌশলৰ বৈশিষ্ঠ্য তাৰ আলাম লৈ সৃষ্টি কৰি তাৰ মাজেদি অসমীয়া সংস্কৃতিক বিশ্বৰূপৰ বিশ্ববিমোহন প্ৰকাশ কৰিব পাৰে তেন্তে নিশ্চয়ে আমি অসমীয়া জাতিটো অকনমান হৈও এখণ্ড সৰু হীৰাৰ

দৰে জ্বলি পৃথিৱী লক্ষিমীৰ মুকুটত জ্বলি থাকি জগত পোহৰাব পাৰিম।

হৰি নাম ৰস প্ৰেম অমৃতৰ নদী মৰ্ত্ত লোক লৈ পাৰ ভাঙি অনা অৰ্থাৎ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰৰ্থে গুৰু জনাই ৰচনা কৰিছিল এক অনন্য সাহিত্য। যিবোৰ সাহিত্যৰ যোগেদি তেওঁ সমাজ খনৰ সামগ্ৰিক ৰূপটো ডাঙি ধৰিছিল। শংকৰদেৱৰ সাহিত্যক বাদ দিলে আজি আমাৰ অসমীয়া সাহিত্যৰ অস্তিত্বই নাথাকিব। শংকৰদেৱে সৰ্ব্ব কালৰ সৰ্ব্বলোকৰ মনৰ আঁহে-আঁহে, কোঁহে কোঁহে প্ৰেম অমৃতৰ ৰস দান কৰি এখন নিৰ্মল বৃহৎ অসমীয়া সমাজ ৰচনা কৰিবলৈ যত্ন কৰিছিল। কিন্তু অসমীয়াৰ কাৰণে দুৰ্ভাগ্যৰ কথা আৰু অসমীয়া আজি চৰম ব্যৰ্থতাৰ কথা, ইমান বোৰ গুণৰ গৰাকী মহাপুৰুষ শংকৰদেৱৰ প্ৰাসঙ্গিকতা উত্তৰ পুৰুষে যেন বিচ্ছিন্নতাবাদী ৰাজনৈতিক স্বাৰ্থন্ধতাৰদৰে গৰাহত পৰি আদৰ্শ হিচাবে লবলৈ দ্বিধিগ্ৰস্ত হৈছে। "ভাঙিবলৈ সহজ গঢ়িবলৈহে টান" শংকদেৱে গঢ়িছিল। এই কথাকে ভাবি নেওঁগ দেৱে মন্তব্য কৰিছিল- "তেওঁৰ সেই সঞ্জীৱনী শক্তিৰ বলতে অসমীয়া আজিও তেজিয়ান কিন্তু সেই তেজ আজি কেই বছৰ মানৰ পৰা টুটি আহিছে যেন দেখা গৈছে। সেই দেখি অসমীয়াক আকৌ তেনে এটি শকত জাতীয় ভাৱ দি বলৱন্ত কৰিবৰ আৱশ্যক হৈছে। আমাৰ দাতি কাযৰীয়া সকলো পিছ পৰা জাতি ৰাজনৈতিক বা আন শোষণত অসমৰ পৰা আঁতৰি যোৱা সকলো জাতিৰ এতিয়া বুকুলৈ সৰটি আনিবলৈ সেই উদাৰ ধৰ্ম প্ৰচাৰকৰ নিচিনা সেই উদাৰ সাহিত্যৰ প্ৰভাৱ বিস্তাৰৰ বাহিৰে আন উপায় নাই। তাৰ কাৰণে সম্প্ৰতি শংকৰদেৱ নামে এটি অনুষ্ঠান পাতি চাই চিন্তি তেওঁৰ পৰিত্ৰ নাম লৈ কামত আগবঢ়াৰ অতি উপযুক্ত সময় হৈছে" (ডিম্বেশ্বৰ নেওঁগ)।

বৰ্ত্তমানে নেওঁগ দেৱে আশা কৰা মতে— "শ্ৰীমন্ত শংকৰদেৱ সংঘ" "শংকৰদেৱ আসন" আদি প্ৰতিষ্ঠিত হৈছে। এইবোৰৰ জৰিয়তে শংকৰদেৱ জন্মোৎসৱ, তিৰোভাব তিথি উৎযাপন হৈছে। চৰকাৰৰ তৰফৰ পৰাও "শংকৰদেৱ বঁটা"ৰ দৰে বঁটাৰ প্ৰচলন কৰি সাম্প্ৰতিক কালত শংকৰদেৱৰ প্ৰাসঙ্গিকতা প্ৰতিপন্ন কৰিছে। বৰ্ত্তমান কালত আমি শংকৰদেৱৰ জন্মোৎসৱ পাতি তেওঁৰ গুনানুকীৰ্ত্তন কৰাই যথেষ্ট নহব। একান্ত গুৰু ভক্তি; জীৱৰ প্ৰতি দয়া, সংসাৰী হৈও সংসাৰৰ ঘোৰ আসক্তিৰ পৰা উৰ্দ্ধত থাকি গুৰুজনাই পদুমৰ পাত পানীত থাকি তুলি অনাত এটোপাল পানীত লাগি নথকাৰ দৰে যি আদৰ্শ আমাৰ আগত ৰাখি গ'ল সেই আদৰ্শত অনুপ্ৰানিত হৈ আমি কাম কৰি গ'লে বৰ্ত্তমান সমাজত দেখা দিয়া ব্যাধি ৰূপ বহুতো অশান্তিৰ বীজ ধ্বংস হৈ সমাজত শান্তি প্ৰতিষ্ঠা হব তেতিয়াহে আমি শংকৰদেৱৰ প্ৰকৃত উত্তৰাধিকাৰ বুলি দাবি কৰিব পাৰিম।

শেষত কবলৈ গ'লে শংকবদেৱ অসমীয়া জাতিৰ পিতৃ স্বৰূপ। সাম্প্রতিক কালত আমি প্রত্যেক অসমীয়াই তেৱাৰ সুমহান আদর্শ ৰাখি আমাৰ সামাজিক জীৱনত নতুনকৈ প্রয়োগ কৰিব লাগিব, তেহে অসমীয়া সমাজৰ বৃহৎ জাতি গঠনৰ প্রক্রিয়া অব্যাহত থাকিব। অসমীয়া জাতিয়ে যেতিয়াই জাতি ভাষা সম্প্রদায় ভেদে শংকবদেৱক "মোৰ" বুলি স্বীকৃতি দি "হিয়ে হিয়ে ৰাখুন" কবি লব পাৰিম সেই দিনাই অসম বাসীয়ে "অসমীয়াত্ব" পুন ৰাই গঢ়ি তুলিব পাৰিম। শংকৰদেৱক এতিয়া আমি 'মনিকুট'ৰ ভিতৰত নাৰাখি, বিশ্ব দৰবাৰত প্রকাশ কৰাৰ সময়।

"শ্রীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
অহাঙ্ক বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥"

(নাম ঘোষা)

শ্রীৰঞ্জু ঠাকুৰীয়া
স্নাতক তৃতীয় বর্ষ
(কলা)

শিক্ষাৰ লক্ষ্য

সকলো শিক্ষাই একপ্রকাৰ শিল্প, গতিকে ইয়াৰ লক্ষ্য বা উদ্দেশ্য সাধাৰণতে আনন্দদায়ক বা শান্তিদায়ক বুলি ধৰাতো বাঞ্ছনীয়। মনিষী এৰিষ্টোটলেও এইযাৰ কথাকেই কৈছে যে "প্রত্যেকটি শিল্পৰেই উদ্দেশ্য সুন্দৰ।"

পিছে এইটোও প্রশ্ন উঠে যে, কি সুন্দৰ উদ্দেশ্য ? এই সম্বন্ধে অনেকে মনৰ ভাব ব্যক্ত কৰে যে শিক্ষা মানুহে আয়ত্ব কৰে চৰিত্রক গঢ় দিবলৈ। পৰিপূর্ণ জীৱন যাপনৰ প্রস্তুতি কৰিবলৈ সুস্থ শৰীৰত সবল মন গঢ়ি তুলিবলৈ ইত্যাদি। আমি যেতিয়ালৈকে ইয়াৰ আচল কাৰণবোৰ নাপাও তেতিয়ালৈকে এই সকলো মতকে আমি সুন্দৰ বুলি মানি লওঁ, কেনে ধৰণৰ চৰিত্র গঢ়িব লাগে ? পৰিপূর্ণ জীৱন যাপন কৰিবলৈ কি উপসর্গৰ প্রয়োজন ? সবল মনৰ চিন কি কি ? এই বিষয়ে শ শ প্রশ্নই আমাক জুমুৰি দি ধৰে।

এই পৃথিৱীত কোটি কোটি নৰ নাৰী আছে কিন্তু কাৰো স্বভাৱৰে সামঞ্জস্য নাই। পৰস্পৰৰ মাজত ইমান প্রভেদ যে তেওঁলোক যেন সম্পূর্ণ ভিন্ ভিন্ দেশৰ অধিবাসী। এজনে যি স্বভাৱ ভাল বুলি মানে যেনে "এগালত চৰমাৰিলে আনখন গালো পাতি দিয়া" অর্থাৎ নম্রতা, কিন্তু আনজনে দুষ্টক দমন শান্তক পালন মত গ্রহণ কৰি নম্রতাক উলাই কৰে। দেশ-কাল-পাত্র ভেদেও শিক্ষাৰ উদ্দেশ্যও বেলেগ হয়। গতিকে সঠিক উদেশ্য বাচি উলিওৱা টান হৈ পৰে। ব্যক্তি, জাতি, দেশ, সমাজ ধর্ম প্রভৃতিক কেন্দ্র কৰি শিক্ষাব্রতী, ৰাষ্ট্রনায়ক, দার্শনিক আৰু মনোবিজ্ঞানবিদ সকলে শিক্ষাৰ পৰিকল্পনা ৰচিছে,

কিন্তু তেওঁলোকৰ মতবাদত যথেষ্ট বিৰোধ ভাব পৰিলক্ষিত হৈছে।

এই বিভিন্ন মতবাদবোৰ সহজে লুপ্ত কৰিব পাৰি যদি শাৰিৰীক, মানসিক অনুভুতিক নৈতিক আৰু আধ্যাত্মিক এই কেইটাই মানুহৰ জীৱনৰ প্ৰধান ব্যক্তিগত দিশ আৰু এই কেইটা দিশৰ উপযুক্ত উৎকৰ্ষ সাধন আৰু বিকাশেই মানুহৰ ব্যক্তিগত জীৱনৰ লক্ষ্য হয়।

শিক্ষাৰ লক্ষ্যই জীৱনৰ আদৰ্শৰ লগত জড়িত থাকে। শিক্ষাৰ আদৰ্শ আৰু ব্যৱস্থা বিভিন্ন দেশৰ যুগত সমাজত আৰু ৰাষ্ট্ৰত প্ৰয়োজন অনুসাৰে পৰিবৰ্ত্তন হোৱা দেখা যায়। গতিকে শিক্ষাৰ সাৰ্ব্বজনীন আদৰ্শ নিৰ্ণয় কৰা টান। শিক্ষাৰ আদৰ্শ দিছে গন্তব্যস্থান আৰু ব্যৱস্থা হৈছে গন্তব্যস্থানত উপনীত হবলৈ অতি ক্ৰমনীয় পন্থা এটা হৈছে লক্ষ্য, আনটো হৈছে উপায়।

শিক্ষাৰ আদৰ্শ বিভিন্ন যুগত বিভিন্নভাৱে নিৰ্ণয় হৈছিল। শিক্ষা সভ্যতাৰ বাহন। মনুষ্য জাতি আদিম যুগৰ পৰা বৰ্ত্তমান সভ্যতাৰ শাৰীত ক্ৰমোন্নতিৰ পথত অগ্ৰসৰ হোৱাৰ মূলত শিক্ষা। সভ্যতাৰ ক্ৰমবিকাশৰ স্তৰে স্তৰে শিক্ষাৰ আদৰ্শও বেলেগ বেলেগ হৈ আহিছে। শিক্ষাৰ ইতিহাস হল মানৱ জাতিৰ সভ্যতাৰ ইতিহাস। জীৱনৰ উদ্দেশ্যই মানুহৰ সকলো ব্যক্তি পৰিচালনা কৰে। পুৰণি কালৰ ভাৰতীয় দৰ্শনৰ যি আদৰ্শ খৃঃ পূঃ ৫০০ বছৰ আগতে মানি লৈছিল সেই বিলাক আদৰ্শ আধুনিক জগতৰ লগত খাপ খোৱাব নোৱাৰি; যিহেতু পৃথিৱীখন প্ৰগতিশীল। আদিম অৱস্থাত মানুহৰ চেষ্টা শক্তি সামৰ্থ্য জৈৱিক প্ৰয়োজনেই নিয়ন্ত্ৰণ কৰিছিল। ধৰা যাওক পৌৰাণিক যুগৰ আশ্ৰ ঋষি, মুনি সকলে যি আদৰ্শত আশ্ৰমৰ পৰিবে গঢ়ি তুলিছিল সেই আদৰ্শকে লৈ আজি যুগত সেই পৰিবেশ সৃষ্টি কৰিব নোৱাৰি সে বুলি সম্পূৰ্ণ অস্বীকাৰো কৰিব নোৱাৰি। তা অতি প্ৰয়োজনীয় দিশবোৰ গ্ৰহণ কৰিব পাৰি অনেক সময় দেখা যায়, এটা জাতিৰ আদৰ্শ সেই একোটা জাতিৰ ওপৰতে প্ৰভুত্ব বিস্তা কৰিব নোৱাৰে। পাশ্চত্য সভ্যতাৰ কেন্দ্ৰ গ্ৰীস দেশলৈকে মন কৰিলে দেখা যায় স্পষ্টবাদী সকলে বলী মন আৰু বলৱা শৰীৰ" গঠন কৰাটো শিক্ষাৰ ভিতৰত ধ লৈছিল এথেন্সবাসী সকলে "সুন্দৰ মনত সুন্দ শৰীৰ" গঠন কৰাকেই শিক্ষা বুলি মানি লৈছিল গ্ৰীক সকলৰ মাজত দৰ্শন সাহিত্য বিজ্ঞা আদিকলৈ অবিহনা যোগোৱা তিনি গৰাক মহান ব্যক্তি হ'ল চক্ৰেটিছ, প্লেটো আৰু এৰি ষ্টোটল। তেওঁলোকৰ শিক্ষাৰ লক্ষ্য আছি ভিন্ ভিন্। প্লেটোৰ মতে. শিক্ষা বাহিৰৰ প উদ্ভৱ হোৱা নাই, ই অন্তনিহিত শক্তি চক্ৰে টিছেও শিক্ষাক ধাত্ৰীৰ লগত তুলনা কৰিছে এৰিষ্টোটলে শিক্ষাক শিল্প বুলিছে। উদ্দেশ্যক সুন্দৰ বুলিছে। স্বামী বিবেকানন্দ শিক্ষাৰ সম্বন্ধে এটা ভাল আখ্যা দিছে, কাকো কোনেও প্ৰকৃত শিক্ষা দিব নোৱাৰে যিহেতুকে শিক্ষকে কেৱল পৰামৰ্শ দিব যাতে শিশুটিৰ অন্তনিৰ্হিত শক্তি সমূহে বিকাশ পায়। গতিকে শিক্ষক মাত্ৰ পথ প্ৰদৰ্শক। শিক্ষাৰ এনেধৰণৰ নানা সংজ্ঞা পোৱা যায়। প্ৰত্যেক ব্যক্তিৰে ব্যক্তিত্ব আছে। ইয়াক কোনেও নুই কৰিব নোৱাৰে। প্ৰত্যেক মানুহৰ কিছুমান ব্যক্তিগত বৈশিষ্ট আছে এই সকলোবোৰৰ সমন্বয়ে ব্যক্তিৰ ব্যক্তিত্ব। আনহাতে মানুহ সমাজপ্ৰিয়। সমাজৰ পৰিবেশতেই ব্যক্তিৰ ব্যক্তিত্ব বিকাশ। মানৱ চৰিত্ৰ ইমান জটিল আৰু বিচিত্ৰ যে, এফালৰ পৰা চালে দেখা যায় সকলো মানুহ একসূত্ৰে আবদ্ধ। ব্যক্তি সমাজৰ অঙ্গ মাথোন আৰু সামাজিক পৰিবেশনৰ পটভূমিহে ব্যক্তিগত গনবিলাকে পৰিপুষ্টি লাভ কৰে।

মন শূন্যহৈ থাকে লাহে লাহে আনৰ চিন্তা ধাৰা। ভাৱধাৰাই মন পৰিপুষ্ট কৰে। প্ৰত্যেক ব্যক্তিৰে পাৰিবাৰিক, নাগৰিক, সামাজিক আৰু ৰাষ্ট্ৰীয় জীৱনো আছে। এই সকলোক লৈয়েই সমষ্টিগত জীৱন গতিকে মানুহৰ ব্যক্তিগত আৰু সমষ্টিগত বা সামজিক এই দুটা জীৱনৰ ফাল আছে। শিক্ষাই ব্যক্তিগত আৰু সমষ্টিগত সকলো দিশ সম্যক ভাৱে উৎকৰ্ষসাধন কৰিবলৈ সুযোগ দিব লাগে আৰু তাৰ সাধনৰ সহায়ক হব লাগে। জীৱনৰ কোনো অংশই অৱহেলাৰ বস্তু নহয়। পশু জীৱন প্ৰবৃত্তিৰ দান। সেই কাৰণে তাত সংযম নাই প্ৰকৃতি বা চৰিত্ৰবো পৰিবৰ্ত্তন নাই। মানুহে কিন্তু সহজাত বৃত্তিৰ স্বাভাৱিক প্ৰকাশকো দমন কৰিব পাৰে। গতিকে মনুষ্য স্বভাৱ ব্যক্তিগত আৰু সমষ্টিগত মানুহৰ সকলোবোৰৰ স্বভাৱ এই দুটা ভাগতে পৰে।

কিছু দাৰ্শনিকে এই ব্যক্তিগত মতকে মানি লয় তেওঁলোকে কয় যে, মানুহ স্বাধীন দাম্ভিক। সঘনে আনে সৈতে শক্তি প্ৰয়োগ কৰি ভাল পাইছিল কিন্তু এই যুদ্ধৰ ওৰ পৰিল সমাজ সংগঠনৰ দ্বাৰা। প্ৰত্যেক ব্যক্তিয়ে নিজ নিজ ব্যক্তিত্ব এৰি সমাজ গঠন কৰে। এখন সমাজৰ উন্নতি এজন ব্যক্তিয়ে সমাজৰ প্ৰতি কৰা উত্তম কাৰ্য্য সমূহৰ দ্বাৰা হে পৰিগণিত হয়।

শিক্ষাবিদসকলে কয় যে সমাজক গুৰুত্ব দিয়াৰ ওপৰতহে মূল্য আছে। "পৃথিৱীত স্ত্ৰী আৰু পুৰুষৰ স্বাধীন কাৰ্য্য সমূহৰ যোগেদি এই পৃথিৱীত কোনো ভাল অনুষ্ঠান গঢ়ি উঠিছে।"

কথাষাৰৰ সত্যতা এই যে ব্যক্তিগত ভাৱে যি অৱদান মানুহে সমাজলৈ আগবঢ়াব তাৰ পৰাই সমাজ সমৃদ্ধিশালী হয়। গতিকে শিক্ষাৰ চুক্তিত এই কথাও স্বীকাৰ কৰিব লাগে। ব্যক্তিত্ব বিকাশ হবলৈ দিব লাগে। নিজৰ সঙ্গীৰ প্ৰতি থকা ব্যক্তিত্বৰ দায়িত্ব কমাই নিদি নিজৰ আচাৰ-ব্যৱহাৰ. ৰীতি-নীতি ধৰ্ম আদিত চলাব লাগে। পৃথিৱী হৈছে এখন বিৰাট সমাজ। গতিকে ব্যক্তিগত অৱদানবোৰৰ যোগেদিহে সমাজ সুশ্ৰী আৰু সবল হয়। আমি সাৰ্ব্বজনীন আদৰ্শ লব নোৱাৰো। বৃদ্ধ আৰু ৰবীঠাকুৰে ব্যক্তি হিচাবে যি আদৰ্শ জগতত দি গ'ল। ই তেওঁলোকৰ আছিল নিজস্ব। আমি সমাজকে সম্পূৰ্ণ গুৰুত্ব দি ব্যক্তিৰ স্বত্ব সমূহ স্বীকাৰ কৰিব লাগিব। শিক্ষাই আমাক

কোনো আদর্শ ভাল কোন আদর্শ বেয়া তাক বিস্তাৰ কৰিবলৈ সহায় কৰে।

মুঠৰ ওপৰত শিক্ষা ব্যক্তিত্ব বিকাশৰ সহায়ক হব লাগিব। আৰু ব্যক্তিত্ব ব্যক্তিগত আৰু সমষ্টিগত মানুহ হিচাবে প্ৰতিস্থা কৰাই শিক্ষাৰ সার্থকতা। পৰিপূর্ণ জীৱন যাপন কৰিবলৈ শিশুক ব্যক্তিগত আৰু সমষ্টিগত জীৱন সর্ব্বতো মূখী বিকাশ সুযোগ শিক্ষাই প্রদান কৰিব পাৰে। ব্যক্তিগত সমাজৰ অঙ্গ মাথোন আৰু সামাজিক পৰিবেশৰ পটভুমিতেহে ব্যক্তিগত গুণবিলাকে পৰিপুষ্টি লাভ কৰে। প্রত্যেক ব্যক্তিৰে পাৰিবাৰিক, নাগৰিক,সামাজিক আৰু ৰাষ্ট্রীক জীৱনো আছে। এই সকলোবোৰ লৈয়েই মানুহৰ সমষ্টিগত জীৱন।

শিক্ষাৰ লক্ষ্য এটা বুলি কব নোৱাৰি ই বহু ধৰণৰ। কাৰণ এই লক্ষ্যত অনেক মনিষীয়ে উদ্‌ঘাটন কৰা লক্ষ্যবোৰ নিহিত হৈ আছে। তাৰে তলত কেইটিমান উল্লেখ কৰ হল। যেনে—

আধ্যাত্মিক উন্নতিৰ লক্ষ্য—

কাৰিকৰি বিষয়ক আৰু ব্যৱহাৰযোপযোগী বিষয়ক লক্ষ্য।

জ্ঞান আহৰণ কৰা বিষয়ক লক্ষ্য—

সাংস্কৃতিক বিষয়ক লক্ষ্য—

সম্পূর্ণ বা সুন্দৰ, মহৎ ও উন্নত জীৱন যাপনৰ বাবে প্রস্তুত কৰা লক্ষ্য—

চৰিত্র গঠনৰ লক্ষ্য ইত্যাদি—

সজ চৰিত্র মানৱতাৰ সোপান। শিক্ষাৰ দ্বাৰা পৰিবেশ বা প্রকৃতিক জয় কৰিব নোৱাৰিলে মানৱতাৰ সোৱাদ জীৱনত লাভ কৰি নোৱাৰি গতিকে শিক্ষাৰ লক্ষ্য অতি গভীৰ অতি মহৎ।

ছাঁলৈ—

মঃ আফজল হুছেইন
স্নাতক দ্বিতীয় বার্ষিক

নোবেল বঁটা বিজয়ী সাহিত্যিক গেব্রিয়েল গার্চিয়া মার্কুইজৰ জীৱন আৰু সাহিত্য

১৯৮২ চনৰ কথা। সেই বছৰৰ সাহিত্যৰ নোবেল বঁটা ঘোষণা কৰাৰ আগেয়ে বিশ্বৰ প্রচাৰ মাধ্যমত এটা কথা সদৰি হৈ পৰিছিল যে '৮২ চনৰ নবেল বঁটা কোনো এজন তৃতীয় বিশ্বৰ লিখকেই লাভ কৰিব। বিখ্যাত লেখক অক্টাভিঅ' পাঁজ, বোৰখেছ, গেব্রিয়েল গার্চিয়া মার্কুইজ আদিৰ নাম সংবাদ পত্রবোৰত বৰকৈ ওলাইছিল যদিওঁ অৱশেষত সকলোৰে জল্পনা কল্পনাৰ অন্ত পেলাই সেই চনৰ সাহিত্যৰ নবেল বঁটা লাভ কৰিবলৈ সক্ষম হ'ল লেটিন আমেৰিকাৰ বিখ্যাত লেখক ৫৪ বছৰীয়া গেব্রিয়েল গার্চিয়া মাইকুজে। অথচ এই গৰাকী লেখকেই '৮১ চনত এগৰাকী সাংবাদিৰ প্রশ্নৰ উত্তৰত কৈছিল—"নবেল বঁটা পাবলৈ উপযুক্ত হোৱাৰ প্রতি মোৰ আগ্রহ আছে, কিন্তু বঁটা পোৱাটো বিপদজনক"। নিজৰ সন্দেহকেই চেৰ পেলাই তেওঁ লাভ কৰিলে নবেল বঁটা। "ওৱান হান্দ্রেদ্‌ ইয়েৰছ অৱ ছলিটুড্‌" (নিঃসংগতাৰ এশ বছৰ) শীর্ষক গ্রন্থ খনৰ বাবে নোবেল বঁটা পোৱা অসাধাৰণ প্রতিভাৰ অধিকাৰী গেব্রিয়েল গার্চিয়া মার্কুইজৰ জন্ম হৈছিল কলম্বিয়াৰ আর্কাটাকা নামৰ এখন সৰু চহৰত ১৯২৮ চনত। তেওঁৰ দেউতাকে আর্কাটাকাৰ এটা টেলিগ্রাফ অফিচত কেৰাণীৰ চাকৰি কৰিছিল। কেৰাণী দেউতাকৰ মুঠ ১৬টা সন্তানৰ এটা ডাঙৰ পৰিয়াল আছিল। ইমানবোৰ সন্তানৰ মাজতো ককাক আৰু আইতাকৰ অতি মৰমৰ আছিল গেব্রিয়েল। পৰিয়ালৰ মানুহ আৰু ওচৰৰ মানুহবোৰে গেব্রিয়েলক মৰমতে 'গেবো' বা 'গেবিটো' বুলিও মাতিছিল। ঘৰৰ

তিবোতা সকলে গেবোৰ ওপৰত বিশেষ দৃষ্টি ৰাখিছিল আৰু সন্ধিয়া 'গেবো' বাহিৰ ওলাবলৈ খুজিলে ভূত প্ৰেতৰ ভয় দেখুৱাই ঘৰৰ ভিতৰতে সুমুৱাই ৰাখিছিল। ফলস্বৰূপে এন্ধাৰৰ প্ৰতি গেব্ৰিয়েলৰ মনত এক অজান ভয় শিশুকালতেই জাগিছিল। শিশু মনত তেওঁৰ এই ভয়ে মানসিক গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সেয়ে ডাঙৰ হোৱা ৰ পিছতো নিশাৰ অন্ধকাৰত গেব্ৰিয়েলৰ অবচেতন মনত সুপ্ত হৈ থকা ভয় ভাৱে জাগৃত হৈ উঠিছিল—।

তেওঁৰ ভাষাত—"When darkness feel I Could be terrified. It is something so deeply engraved on my mind that sometimes when I am in lotes sleeping alone, I wake up in the middle on the might feeling that some terror which I feet as a child. I am still afraid the dark."

এন্ধাৰৰ দৰে গেব্ৰিয়েলৰ মনত গভীৰ প্ৰভাৱ পেলোৱা আন এটা বিষয় হ'ল তেওঁৰ আইতাকে তেওঁক শিশুকালত কোৱা মজাৰ সাধুবোৰ। এইবোৰে গেব্ৰিয়েলৰ মনোজগতত কল্পনাৰ বীজ সিঁচিছিল আৰু ভবিষ্যতে তেওঁ সেইবোৰৰ ওপৰত সাহিত্য সৃষ্টি কৰিছিল। 'নিঃসঙ্গতাৰ এশবছৰ' গ্ৰন্থতো তেওঁৰ এনে প্ৰভাৱ আছে।

আঠ বছৰ বয়সত গেব্ৰিয়েলে এটা স্কুলীয়া বৃত্তি পায় আৰু পৰিয়ালৰ নিৰ্দেশক্ৰমে ওচৰৰ কলম্বিয়াৰ ৰাজধানী বগোটা চহৰলৈ পঢ়িবলৈ যায়। তাত তেওঁ বৰ নিঃসঙ্গ অনুভৱ কৰিছিল আৰু নিজকে 'আচহুৱা' বোধ কৰিছিল। তাত তেওঁৰ কোনো নাই, আইতাক, ককাৰ পৰিয়ালৰ আত্মীয়সকল, মাছিৰ্দেছ নামৰ মৰমী য়াল ছোৱালীজনী। এইবোৰ কথা ভাবি তেওঁ বৰ নিঃসহায়তা অনুভৱ কৰিছিল। পিচলৈ এই অনুভৱবোৰ তেওঁৰ "নিঃসঙ্গতাৰ এশবছৰ" নামৰ গ্ৰন্থ খনত স্পষ্টভাৱে সন্নিবিষ্ট হৈছিল।

এনে অৱস্থাৰেই বগোটা চহৰত স্কুল কলেজৰ শিক্ষা সাং কৰি তেওঁ বগোটা বিদ্যালয়ৰ আই বিভাগত ভৰ্ত্তি হয়। কিন্তু তেওঁৰ মন সা বাদিকতাৰ পিনেহে ঢাল খালে। আনুষ্ঠা নিক শিক্ষা সমাপ্তিৰ পিছত তেওঁ সাংবাদি ৰূপে কৰ্ম জীৱন আৰম্ভ কৰে আৰু এই বৃত্তি তেওঁ জীৱনত বহুবোৰ বিচিত্ৰ অভিজ্ঞতা লা কৰে। এই অভিজ্ঞতাই তেওঁৰ সাহিত্য জীৱনত বাকৈকেয়ে অবিহনা যোগাইছে। তেওঁ মতে সাংবাদিকতা আৰু সাহিত্য সাধনা উ য়ৰ মাজত স্ৰোত, সামগ্ৰী, সাধন পদ্ধতি ভাষাৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাই।

মাকুইজে উদাহৰণ স্বৰূপে কৈছে যে ডেনিয়েল ডিফোৰ 'প্লেগবৰ্ষৰ দায়েৰী' যেনে মহান সাহিত্য কৃতি, ঠিক তেনেকৈ 'চিমা' সাংবাদিকতাৰ এক মহান কৃতি। তে

মতে সংবাদ পৰিবেশনত যদি এটা মাত্ৰ ভুল তথ্য হয়, তেতিয়া সেই ভুলটোয়েই গোটেই কথাখিনি খেলি মেলিৰ সৃষ্টি কৰে। নিৰ্ভুল তথ্য পৰিবেশনৰ ভাল সাংবাদিকতাৰ লক্ষণ বুলি তেওঁ ভাবে। তেওঁ এগৰাকী সামাজিক দায়বদ্ধ লিখক। সমাজ আৰু মানুহৰ বাবে লিখা মেলা কৰাৰ উপৰিও তেও মেক্সিকোত মানৱ অধিকাৰ সংস্থা এটাও স্থাপন কৰিছে। ইয়াৰ খৰচ তেওঁ নিজেই বহন কৰে। বগোটা চহৰৰ পৰা প্ৰকাশ পোৱা বাম পন্থী কাকত এখনকো তেও আৰ্থিক সহায় কৰাৰ উপৰিও নবেল বঁটাত পোৱা টকাবোৰ আন এখন কাকত খৰচ কৰি আছে। কেৱল কিতাপ লিখিয়েই তেও প্ৰচুৰ টকা আৰ্জিছে। তথাপি তেওঁ বিলাসী জীৱন নিবিছাৰে। সহজ সৰল জীৱন কটোৱা গেব্ৰিয়েলে ষ্টকহ'মলৈ নবেল বঁটা লবলৈ যাওঁতেও চাহাবী পোচাকৰ সলনি পিন্ধি গৈছিল নিজৰ জাতীয় পোচক 'গুৱেবাৰা' নামৰ ৰঙীন চোলা এটা।

তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্ত্তিস্তম্ভ হ'ল 'নিঃসঙ্গতাৰ এশবছৰ' নামৰ 'আত্মজীৱনীমূলক উপন্যাসখন। ইয়াত তেও এটা বুয়েন্দিয়া পৰিয়ালৰ কথাৰ উপৰিও নিজৰ জীৱনৰ শৈশৱ কালৰ নিঃসঙ্গতাৰ কৰুণ কাহিনীবোৰ মনোৰম ভাৱে বৰ্ণনা কৰিছে। তদুপৰি সেই পৰিয়ালটোৰ ছটা প্ৰজন্মৰ কাহিনী আৰু এখন নগৰৰ উত্থান-পতনৰ বুৰঞ্জী আছে এই গ্ৰন্থত। সমালোচকৰ মতে উপন্যাস খনৰ ভাষা সহজ সৰল, পোনপটিয়া, আবেগময় আৰু কল্পনাৰে ভৰপূৰ। তেওঁৰ সাহিত্যৰ ওপৰত নবেল কমিতিৰ মতামত হ'ল "তেওৰ উপন্যাস আৰু গল্পবোৰৰ স্পপ্ন আৰু বাস্তৱৰ মিলন অদ্ভুদ কল্পনা শক্তিৰ যোগেদি সন্মুখত জিলিকি উঠিছে। তেওৰ লিখাৰ যোগেদি লেটিন আমেৰিকাৰ জীৱন আৰু সংগ্ৰামৰ ছবি পূৰ্ণ ভাবে চিত্ৰিত হৈছে"।

'নিঃসঙ্গতাৰ এশবছৰ' নামৰ গ্ৰন্থখন সম্পৰ্কত বিশ্ববিখ্যাত কবি পাঁৱলো নেৰুদাই মন্তব্য কৰিছে যে— 'ছাৰ্ভেন্টিছৰ ৫৯ কুইকছোটৰ পিচত সন্তুৱত এই খনেই স্পেনিছ ভাষাৰ সৰ্ব্বশ্ৰেষ্ঠ গ্ৰন্থ"।

কেৱল কিতাপ লিখিয়েই দুখীয়া সাংবাদিকৰ পৰা 'ধনী সাহিত্যিক' হিচাবে প্ৰতিষ্ঠিত হোৱা গেব্ৰিয়েল মাৰ্কুয়েজে নিজৰ কৃতিত্ব সম্পৰ্কত কৈছে—'মোৰ লেখাৰ আটাইতকৈ বেছি প্ৰশংসা কল্পনাৰ বাবে কৰা হৈ আছে। কিন্তু সঁচা কথা ক'বলৈ গ'লে মোৰ সাহিত্যত এনে এটা শাৰী নাই যাৰ আধাৰ বাস্তৱতা নহয়"। তেওঁৰ যি কল্পনা সি অলীক কল্পনা নহয় বুলি তেওঁ ভাবে। সেই কল্পনা নিৰৰ্থকো নহয়। এই প্ৰসংগত তেওঁ কৈছে—'হাতী আকাশত উৰি আছে বুলি ক'লে মানুহে আপোনাৰ বিশ্বাস নকৰিব। কিন্তু আপুনি যদি কয় আকাশত ৪২৫টা হাতী আছে তেতিয়া হয়টো আপোনাৰ কথা আনে বিশ্বাস কৰিব'।

গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুইজ কুটনৈতিক বাজ-

নীতিৰ বিৰোধী। কলম্বিয়াৰ প্ৰতিকূল ৰাজনৈতিক পৰিস্থিতিৰ বাবেই তেওঁ নিজৰ জন্মস্থান ত্যাগ কৰি মেক্সিকোত স্বনিৰ্বাসন যাপন কৰিছিল। তেওঁ সোপন্থী ৰাজনীতিৰো বিৰোধী। সেই বুলি তেওঁ বাও পন্থী ৰাজনীতিৰ লগতো জড়িত নহয়। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰশাখনক তেও চঁকু পাৰি দেখিব নোৱাৰে। তদানীন্তন ৰাষ্ট্ৰপতি বনাল্ডৰেগনক তাচ্ছিল্য কৰি বৰ বেয়াকৈ তেও লিখিছিল—"That illiterate Cow-Boy is the most dangerous u.s President for Latin America....."

আনহাতে কিউবাৰ ৰাষ্ট্ৰপতিফিদেল কাষ্ট্ৰো আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মিটাৰোঁ তেওৰ ঘনিষ্ঠ বন্ধু। বাও পন্থী ৰাজনীতিক তেও শ্ৰদ্ধা কৰে যদিও ৰাজনীতিত তেওঁ জড়িত নহয়। সাহিত্য আৰু ৰাজনীতিক একাকাৰ কৰাটোও তেওঁ নিৰিছাবে। ভাল লিখিব পৰাটোয়েই হ'ল তেওঁৰ মতে এজন লেখকৰ বৈপ্লৱিক ভূমিকা। আওপকীয়া কথাতকৈ তেওঁ সহজ সৰল, গোন পটীয়া কথা ভাল পায়। তেওঁ জনপ্ৰিয়তা পথাৰ খনৰ পৰা আঁতৰি ফুৰে আৰু আঁতৰি ফুৰে বৌদ্ধিক কাৰ ছাজিৰ পৰা।

ওৰে জীৱন মানৱ কল্যানৰ বাবে কামে লাগি থকা গেব্ৰিয়েল গাৰ্চিয়া মাৰ্কুইজ সাহিত্যিই ইতিমধ্যে দেশৰ সীমাৰ ভেদি বিদেশৰ বজাৰ পাইছে। লগে লগে তেওঁ লাভ কৰিছে অজস্ৰ সন্মান, খ্যাতি, ধন দৌলত। তথাপি তেওঁৰ কলমৰ গতি কৃদ্ধ হোৱা নাই। লিখিয়েই আছে তেওঁ

সম্প্ৰতি ৬৪ বছৰ বয়স অতিক্ৰম কৰা গেব্ৰিয়েল গাৰ্চিয়ামাৰ্কুইজ তেওঁৰ পত্নী মাৰ্চিদেচ আৰু লৰা ছোৱালীৰে সৈতে মেক্সিকোত সুখেৰেই বসবাস কৰি আছে। এজন সাধাৰণ সাংবাদিকৰ পৰা বিশ্ব বিখ্যাত ধনী সাহিত্যিক হবলৈ সক্ষম হোৱা মাৰ্কুইজৰ জীৱনৰ আদৰ্শ আৰু কৰ্মবাজি আমাৰ বাবে পাথেয় হোৱা উচিত।

শ্ৰীগুনেশ্বৰ কৈৰৰ্ত্ত
স্নাতক দ্বিতীয় বাৰ্ষিক

ঃ বিশ্বনবী হজৰত মহম্মদ (ছঃ) আৰু সাৰ্ব্বজনীন ভ্ৰাতৃত্ববোধ ঃ

এই বিশাল পৃথিৱীখনৰ সকলো মানুহৰ বাবে এটা সাৰ্ব্বজনীন আদৰ্শৰূপে বিশ্বনবী হজৰত মহম্মদ (ছঃ) এই বিশ্বত আৰ্বিভাব হৈছিল। তেতিয়া আছিল পূৰ্ণ মানৱতাৰ নিখুঁত ছবি। সকলো প্ৰকাৰ ত্ৰুটি বিচ্যুতিৰ পৰা আছিল মুক্ত। তেতিয়াৰ আমি যিকোনো দৃষ্টিকোণৰেই নাচাও কিয়, তেতিয়া আছিল প্ৰত্যেকটো দিশতে আগৰমুৱা। তেতিয়া আছিল এজন ধাৰ্মিক, এজন বৈজ্ঞানিক, এজন অগাধ পণ্ডিত আৰু অসাধাৰণ জ্ঞান মনীষাৰ অধিকাৰী। মানৱ সমাজত যুগ যুগ ধৰি চলি অহা সকলো কাৰৰ কুসংস্কাৰ আতৰাই এখন নিকা সমাজ তথা মঙ্গলময় বিশ্ব গঢ়িবলৈ তেতিয়াতে কল্যানৰ প্ৰতিমূৰ্ত্তিৰূপে এই ধৰণীৰ বুকুত আত্মপ্ৰকাশ কৰিছিল। যেতিয়া আৰব দেশ অন্ধকাৰৰ ধোৱাৰে আচ্ছন্ন আছিল— য'ত দ্বন্দ-খৰিয়াল হত্যা, চোৰ ডকাইটি অবাধে ঘটিছিল—সেইখন সমাজত এইজনা মহান নবীয়ে ভ্ৰাতৃত্ব বোধেৰে বচনা কৰিছিল এখন নতুন সমাজৰ। অনাচাৰ ব্যভিচাৰ নিৰ্মূল কৰি ভ্ৰাতৃত্বৰ এনাজৰীৰে সকলোকে বান্ধি এটি আদৰ্শ অনুকৰনীয় জাতিৰূপে গঢ়ি তুলিছিল।

বিশ্বনবী হজৰত মহম্মদ (ছঃ) এ ইছলামৰ যি অনুপম আদৰ্শ আৰু বিধিৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰি গৈছে, সিয়ে মানুহৰ ভাষাগত, বৰ্ণগত গোষ্টিগত আৰু ভৌগোলিক পৰিধি অতিক্ৰম কৰি গোটেই বিশ্বকে আলোকিত কৰিছে। ধৰ্ম্মৰ বন্ধনৰ জৰিয়তে ইছলামে সকলো বৈষম্য মুচি সকলোকে এখন মুছলিম সাম্যবাদী সমাজৰ অন্তৰ্ভূক্ত কৰিছে। পৃথিৱীৰ সকলো মুছলমান

ভাই ভাই। নবীজীয়ে কৈছিল যে মুছলমানৰ মাজত পাৰস্পৰিক দয়া, সম্প্ৰীতি আৰু সমবেদনা এনেদৰে থাকিব লাগে যেনেদৰে এজন মানুহৰ শৰীৰত কোনো এটা অংগত আঘাত পালে সৰ্ব্বশৰীৰত অনুভূত হয়। ভ্ৰাতৃত্বৰ এই অপূৰ্ব্ব বন্ধনৰ পৰাহে সাম্যনীতিৰ উদ্ভৱ।

মহানবী (ছঃ)এ ভ্ৰাতৃত্ববোধৰ নীতিৰে মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। যি মক্কা বাসীৰ নিদাৰুণ অত্যাচাৰত মহানবীয়ে আল্লাৰ আদেশত মক্কা ত্যাগ কৰিবলৈ বাধ্য হৈছিল সেই পাষান হৃদয়ৰ মক্কাবাসীয়ে মক্কা বিজয়ৰ দিনা আদৰণী জনাইছিল। তেখেতৰ উদাৰ সাম্যনীতি আৰু চাৰিত্ৰীক গুনাৱলীত প্ৰভাৱিত হৈ তেওঁলোকে গোট খাইছিল ইছলামৰ পতাকাৰ তলত। অলপ দিনৰ ভিতৰতে সুদূৰ আটলাণ্টিক মহাসাগৰৰ পৰা প্ৰশান্ত মহাসাগৰলৈকৈ বিস্তৃত ভূখণ্ডত ইছলাম বিয়পি পৰাৰ মূল হেতু আছিল নবীজীৰ প্ৰেম, উদাৰতা আৰু ভ্ৰাতৃত্ববোধ নীতি। যি সকলে কয় তৰোৱালৰ বলতহে মুছলমান সকলে পৃথিৱীত ইছলাম বিস্তাৰ কৰিছিল সেই সকল ইছলাম বিদ্বেষী আৰু হিংসুক লোক। ইছলামৰ ইতিহাসত কলংক সনাৰ অভিপ্ৰায়েৰে তেওঁলোকে এই মন্তব্য কৰে।

মহানবীয়ে কৈছিল"কোনো সম্প্ৰদায়ৰ সম্মতি আৰু পদস্থ ব্যক্তি তোমাৰ সম্মুখত উপস্থিত হলে তেওঁৰ প্ৰতি যথোচিত সম্মান প্ৰদৰ্শন কৰিবা"। পথহাৰাক পথ দেখুৱা, ঘাট মাউৰা বিধবা সকলক আশ্ৰয় দিয়া ভোকাতুৰক অন্ন-দান, বস্ত্ৰহীনক বস্ত্ৰদান সামাজিক দ্বন্দ কলহৰ মীমাংসা ইত্যাদি ইত্যাদি জনহিতকৰ কৰ্মসূচী আগত ৰাখি মহানবী হজৰত (ছঃ) এ নবী হিচাবে ঘোষিত হোৱাৰ পূৰ্বে ডেকাকালত 'হলফুল ফজলে' নামাকৰণেৰে যি সমাজ সেৱা সংগঠন গঢ়ি তুলিছিল সেইটোৱে প্ৰমান কৰে পৰোপকাৰ আৰু জনসেৱাত মহানবী কিমান আগ-ৰনুৱা আছিল।

নবীজী আছিল এজন আদৰ্শ প্ৰতিবেশী। প্ৰতিবেশীৰ পৰা পোৱা যাৱতীয় কষ্টদায়ক আচৰণ হাঁহিমুখে সহ্য কৰিও তেওঁলোকৰ সেৱাৰ বাবে মহানবী আছিল সদা প্ৰস্তুত চুবুৰীৰ কোনো পৰিয়ালে অনাহাৰে থকা উমান পালে নবীজীয়ে নিজে নেখায়ো তেখেতে লোকক আহাৰ দান কৰিছিল। তেখেতে কৈছিল. যি মানুহে নিজে পেট ভৰাই আহাৰ খায় কিন্তু তেওঁৰ চুবুৰীয়া কোনো লোক অনাহাৰে কটালে তেওঁ কেতিয়াওঁ মুছলমান নহয়। (মিশ্কাত শ্ৰীফ)

কোনো লোকে নবীজীৰ ওচৰত কিবা ধাৰলৈ বিচাৰিলে ধাৰলৈ দিছিল, কাৰোবা কিবা অসুখ বিসুখ হ'লে খবৰ লৈছিল, মৃত্যু হলে অন্তষ্টিক্ৰিয়াত যোগ দিছিল ওচৰ চুবুৰীয়াৰ পৰিয়াল এটাৰ মতা মানুহজন একেবাৰে কেইবাদিন ঘৰৰ পৰা আতৰি থকা মহানবীয়ে নিজে তেওঁলোকৰ ঘৰলৈ গৈ মানুহ জন নহালৈকে উট খিৰাই দি আহিছিল

মানুহৰ সুখত সুখী আৰু দুখত দুখী হোৱা আছিল নবীজীৰ স্বভাৱ। ৰুগীয়া লোক দেখিলে নবীজীয়ে অন্তৰত শোক পাইছিল আৰু ধৰ্ম প্ৰচাৰৰ দৰে বিৰাট দায়িত্ব আৰু কৰ্ম্ম ব্যস্ততাৰ মাজতো তেখেতে ৰোগীৰ খবৰ কৰিছিল। অকল দেখা সাক্ষাৎ কৰি ক্ষান্ত থকা নাছিল, স্নেহ প্ৰৱন-ধাত্ৰীৰ দৰে মৰমেৰে গাত হাত বুলাই শুশ্ৰূষা কৰিছিল। তেওঁলোকৰ বাবে দোৱা কৰি মানসিক সান্ত্বনা দানেৰে ৰোগীৰ যন্ত্ৰণা উপশম কৰিছিল। ৰোগীৰ শুশ্ৰূষা আৰু খবৰ লোৱা এটা মহান পুণ্যৰ কাম বুলি তেখেতে ঘোষণা কৰিছিল।

জনসেৱাত আত্মনিয়োগ কৰিবলৈ উদ্বুদ্ধ কৰিয়ে মহানবী হজৰতে কৈছিল, প্ৰয়োজনৰ সময়ত অন্যলোকৰ সেৱা সাহায্য কৰাটো দহ বছৰ কাল এতেকাফ অৰ্থাৎ মছজিদত একনিষ্ঠ ভাৱে আল্লাহৰ ধ্যান কৰাৰ সমতুল্য। পিতৃ-মাতৃহীন লৰা-ছোৱালীৰ প্ৰতিপালনৰ ওপৰত নবীজীয়ে বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

সমাজ জীৱনত অতিথি সৎকাৰ আৰু অতিথি পৰায়নতাৰ প্ৰয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বিশ্বনবী হজৰত মহম্মদ (ছঃ) অনন্য সাধাৰণ অতিথি সেৱক আছিল বুলি সমসাময়িক আৰৱ সমাজত প্ৰসিদ্ধি লাভ কৰিছিল। যিকোনো জাতি বৰ্ণ বা ধৰ্ম্ম নহওক কয় কোনো লোক আলহী হিচাবে নবীজীৰ ঘৰত উপস্থিত হলে তেখেতে আন্তৰিকতাবে যিমানেকৈ সেৱা কৰিছিল তাৰ বহু দৃষ্টান্ত হাদিছ শাস্ত্ৰত উলেখ কৰা হৈছে।

বৰ্ত্তমান বিশ্বৰ সমাজতন্ত্ৰৰ প্ৰৱৰ্ত্তক কাৰ্লমাক্স লেনিন আদি সমাজবাদী সকলে মহানবী (ছঃ)ৰ প্ৰদৰ্শিত সাম্যবাদী আদৰ্শৰ পৰা যে বহু নীতি নিয়ম ধাৰ কৰিছে নিৰপেক্ষ ব্যক্তিয়ে এই কথা স্বীকাৰ কৰিব। এনেদৰে গনতন্ত্ৰৰো মূলভেটি ইছলামেই।

মুছলীনিয়ে কৈছিল-মজদুষ শ্ৰেণীৰ কল্যাণ ব্যৱস্থাত ইউৰোপৰ ভ্ৰান্ত নীতিৰ পৰা মুছলমান সকল এতিয়াও বিৰত আছে। আমীৰ, গৰীব, দাস, প্ৰভু আৰু ধনী-নিধনীৰ মাজত সন্ধি আৰু বন্ধুত্ব প্ৰতিষ্ঠা উন্নত ব্যৱস্থা আৰু উদাৰ নীতি আজিলৈকে মুছলমান সকলৰ মাজত বিদ্যমান।"

মনীষী বার্ণাডশ্বই কয়-হজৰত মহম্মদ (ছঃ) নিচিনা লোকৰ হাতত যদি বৰ্ত্তমান জগতৰ একনায়কত্ববাদৰ ভাৰ থাকিলহেতেন তেন্তে তেখেতে সকলো সমস্যাৰ সমাধান কৰি পৃথিৱীৰ বুকুত সুখ স্বাচ্চন্দ আৰু শান্তি প্ৰতিস্থাত সক্ষম হলহেতেন বুলি মই বিশ্বাস কৰোঁ।


দ্বিতীয় মহাযুদ্ধৰ জাৰ্ম্মান বীৰ হিট্‌লাৰে কৈছিল যে— এই যুগ সন্ধিক্ষণত যুদ্ধৰ মীমাংসাৰ বাবে মই হজৰত মহম্মদ (ছঃ) ক 'ছালিছ' অৰ্থাৎ তৃতীয় পক্ষ হিচাপে বিচাৰক মানিলোহেতেন, যদি তেখেত বৰ্ত্তমান বিশ্বত বাচি থাকিলহেঁতেন।

প্ৰয়াত পণ্ডিত নেহৰুয়ে কয়-"ইছলামৰ সহজ সৰল বোধ্য তথ্য, গণতান্ত্ৰিকতা আৰু সাম্য-

বাদে বিশেষভাবে প্রভাবিত কৰিছে বিশ্ব মানৱক।"

মুঠতে বিশ্বনবী হজৰত মহম্মদ (ছ.) এ বিশ্বত সাৰ্ব্বজনীন ভ্ৰাতৃত্ব বোধ প্ৰতিষ্ঠা কৰাত অপূৰ্ব্ব ৰবঙনি যোগাই গৈছে। তেখেত আছিল গোটেই বিশ্বৰ 'ৰহমাতুল্লীল আমীন"। এখে- তৰ দৰে সত্যবাদী, সচ্চৰিত্ৰ, সাধু, বিশ্বত লোক পৃথিৱীত বিৰল।

আব্দুল মালিক
তয় বর্ষ, অসমীয়া প্রধান



অসমীয়া ভাষাত জনজাতীয় ভাষাৰ প্ৰভাৱ

'ভাৰতৰে পূৰ্ব্বদিশত সূৰ্য্য উঠা দেশ'— অসম ভূমি প্ৰকৃতিৰ ৰম্যভূমি। সেইদৰে ই আদিশত ৰম্যভূমি হ'ল বিভিন্ন জাতি উপ-জাতিৰ সমাহাৰৰ বাবে। উত্তৰ পূৱ দিশেৰে প্ৰবেশ কৰিলে তিব্বত বৰ্মী আৰু শ্যাম চীনীয় গোষ্ঠীৰ লোক আৰু পশ্চিম দুৱাৰেদি প্ৰবেশ কৰিলে আষ্ট্ৰিক আৰু আৰ্য্য গোষ্ঠীৰ লোক। কিন্তু কালৰ কুটিল গতিত সদৌ শেষত সোমোৱা আৰ্য্য গোষ্ঠীৰ লোকসকলৰ বাহিৰে ৰ.কীসকলৰ পৰিচয় হ'ল জনজাতিৰূপে। এই আৰ্য্য সকলে কোৱা সংস্কৃত ভাষাৰ পৰা ক্ৰমান্বয়ে পৰিবৰ্ত্তন হৈ আজি আমি কোৱা অসমীয়া ভাষাৰ সৃষ্টি হৈছে। সেয়ে হলেও এই ভাষাটো অবিমিশ্ৰিত সংস্কৃত মূলজ নহয়। অসমীয়া জাতি, অসমীয়া সংস্কৃতি যিদৰে সমন্বয়ৰ সংস্কৃতি ঠিক সেইদৰে অসমীয়া ভাষাও এক সংমিশ্ৰণৰ ভাষা, য'ত জনগোষ্ঠীৰ ভাষাৰ ধ্বনি, ৰূপ আৰু শব্দগত প্ৰভাবৰ সমাহাৰে অসমীয়া ভাষাক এক পৰিপুষ্ট তথা সমৃদ্ধশালী কৰি তুলিছে।

ধ্বনিতত্ত্বৰ পিনৰ পৰা চালে অসমীয়া ভাষাত কেইটামান কথা স্পষ্টৰূপে অনুভৱ কৰা যায়। অসমীয়া ভাষা যদিও প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা উদ্ভৱ, তথাপি বহুতো ক্ষেত্ৰত অসমীয়া ধ্বনিত প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ ধ্বনিৰ বৈশিষ্ট ৰক্ষিত হোৱা দেখা নাযায়। কিন্তু, আনহাতে আকৌ অসমীয়াৰ বাদে নব্য ভাৰতীয় আৰ্য ভাষাৰ দন্ত্য আৰু মূৰ্ধন্য বৰ্ণ দুটাৰ লিখিত তথা উচ্চাৰণ ৰূপ আছে। কিন্তু উচ্চাৰণ কৰিলে অসমীয়াত চন্ত মূলীয়হে হয়। [অৱশ্যে অসমৰ গোৱালপৰীয়া দেশী ভাষাত মুৰ্ধন্য ধ্বনিৰ পাৰ্থক্য ৰক্ষিত

হৈছে আৰু তালব্য ধ্বনিবো ব্যৱহাৰ আছে। এই ধ্বনি ৰক্ষিত হোৱাৰ কাৰণ হিচাবে বংগ-দেশৰ ভাষাৰ প্ৰভাৱ হ'ব পাৰে।] উচ্চাৰণত দন্তমূলীয় হোৱাৰ মূল কাৰণ হিচাপে ডঃ বানীকান্ত কাকতিদেৱে বড়ো ভাষাৰ প্ৰভাৱৰ কথাকে আঙুলিয়াইছে। দন্তধ্বনি নথকাৰ দৰে আমাৰ ভাষাত তালব্য ধ্বনিও উচ্চাৰণৰ ফালৰ পৰা দেখা নাযায়, অথচ বঙালী ভাষাত দেখা যায় (অসমীয়া আৰু বঙালী ভাষা একে মূলৰ পৰা উদ্ভৱ)। তালব্য ধ্বনিৰ চ,ছ,জ, ঝ,—অসমীয়াত উষ্ম, দন্তমূলীয়ে 'চ' (S) আৰু 'জ' (Z) ৰূপে উচ্চাৰণ কৰা হয়। এই প্ৰভাৱো বড়ো ভাষাৰ প্ৰভাৱত হোৱা বুলি ডঃ কাকতিদেৱে কৈছে। অসমীয়া মান্য ভাষা আৰু কামৰূপী উপভাষাত সংস্কৃতৰ উষ্ম ধ্বনিবোৰ যুক্ত নহ'লে সচৰাচৰ 'স' ৰূপে উচ্চাৰিত হয়। এই প্ৰভাৱ আৰ্য্য ভিন্ন গোষ্ঠীৰ ভাষাৰ প্ৰভাৱত হৈছে। স্বতঃঅনুনাসিকীকৰণ প্ৰথাটো অনাআৰ্য ভাষাৰ পৰাই আমদানি বুলি ক'ব পাৰি। এই ক্ষেত্ৰত তিব্বত বৰ্মীয় প্ৰভাৱৰ কথা ভাষাবিদ সকলে উনুকীয়াই গৈছে। অসমীয়াত হ্ৰস্ব আৰু দীৰ্ঘস্বৰৰ পাৰ্থক্যহীনতা তিব্বৰ বৰ্মীয় গোষ্ঠীৰ বড়ো ভাষাৰ প্ৰভাৱ বুলি ডঃ কাকতিয়ে কৈ গৈছে। বড়ো ভাষাত আদ্য মহাপ্ৰাণ ধ্বনিৰ প্ৰাৱল্য দেখা যায়। ইয়াৰ বিপৰীতে পশ্চিম অসমৰ কথিত ভাষাত আদ্য শ্বাসাঘাতৰ প্ৰাৱল্য দেখা যায়।

ৰূপতাত্ত্বিক দিশতো অনা আৰ্য ভাষাৰ প্ৰভাৱ বহু পৰিমাণে বিদ্যমান। অসমীয়াত নিৰ্দিষ্টকৈ কোনো বস্তু, বা মানুহক বুজাবলৈ কিছুমান প্ৰত্যয় ব্যৱহাৰ কৰা হয়। এইবোৰক নিৰ্দিষ্টতাৱাচক প্ৰত্যয় বোলে। যেনে, হাত-খন, কানখন, কলটো, কিন্তু পেন্সিল-ডাল। অসমীয়া ভাষাৰ এই বৈশিষ্ট্যটো চীন তিব্বতীয় ভাষাৰ প্ৰভাৱ বুলি ডঃ উপেন্দ্ৰনাথ গোস্বামী দেৱে মত প্ৰকাশ কৰিছে। আনহাতে ডঃ কাকতিদেৱে অষ্ট্ৰিক ভাষাৰ প্ৰভাৱ আছে বুলি ধাৰণা কৰে। প্ৰতি ধ্বন্যাত্মক শব্দ যেনে, ভাত-চাত, চেনী-তেনী, নিমখ-চিমখ, চিঙ-পিঙ আদিত দেউৰী-চুতীয়া ভাষাৰ প্ৰভাৱ; মাইকী, চাইকী, গৰু-চৰু আদিত বড়ো ভাষাৰ প্ৰভাৱ পৰিছে। ধ্বন্যাত্মক শব্দবোৰো অনা-আৰ্যমূলীয়। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা পুৰুষ বাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয় (মোৰ বোপাই, তোৰ বাপেৰ আদি) সমূহ অষ্ট্ৰিক প্ৰভাৱৰ পৰা বুলি ডঃ বানীকান্ত কাকতিদেৱে কৈছে। আনহাতে ডঃ গ্ৰিয়াৰ্ছনে কিন্তু এই প্ৰত্যয়বোৰ তিব্বৰ বৰ্মীয় ভাষাৰ প্ৰভাৱৰ কথাহে কৈছে। স্বাৰ্থিক প্ৰত্যয় 'চোন', 'হ'বলা, 'জানোৱা' আদিও সংস্কৃত মূলৰ পৰা অহা নাই। ক্ৰিয়াৰ আগত নিষেধাৰ্থক 'ন' বহি ধাতু বা ক্ৰিয়া অথবা ক্ৰিয়াৰ স্বৰক অনুসৰণ কৰা [illegible] ভাৰতীয় ভাষাত নাই। [অৱশ্যে উৰিয়া প্ৰচলিত ভোজপুৰী ভাষা এই ক্ষেত্ৰত ব্যতিক্ৰম। ভোজপুৰী ভাষাত নিষেধাৰ্থক [illegible]য়াৰ আগত ব্যৱহৃত হয়। উদাহৰণঃ 'মুই ত ন খাইমু।] অসমীয়া ভাষাৰ নিষেধাৰ্থক 'ন' ৰ প্ৰভাৱ সম্পূৰ্ণ ৰূপে চীন-তিব্বতীয় ভাষাৰ প্ৰভাৱত গঢ় লোৱা।—ম,—চা—, [illegible]চীয়া আদি প্ৰত্যয়ো থলুৱা বড়োমূলীয়। [illegible]াহৰণ : বল্লম, পেখম, ধেপেচা, দহেচীয়া [illegible]চীয়া ইত্যাদি। অসমীয়া ভাষাৰ'—বোৰ' [illegible]ৰু'—বিলাক এই বহুবচনৰ প্ৰত্যয় দুটাৰ [illegible] ডঃ কাকতিয়ে বহু—ট>* বউড়>বোৰ [illegible]ৰু খাচী ভাষাৰ 'ব্যল্লাই' অথবা সংস্কৃত [illegible]শাল+বহুল'ৰ সংমিশ্ৰণৰ পৰা '—বিলাক [illegible]ত্যয় অহা বুলি কলেও ইয়াৰ মূল কিন্তু [illegible]ন-তিব্বতীয় ভাষাৰ পৰা অহা বুলি ভাষা [illegible]জ্ঞানীসকল নিসন্দেহ হৈছে।

শব্দ-সম্ভাৰৰ ক্ষেত্ৰত জন জাতীয় ভাষাৰ [illegible]তো শব্দই অসমীয়া ভাষাত ওৰা পাতি [illegible]হছে। বিশ্লেষণ কৰিলে দেখা যায় যে [illegible]সমীয়া ভাষাৰ শব্দ সম্ভাৰৰ শতকৰা পয়ত্ৰিশ [illegible]গমান জনজাতীয় ভাষাৰ পৰাই আহুত। [illegible]সমীয়া ভাষাত অনা-আৰ্য ভাষা গোষ্ঠীৰ [illegible]দ সমূহৰ কিছুমান তলত উল্লেখ কৰা হলঃ

অষ্ট্ৰীক ভাষা-গোষ্ঠীৰ অষ্ট্ৰ' এচিয়াটিক [illegible]ষাৰ খাচী, কোল-মুণ্ডা আৰু মালয় ভাষাৰ [illegible]দ অসমীয়াত আছে। সেইবোৰৰ কিছুমান [illegible]ঃ

খাচী ভাষাৰ : কাৰৌ, খং, জহা, জঞ্জাল [illegible]া, জেং, দিয়েং ইত্যাদি।

[illegible]াল মুণ্ডাৰ : এৰা, লাটুম, উবুৰিয়া, আটোম-টোকাৰী, ৰিলা, ভঙুৱা হুটা, চিকৰা, আলা-বাদু, ঢোপ ইত্যাদি।

মালয় ভাষাৰ : বগা, গাহৰি, লাওপানী চোং, গেৰেকণি, বেজবেজ, আঁচুসূতা, হোলোঙ্গা, ঘুটমুট ইত্যাদি।

ছাওঁতালী ভাষাৰ : গোহাৰি, পাহাৰ আদি।

এইবোৰৰ উপৰিও অষ্ট্ৰীক ভাষা-গোষ্ঠীৰ পৰা স্থানবাচক শব্দ (প্ৰাগজ্যোতিষপুৰ, কামৰূপ চামতা, কামাখ্যা, কমতা আদি), শৰীৰৰ বিভিন্ন অংগ বুজোৱা নাম (কাষলতি, চেলা-উৰি, নোদোকা), খেতি-বাতি আৰু বিভিন্ন সজুলি (ধনু, বাটলুগুটি, হোলোঙা, নাঙল) সম্বন্ধ বুজোৱা (আই, বোপাই, তাৰৈ, আমৈ) শব্দ সমূহ আহিছে। এই সকলোবোৰৰ উপৰিও অসমীয়া জাতিলৈ অষ্ট্ৰিক গোষ্ঠীৰ ডাঙৰ অৱদান হ'ল তামোলৰ ব্যৱহাৰ। অসমীয়া 'গুৱা' শব্দটো খাচী ভাষাৰ 'কুৱা' ৰ পৰা ওলাব পাৰে বুলি ডঃ লীলা গগৈদেৱে মন্তব্য কৰিছে।

তিব্বত বৰ্মী ভাষা গোষ্ঠীৰ অন্তৰ্গত বড়ো ভাষাৰ পৰা অসমীয়া শব্দ সম্ভাৰলৈ যথেষ্ট পৰিমাণে শব্দ আহিছে। পানী বুজোৱা বড়ো 'দি' উপসৰ্গেৰে গঠিত অসমৰ নদীৰ নাম হৈছেঃ দিখৌ, দিচাং, দিহিং, ভোগদৈ ইত্যাদি। ভালেমান বস্তুৰ নাম আৰু আচাৰ-ব্যৱহাৰ বড়োসকলৰ পৰা অহা সম্ভৱ। বড়ো সকলে মাছমৰা সঁজুলিবোৰ নামকৰণ কৰিছিল এনেদৰে যিবোৰ সঁজুলি আজিও অসমীয়াৰ বাপতি

॥ সুবেন দাস মহাবিদ্যালয় আলোচনী

সাহোন হৈ আছে। সেইবোৰ হ'ল খোকা, লামাক, লাঙ্গি ইত্যাদি। জৱকা যাৰ দ্বাৰা জাৱৰ গোটোৱা হয় সি বড়ো শব্দ। 'চাং' শব্দটো বড়োৰ পৰা আহিছে। ঠাইৰ নামৰ ক্ষেত্ৰত দেখা যায় মঙ্গলদৈ (সংস্কৃত মঙ্গলা আৰু তিৱৰত-বৰ্মী 'দই' ৰ সংমিশ্ৰণত হৈছে), হাজো (অৰ্থ-পাহাৰ), বিহামপুৰ (বিহাম অৰ্থ 'বোৱাৰী' অৰ্থাৎ বোৱাৰীৰ চহৰ), মইৰং (ধান হোৱা ঠাই) আদি স্থানৱাচক বহু পৰিমাণৰ শব্দ বড়ো ভাষাৰ পৰা আনয়ন হৈছে।

অনুসৰ্গ—তুল (ধৱমতুল) বড়ো ভাষাৰ অৱদান। এইবোৰ উপৰিও ফিৰোৰ ঠাইৰ নামৰ শেহত-ৰ,-বিয়া আদি পোৱা যায় সেইবোৰ বড়ো সম্ভুত যেন লাগে বুলি ডঃ প্ৰমোদ ভট্টাচাৰ্য্য দেৱে কৈ গৈছে। যেনে : দদৰা, পচৰা, পচৰিয়া ইত্যাদি। ডঃ কাকতিয়ে বড়োৰ পৰা অহা শব্দ কিছুমানৰ উল্লেখ কৰিছে। এনেদৰে : হাফলু মাইহাং, হামাহ, জখলা, জোং, হোজা. হেঙ্গাৰ কোন্দা, থোকা, হাওফাও, চাং, হোলোঙ্গা, লফা, লামখ, লাওখোলা; শিলিখা, ডাউক ইত্যাদি। ইয়াৰ উপৰিও যৌগিক ক্ৰিয়াপদ : গৰামৰা ৰিবদি, থলামুৰি মাৰ আদি বড়ো ভাষাৰ পৰা আহিছে।

শ্যাম-চীনীয় গোষ্ঠীৰ টাই বা আহোম ভ পৰাও বহুতো শব্দ আহি আমাৰ শব্দ চহকী কৰি তুলিছে। উপাধি আৰু বুজোৱা শব্দবোৰ কিছুমান হ'ল : ফুকন, গোহাই, গোহাই, চাওদাং, নিচাদেউ, এ কাই, পুখাও, পুলিন, হাজৰিকা; লিগিৰী স্থানৱাচক : তিপাম; টিয়ক, টিংখং, মাকুম, নদীৱাচক : নামদাং. নামচাং, আদি শব্দ ৰিও কাৰেং, বুহঞ্জী, হেংদান, কিংখাপ, খাং, ফাং, ৰংপুৰ, গড়গ ওঁ, চৰাইদেউ অলেখ শব্দই অসমীয়া শব্দৰ ভড়াল পাতি বহিছে।

ওপৰৰ আলোচনাৰ পৰা এইটো হৈ উঠিছে যে জন্ম কালৰে পৰা কেই শতিকা অতিক্ৰম কৰি আহোঁতে ভাষাই জনগোষ্ঠিৰ ভাষাৰ ওপৰত সময়ে সময়ে বিভিন্ন জনগোষ্ঠীৰ ধ্বনি; ৰূপ আৰু শব্দ সম্ভাৰ নিজকে বেচিত্ৰময় আৰু শক্তিশালী কৰি বলৈ সক্ষম হৈছে।

সহায় লোৱা গ্ৰন্থ পঞ্জী

১। Assamese its formation and development : Dr. Banikanta Kakati.
২। ভাষা বিজ্ঞান : ড, উপেন্দ্রনাথ গোস্বামী।
৩। অসমীয়া ভাষাৰ ৰূপকথা (ঐ)
৪। অসমীয়া ভাষা আৰু সাহিত্যৰ ৰূপৰেখা : শ্ৰীনবীন চন্দ্ৰ শৰ্ম্মা
৫। টাই—সংস্কৃতি : ডঃ লীলা গগৈ

এই প্ৰবন্ধটি গজাপুখুৰী ৰৰকুৰিহা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ গ্ৰন্থৰ পৰা সংগ্ৰহ কৰা হৈছে।

শ্ৰীবিষ্ণু শৰ্ম্মা
প্ৰবক্তা, অসমীয়া বিভাগ

মামনি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী চৰিত্ৰ

মামনি ৰয়ছম গোস্বামী অসমীয়া সাহিত্য জগতত এটি সুপৰিচিত নাম। তেৰ বছৰ বয়সৰ পৰা সাহিত্য ৰচনাত হাত দিয়া শ্ৰীমতী গোস্বামীৰ উপন্যাস সমূহত জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ স্পৰ্শ বিদ্যমান। "মোৰ লেখাৰ আঁৰৰ কাহিনীত"—এক কৰ্কশ বাস্তৱৰ ভেটিতে উপন্যাস সমূহ ৰচনা কৰা হৈছে বুলি অকপটে স্বীকাৰ কৰিছে। ব্যক্তিগত জীৱনৰ কিছুমান বিশেষ ক্ষণত নাৰী জীৱনৰ কিছুমান বিশেষ সমস্যাই লেখিকাৰ মনত ৰেখাপাত কৰাত সেইবোৰ ঘটনাকে ৰচনাৰ সমল হিচাবে ব্যৱহাৰ কৰিছে। তেওঁৰ দৰে বহু নাৰীয়েই হয়তো এনে সমস্যাৰ মুখামুখি হৈছে কিন্তু কলমৰ দৰে শক্তিশালী অস্ত্ৰেৰে ইমান নগ্নভাৱে সেই অভিজ্ঞতাৰ গোন্ধ পৰ্যন্ত দিবলৈ, সনাতন সংস্কাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আন কোনো অসমীয়া লেখিকাৰে সাহস হোৱা নাই। তেওঁৰ উপন্যাস সমূহত অংকন কৰা সকলৰ প্ৰতিটো নাৰী চৰিত্ৰই যোৱা তিনিটা দশকত আমাৰ নাৰী সমাজে মুখামুখি হোৱা বিভিন্ন সমস্যাৰ স্মাৰক। এই প্ৰবন্ধটিত গোস্বামীৰ উপন্যাসৰ কেইটিমান নাৰী চৰিত্ৰৰ চমু আলোচনা কৰিবলৈ লোৱা হৈছে।

শ্ৰীমতী গোস্বামীৰ প্ৰথম উপন্যাস "চীনাবৰ সোঁত"ৰ নায়িকা শ্ৰমিক মহিলা সোনী। সৰুকালতে বিধবা হোৱা সোনীৰ দ্বিতীয়বাৰ প্ৰেমিক শিৱানে পৰিত্যাগ কৰে। ক্ষুধাৰ তাড়নাত তাই দেহ বিক্ৰী কৰিবলগীয়া হয়। কিন্তু শেষত সকলো দোষ পাহৰি শিৱানে

তাইক পুনৰ গ্ৰহণ কৰে। চীনাবৰ সোঁতে ধুঁয়া নিয়ে সোনীৰ পাপৰ পাতল আৱৰণ। এই চৰিত্ৰটিৰ মাজেদি শ্ৰমিক নাৰীৰ দুখ, অসহায় অৱস্থাৰ সুযোগ লৈ ওপৰৱালা কনট্ৰেকটৰে কৰা দৈহিক শোষণ আৰু শ্ৰমিক শ্ৰেণীৰ মাজত থকা বিশ্বাস আৰু প্ৰেমৰ সমতা ৰৰ সুন্দৰকৈ দেখুৱাইছে। চাহাব মেমচাহাবৰোৰে প্ৰেমৰ নামত দেহৰ জুই নুমুৱাব জানে। কোনো স্বাৰ্থ নোহোৱা শ্ৰমিক শ্ৰেণীৰ মাজতহে প্ৰকৃত প্ৰেম সম্ভৱ। যি প্ৰেম নিবিড় আনন্দৰ উৎস সেই প্ৰেমৰ দোহাই দি নাৰীক ফটা জোতাৰ দৰে ব্যৱহাৰ কৰি যৌন শোষণ চলোৱাৰ পৰিবৰ্ত্তে সুকীয়া মৰ্য্যাদা প্ৰদান কৰাটোহে প্ৰকৃত কৰ্ত্তব্য। সোনীৰ চৰিত্ৰৰ মাধ্যমেদি লেখিকাই এই আদৰ্শকে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে।

মধ্যপ্ৰদেশৰ অহিৰণ নদীৰ পাৰৰ বস্তিজীৱনৰ পটভূমিত ৰচিত উপন্যাস 'অহিৰণৰ' নায়িকা নিৰ্ম্মলা আন এটি মন পৰশা চৰিত্ৰ। পুৰণি ভাৱধাৰা আৰু মুক্তি স্পৃহাৰ দামোজাত অৱস্থিত শিক্ষিতা আধুনিকা সচেতন নাৰীৰ মানসিক সংঘাতৰ প্ৰলয়ঙ্কাৰী ৰূপে এই চৰিত্ৰটোৰ মাজেদি ফুটাই তুলিবলৈ বিচাৰিছে। গাভৰু বিধবা নিৰ্মলাই এটা সুখী দাম্পত্য-জীৱনৰ আশাত দ্বিতীয় বাৰ বিয়া কৰায় হৰ্ষুল চাহাবক। বিয়াৰ পাছত স্বামীৰ পৰা আশানুৰূপ সঁহাৰি নোপোৱাত নিৰ্মলা ক্ষুব্ধ হৈ উঠে। স্বাভাৱিক যৌন আবেগত চেপি নাৰাখি স্বাধীন ভাৱে পুনৰ এজন ডেকা হাঁ
নিয়াৰৰ কায চাপে। অহিৰণৰ উশৃ
সোঁতৰ দৰে প্ৰেমৰ বন্যাত দুয়ো উটি যা
এই খিনিতে লেখিকাই বৰ সুক্ষ্মভাৱে হস
বেৰাজৰ গেট খুলি দিয়া কাৰ্যৰ মাজেদি
প্ৰতিকী অৰ্থৰ ব্যঞ্জনা দিছে। বানপানী
নিৰ্মলাৰ আবেগৰ বিশৃঙ্খল সোঁত।
কামনাৰ ভয়ঙ্কাৰী ৰূপ। বানপানী শেষ হো
পাছত সেই আবেগৰ সৰ্ব্বনাশী জুই নিৰ্ব্বাপি
হৈছে। মনলৈ আহিছে গভীৰ অনুশো
আত্মদহনকাৰী পাপবোধ ফলস্বৰূপে আপো
ইচ্ছাৰে ভালপোৱা, সন্তান ধাৰণ কৰাৰ সং
"ঘৃনিত দালালৰ ভেটিৰ মাটিৰে তুলসীৰ পি
ঢাপ নিৰ্মান কৰিব খোজাৰ দৰে" হৈ পৰি
সনাতন সংস্কাৰ ছাৰখাৰ কৰি আপোন ইচ্ছি
জীৱন অতিবাহিত কৰিব খোজা নিৰ্মলা
পৰিল মানসিক ৰোগগ্ৰস্তা। বিখ্যাত আ
বিকান চিত্ৰশিল্পী ইচাডৰা ডানকানে
দৰে ৰক্ষনশীল সমাজত বাস কৰা নাৰীৰ
আবেগৰ স্বনিয়ন্ত্ৰণ এটা সপোনহে মাথোঁ
নিৰ্মলা চৰিত্ৰৰ মাজত ফুটি উঠিছে মানৱ
চিৰ অতৃপ্ত বাসনা আৰু এক সংজ্ঞাহীন নি
ঙ্গতা। এনে নিসঙ্গতা আৰু সংঘাতত
শেষত নিজহাতে ভুকুৱাই ওফৰাই পেলা
অবৈধ সন্তানৰ ভ্ৰূণ।

উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই
ওপৰত একোৱা ডেকুৰ শ্ৰমিক আন্দো
পটভূমিত ৰচনা কৰা "মাসৰে

চৰোৱাল"ৰ নায়িকা শ্ৰমিক মহিলা নাৰায়ণী। পিতৃতান্ত্ৰিক সমাজৰ আধুনিক পুঁজিবাদী ব্যৱস্থাই হছে শোষণৰ মূল উৎস। এই শোষণৰ মূল উচ্ছেদ কৰিবৰ কাৰণে নাৰায়ণীয়ে হাতত অস্ত্ৰ তুলি লৈছে। 'সাই নদীৰ পাৰৰ মুকলি আকাশৰ তলত সীমাহীন আনন্দ লাভ কৰা' নাৰায়ণী, 'বায়োস্কোপ চাই চিত্ৰাভিনেত্ৰীৰ ৰে এটা জীৱনৰ সপোন দেখা নাৰায়ণীক পাৰ্পেট কোম্পানীৰ তন্তুৰ তলতে চলোৱা হছে পাশবিক নিৰ্যাতন। নাৰায়ণী বিত্ৰত শোষণত অতিষ্ঠ হোৱা সকলো মিক মহিলাৰে প্ৰতিবিম্ব প্ৰতিফলিত হৈছে। কৃতিৰ স্বাভাৱিক উৰ্ব্বৰতা বিনষ্ঠ কৰি মাতৃৎক অভিশাপ স্বৰূপে গ্ৰহণ কৰিবলৈ বাধ্য বা অন্যায় আৰু নিষ্ঠুৰতাৰ বিৰুদ্ধে নাৰায়ণীয়ে অগ্নি পুত্তলিকাৰ" ৰূপ ধৰি ঠাকুৰ চাহাবক ঠাৰেৰে ঘপিয়াই হত্যা কৰিছে। মামৰে ধৰা ন ধাৰণা আৰু শোষণৰ বিৰুদ্ধে নাৰায়ণী ক জীৱন্ত পাশুপাত অস্ত্ৰলৈ ৰূপান্তৰিত হৈছে। ন্তু শ্ৰমিক শ্ৰেণীৰ দূৰদৰ্শিতা আৰু আত্মাগৰ অভাৱত এনে আন্দোলন নিস্ফল হৱা বাধ্য। কেৱল এজনী নাৰায়ণীৰ ইয়াৰ বে যথেষ্ট নহয়।

'নীলকণ্ঠী ব্ৰজ' বৃন্দাবনবাসী ৰাধেশ্যামী লৰ জীৱনৰ আধাৰত ৰচিত আন এখন সাৰ্থক ন্যাস। হিন্দু সমাজৰ প্ৰচলিত নীতি অনুবিধবা সকলৰ ওপৰত জাপি দিয়া কঠোৰ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰা সৌদা-

মিনী উপন্যাখনিৰ এটি মনোৰম চৰিত্ৰ। বৈধব্য জীৱনৰ হলাহল পান কৰি নীলকণ্ঠী হোৱা সৌদামিনীৰ চৰিত্ৰ লেখিকাৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ বাস্তৱ ৰূপ বুলি নিজেই স্বীকাৰ কৰিছে। 'সৌদামিনীৰ মনৰ বেদনা আৰু যন্ত্ৰনাখিনি হুবহু মই মোৰ মনৰ মাজত হোৱা ভয়ানক ধুমুহাৰ অনুৰূপ কৰি অংকিত কৰিছিলো। সৌদামিনীৰ প্ৰথম অৱস্থাৰ যন্ত্ৰনা মোৰ নিজৰেই যন্ত্ৰণা আছিল"। (আধা লেখ দস্তাবেজ, পৃঃ ১৬১)।

স্বামীৰ মৃত্যুৰ লগে লগে হিন্দু নাৰীয়ে জীৱনৰ সমস্ত প্ৰেম আৰু ক্ষুধা বগা চন্দনৰ ফোঁট আৰু শুভ্ৰ বেশৰ মাজত ভঁহি খহি যাবলৈ দিয়াটোৱেই হিন্দু সমাজৰ প্ৰচলিত ৰীতি। এগৰাকী গাভৰু বিধবাৰ বাবে ই কিমান যন্ত্ৰনাদায়ক সেই কথা সমাজে কেতিয়াও বিচাৰ কৰি নাচায়, কেৱল পাপৰ দোহাই দি বিধবাৰ সমস্ত আবেগ অনুভূতিক দমন কৰিবৰ কাৰণে কঠোৰ অনুশাসন আৰু উপবাসৰ দিহা দিয়ে। সাপক যৌন আবেগৰ প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰি সৌদামিনী চৰিত্ৰৰ মাজেদি বিধবাৰ ওপৰত চলা সামাজিক শোষণৰ ৰূপটো অধিক প্ৰকট কৰি তুলিছে। সাপৰ চাল বখলিওৱাৰ দৰে সমাজে যেন তাইকে বখলিয়াইছে।

বিধবা হোৱা মানেই সমাজৰ চকুত নাৰীত্ব পৰা বিচ্ছিন্ন হোৱা। বিধবাৰ দেহৰ পৰা সমস্ত ৰং আৰু ক্ষুধাৰ আৱৰণ সমাজে বখলি-

য়াই লৈ যায়। এই নগ্ন নিষ্ঠুৰতাৰ বিৰুদ্ধে সৌদামিনীয়ে বিদ্রোহ ঘোষণা কৰিছে।

ব্রজৰ বাটে ঘাটে গাভৰু বিধবাৰ দেহৰ সোৱাদ লবলৈ ঘুৰি ফুৰা বাং কুকুৰ দলৰ নিলজ্জতা সমাজৰ কঠোৰ অনুশাসন আৰু দ্বিতীয় প্রেমিকক সর্বান্তঃকৰণেৰে গ্রহণ কৰা— এই সকলোবোৰৰ লগত মোকাবিলা কৰিব নোৱাৰা বাবেই সৌদামিনীৰ বুকুত থুপ খাইছে এক সংজ্ঞাহীন দুখ, ভয়াবহ নিসঙ্গতা। এনে মানসিক সংঘাতত ভুগি সৌদামিনীয়ে প্রকৃতিৰ প্রলয়ঙ্কৰী ধুমুহাৰ দৰে যমুনাৰ বুকুত আত্মজাহ দিছে। সৌদামিনীৰ চৰিত্র আমাৰ সমাজৰ অর্থনৈতিক আৰু সামাজিক শোষণৰ বলি হোৱা সকলো বিধবা নাৰীৰে প্রতিভূ।

উপন্যাসখনিৰ আন এটি নাৰী চৰিত্র অসহায়া গাভৰু বিধবা শশীপ্রভা। 'ঔদ্ধদেহিকৰ' বাবে ধন সাঁচি ৰখা প্রেতাত্মা সদৃশ বিধবা সকলৰ মাজৰে গাভৰু বিধবাৰ দেহৰ শোষণ চলে। এই ভয়তে মনৰ ইচ্ছাৰ বিৰুদ্ধে শশীপ্রভাই মন্দিৰৰ ঠাকুৰ আলমগড়ীৰ আশ্রয়ত থাকিবলগীয়া হৈছিল। নপুংসক বৃদ্ধ আলমগড়ীৰ আশ্রয়ত থাকিবলগীয়া হোৱা কোমল বয়সীয়া বিধবা শশীপ্রভাৰ বুকুত চট্‌ফটাই আছে অনন্ত দুখ। সেই দুখত তাইৰ মুখেদি ওলাইছে—"এনে বয়সত ভগবানে যেন কাকো বিধবা নকৰে, এনে ভয়লগা ধৰণে নিৰাশ্রয় নকৰে। তিৰোতাৰ বদনাম বদনামেই। ই এখন শিলালিপি। মাটিৰ তলত পোত গৈ থাকিলেও মানুহে তাক খান্দি আনি কুকুৰকি পঢ়িবৰ যত্ন কৰে"। (নীলকণ্ঠী ব্রজ, পৃঃ ৫২-৫৩) সমাজৰ এই নিষ্ঠুৰতাৰ পৰা পবিত্রান নাই। সেয়ে আলমগড়ীৰ মৃত্যুৰ বাত শুনি তাইৰ সকলো শক্তি শেষ হৈ যোৱা দৰে লাগিছে। দেহ স্বৰূপ ঘৰৰ সুখ বেৰ চালবোৰ খহি গৈ ফপৰা কুকুৰৰ দা হ'লেহে তাই যেন বক্ষা পৰিব। অনিশ্চি আৰু ভয়াবহ ভবিষ্যতৰ ভয়ত পেঁপুৰা শশীপ্রভাৰ চৰিত্র বৰ কৰুণ।

একেই পথৰ পথিক আন এটি নাৰী চ বিহাৰী কুঞ্জৰ ঠাকুৰ কৃষ্ণ দাসৰ অবিবাহি কন্যা মৃণালিনী। পিতৃ-মাতৃৰ পৰিচর্য্যাৰ গোটেই জীৱন অতিবাহিত কৰিবলগীয়া হে দুখেৰে তাইৰ মন ভাৰাক্রান্ত। মৃনালিনী এটা ভাৰ কঢ়িওৱা গাধ, কোনোবা দিনা গ বাটতে তেজ বতিয়াই মৰি থাকিব। গোটে জীৱন দুটা প্রেতাত্মাৰ প্রহৰী হৈ জীৱন অ বাহিত কৰিবলগীয়া হোৱাৰ ক্ষোভত পোহা হেকউৱা বাঘিনীৰ দৰে মৃনালিনীৰ অন্তৰাত্ম বিদ্রোহ কৰি উঠিছে। যুগ যুগ ধৰি ত দৰে অবিবাহিতা গাভৰুৱে সমস্ত আবেগ বাখি এক অন্ধকাৰ চিৰিৰে বগাই গৈ আ এইখন সমাজে সেই চিৰিবোৰ পোহৰাই কেতিয়াও যত্ন কৰা নাই। সামাজিক অনা গৰল পাণ কৰি নীলকণ্ঠী হোৱা ব্রজৰ প্রি নাৰীসকলৰ শুকান হাড় চালবোৰৰ মা পৰা কেতিয়াবা প্রতিবাদী কণ্ঠ নিনাদিত

বুলি বিশ্বাস কৰে মৃনালিনীয়ে। সেয়ে অন্ধকাৰৰ মাজত থাকিও অহৰহ পোহৰৰ অহাৰ সপোন লৈয়েই তাই জীয়াই আছে।

দক্ষিণ কামৰূপৰ আমৰঙা সত্রৰ পটভূমিত ৰচিত শ্রীমতী গোস্বামীৰ শ্রেষ্ঠ উপন্যাস 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা'। উপন্যাসখনিত অংকিত সকু বৰ ভালে কেইটা নাৰী চৰিত্রৰ ভিতৰত নায়িকা গিৰিবালাৰ চৰিত্র বৰ হৃদয় স্পর্শী। স্বামীৰ মৃত্যুৰ পাচত পিতৃ গৃহলৈ ঘূৰি আহিছে গাভৰু বিধবা গিৰিবালা। নাৰীৰ আবেগ আৰু যৌনস্পৃহা কঠোৰ অনুশাসনৰ মাজত ৰখাটোৱে সকলো পিতৃতান্ত্রিক সমাজৰ প্রধান লক্ষ্য। সমাজে শিক্ষা আৰু অভিজ্ঞতাৰ পৰা বঞ্চিত কৰি ৰখা নাৰীয়ে জীৱনৰ বিপদ সংকুল পথত দিকহাৰা আৰু বিভ্রান্ত হোৱাটোৱেই স্বাভাবিক। এনে এলাহুৱা নিয়মৰ বিৰুদ্ধে গিৰিবালাই কঠোৰ প্রতিবাদ সাব্যস্ত কৰিছে। তাইৰ পতনৰ ঘৰি উপভোগ কৰিবলৈ অহা তিৰোতাজাকৰ সম্মুখতে আৰম্ভ কৰিছে প্রথম বিস্ফোৰণটো। জীৱিত কালত স্বামীৰ অৱহেলা আৰু অপমান অনাকাংখিত বৈধব্য যন্ত্রণা বুকুত বান্ধি সমস্ত ইন্দ্রিয়গ্রাহ্য জগতখনক " উৰিয়াম কাঠৰ বাকচ' এটাৰ ভিতৰত সুমুৱাই উশাহ-নিশাহ লৰ নাৰাবাকৈ পৰি থাকিবলগীয়া হ'ল গিৰিবালা। এই অন্যায়ৰ বিৰুদ্ধে উন্মত্ত হাতীৰ দৰে বিদ্রোহ কৰিছে গিৰিবালাই। তাই বিধৱা হৈ দুর্গা যাইবা সৰু গোসাঁনীৰ দৰে পৰম্পৰাক সাৱটি জীয়াই থাকিব নোখোজে। সকলো মানবীয় অনুভূতি লৈ মানুহৰ দৰে বাচি থাকিব খোজে। জীৱন কালত স্বামীয়ে পৰনাৰীগমনৰ কথা, নির্লজ্জভাৱে স্বীকাৰ কৰি তাইৰ নাৰীত্বক অপমান কৰিব পাৰে কিন্তু বিধবাহৈ ভোজৰ মাংস চুৰ কৰি খোৱাৰ অপৰাধত কঠোৰ প্রায়শ্চিত্তৰ বিধান মানি লব লাগে। সেয়ে গিৰিবালাৰ স্বাধীন মনে সমাজৰ এই অস্বাভাৱিক দমনৰ বিৰুদ্ধাচৰণ কৰি পুথি সংৰক্ষণৰ মাজেদি মার্ক চাহাবৰ লগত নতুন জীৱনৰ আশা কৰিছে। কিন্তু যেতিয়া গিৰিবালাই গম পাইছে যে তাই স্বামী গৃহলৈ উভটি যাব লাগিব। নমৰা-লৈকে বৈধব্য যন্ত্রনা ভোগ কৰিব লাগিব, সেই মুহূর্ত্তত তাইৰ মনৰ অৱস্থা ধুমুহা বৰষুণে ভৰা ভয়াবহ নিশাৰ দৰে হৈ পৰিছে। "জগলীয়াৰ বোকা মাটিত জিলিকি উঠা সূর্য্যৰ দৰে চকুত আশালৈ মার্ক চাহাব খাটনি ধৰিছে। 'মক হাতত ধৰি তুমি উৰিয়াম কাঠৰ বাকচটৰপেৰে- উলিয়াই নিয়া। মই বধ দিছোঁ! 'বধ' দিছো তোমাক.....'। (দঁতাল হাতী, পৃঃ ১৫০) বিয়াৰ দিনা তাইৰ স্বামীক বৰি অনা চিল্কৰ চাটিটোৰ মিহি চালখন মার্ক চাহাবৰ গাৰ চালৰ লগত একে হৈ পৰিছে। দুখ অপমানত জর্জৰিতা গিৰিবালা এক বিদ্রোহিনী মূর্ত্তিলৈ ৰূপান্তৰিত হৈছে। কিন্তু উৰুলি যোৱা সমাজ ব্যৱস্থাৰ বক্ষক ভাগৱতীৰ দৃষ্টিত ই হ'ল মাৰাত্মাক অপৰাধ। পুনৰ নিষ্ঠুৰ অনুশাসন জাৰি কৰা হল গিৰিবালাৰ ওপৰত।

শেষত কোনোফালে পোহৰৰ পথ নেদেখি কুলাচাৰ ৰক্ষক পুৰহিতৰ হাতত মন্ত্ৰৰ দ্বাৰা ফুল, তুলসী আৰু তামৰ পইচাৰে শুদ্ধ হোৱাতকৈ মেষ দাহৰ বাৰে সজা খেৰ বাঁহৰ সৰু ঘৰ এটাৰ ভিতৰত স্ব-ইচ্ছাই মৃত্যু ৰৰণ কৰি মৃত্যুৰ মাজেদি মুক্তি বিচাৰিলে। সম্বন্ধৰ গভীৰতাত গিৰিবালাৰ শাশ্বত অবিনাশী প্ৰেমৰ ছবি অংকিত হৈ ৰ'ল - জগলীয়াৰ পানীত, মাটিয়া পাহাৰৰ বুকুত। গিৰিবালাৰ চৰিত্ৰৰ মাজেদি প্ৰত্যেক গৰাকী হিন্দু ব্ৰাহ্মণ বিধবাৰ মানসিক যন্ত্ৰণা প্ৰতিফলিত হৈছে। সুদক্ষ উপন্যাসিকৰ বলিষ্ঠ হাতৰ স্পৰ্শত গিৰিবালাৰ চৰিত্ৰটি প্ৰাণবন্ত হে উঠিছে।

উপন্যাসখনিৰ আন এটা নাৰী চৰিত্ৰ সৰু গোঁসানী। সত্ৰীয়া ৰীতি-নীতিৰ এচুলিমানো হেৰ-ফেৰ হবলৈ নিদিয়া সৰু গোঁসানীৰ অৱ-চেতন মনৰ কোনোবা খিনিত গোপনে মহীধৰৰ প্ৰতি আছে গভীৰ প্ৰীতি, কিন্তু এই সম্বন্ধক মাটিলৈ নমাই অনাৰ সাহস তেওঁৰ নাই। মহীধৰৰ লগত উৰিয়াম কাঠৰ নতুন ঘৰটোত একেলগে থকাৰ সপোন দেখিলেও বাস্তবত সি অসম্ভৱ। মহীধৰৰ স্থিতি তেওঁৰ তেজৰ লগত মিহলি হৈ আছে। কাটি টুকুৰা টুকুৰ কৰিলেও সেই তেজৰ কথা কোনেও গম নাপাব। সেই তেজ অপবিত্ৰ কৰাৰ দৰে সামাজিক ব্যভিচাৰ কৰাৰ পক্ষপাতি তেওঁ নহওঁ। সৰু গোঁসানী উয়ে খোৱা সত্ৰীয়া ৰীতি নীতিক, সামাজিক স্থিতাৱস্থাক দুৰ্ব্বল হাতেৰে ধৰি ৰাখিব খোজা নাৰীৰ প্ৰতিনিধি।

তথাকথিত সামাজিক শোষণ নিপীড়ণৰ বলি আন এটা চৰিত্ৰ হ'ল দুৰ্গা। বিবাহৰ পাছত স্বামীৰ প্ৰকৃত স্নেহৰ পৰা বঞ্চিতা, বৈধব্য যন্ত্ৰণা ভোগ কৰা দুৰ্গাই প্ৰেতাত্মা সদৃশ হাত দুখ নেৰে তুঁহু জুই সেকি সেকি সপোন দেখে তাইক স্বামী গৃহৰ পৰা উলিয়াই নিবলৈ কোনোবা আহিব। স্বামীৰ অস্থি গংগা পেলাবলৈ নিব নোৱাৰাৰ দুখে তাইক মৰ্মাহত কৰিছে। পৰম্পৰাক সাৱটি খেহ যোগ বুকু বান্ধি স্বামী ভিঠাত শেষ নিশ্বাস ত্যাগ কৰিবলৈ আশা কৰি থকা দুৰ্গাৰ চৰিত্ৰ লেখিকা অত্যন্ত সহানুভূতিৰে অংকন কৰিছে।

উক্ত চৰিত্ৰ কেইটাৰ বাহিৰেও 'আধা লেখা দস্তাবেজ'ৰ নায়িকা-লেখিকা, 'জখমী যাত্ৰী' কিন্নৰী বাৰ্মা, 'সাপৰ চালৰ জোতা'ৰ গাঁও আদিৰ দৰে নাৰী চৰিত্ৰসমূহ গোস্বামী অপূৰ্ব্ব সৃষ্টি। প্ৰতিটো চৰিত্ৰৰে মানসিক সংঘাত আৰু দ্বন্দৰ মাজত লেখিকা যেন একাত্ম হৈ পৰিছে।

গোস্বামীৰ উপন্যাসৰ বিষয়বস্তু নাৰী কেন্দ্ৰিক নহয় কিন্তু উপন্যাসৰ জগতখন মূলতঃ নাৰী কেন্দ্ৰিক। নিজে এগৰাকী নাৰী হোৱাৰ বাবে লেখিকাই নিজেই নাৰী জীৱনৰ বোজা বৰষুণ বাধ্য। সেয়ে জীৱনৰ গভীৰ কোণৰ পৰা চেতন আৰু অৱচেতন মনৰ গভীৰ গোপন থলিৰ পৰা লেখনিৰ সমল আহৰণ কৰি অতি সাহসেৰে সেইবোৰক উপন্যাস কেইখনত

দিছে। সমাজত বিধবাৰ দুৰৱস্থাৰ পৰা আৰম্ভ কৰি নাৰীৰ যৌন জীৱনলৈকে প্ৰায় সকলো ধৰণৰ প্ৰচলিত ধ্যান ধাৰণাৰ নতুন মূল্যায়ন কৰিবলৈ বিচাৰিছে আৰু এই দিশত লেখিকা সফলো হৈছে।

নাৰী চৰিত্ৰ সমূহৰ সমান্তৰাল গতিত গোস্বামীৰ উপন্যাস সমূহৰ মাজেৰে বৈ গৈছে একোখন নদী। 'চীনাবৰ সোঁতত' চন্দ্ৰভাগা, 'অহিৰণত' অহিৰণ, 'মামৰে ধৰা তৰোৱালত' আই, 'নীলকণ্ঠী ব্ৰজত' যমুণা, 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা'ত জগলীয়া ইত্যাদি। কিন্তু উৰ্ব্বৰতাৰ প্ৰতীক নদীৰ অশান্ত, কৰ্কশ, বিধ্বংসী ৰূপৰ ছবিহে উপন্যাসবোৰত পোৱা যায়, ইয়াৰ শান্ত মনোৰম ৰূপ ক'তো পাবলৈ নাই। শোষিতা, লাঞ্ছিতা নাৰীৰ দৰে, শুকান হাড়ৰ দৰে পৰি থকা নদীবোৰ কেতিয়াবা বাঢ়িয়া ফেনে ফোটোকাৰে বাঢ়ি অহা বিধ্বংসী ৰূপতো দেখা যায়। এটা কথা অৱশ্যে স্বীকাৰ কৰিব লাগিব যে গোস্বামীৰ উপন্যাসৰ নাৰী চৰিত্ৰ কেইটাত নাৰী জীৱনৰ একোটা বিশেষ দিশৰহে সুক্ষ্ম বিশ্লেষণ দেখা যায়। নাৰীৰ কৰ্কশ আৰু বিধংসী ৰূপৰ বিপৰীতে আধুনিক নাৰীৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰি সেইবোৰক উপন্যাসত স্থান দিলে গোস্বামীৰ ৰচনা আৰু অধিক জনপ্ৰিয় হ'ব।

লোপা ডেকা বৰুৱা
প্ৰৱক্তা, অসমীয়া বিভাগ

কবিতাৰ শৰাই

তুমি আহিবা

আহিবা তুমি
নতুন বেশেৰে মোৰ কাষলে।
আনিবা লগত
মৰম মোক দিবলে॥
দিবাহি দেহত মোৰ
মধুৰ স্নিগ্ধ পৰশণ॥
কৰিবা হিয়াত মোৰ
আনন্দ উচ্ছাসৰ কণা বৰষণ॥
আহিবা মোৰ
অন্ধকাৰ জীৱনত।
কৰিবলে মোক
পোহৰ সঞ্চাৰণ॥
নির্মল তুমি
উজ্জ্বল তুমি কান্ত।
স্নিগ্ধ বিমল
সুন্দৰ তুমি শান্ত॥
সুখে-দুখে মোৰ
আহিবা তুমি হিয়ালে।
আহিবা নিতে তুমি
মোৰ সকলো কামৰ মাজলে॥
সকলো কাম মোৰ
যিদিনা শেষ হ'বহি।
নতুন ৰূপেৰে তুমি
দেখা মোক দিবাহি॥

{বিঃদ্রঃ— কবিগুৰু ৰবিন্দ্রনাথ ঠাকুৰদেৱৰ এটি কবিতাৰ ছাঁ লৈ লিখা।}

শ্রীজীতেন দাস
স্নাতক ১ম বার্ষিক (কলা)

স্বাধীনতাৰ বাবে

স্বাধীনতাৰ শিপাডাল যদিও চুই চাব পৰা নাই
তথাপিওঁ তাৰ চাৰিসীমাৰ কথা মই জানো—
আৰু মই জানো—
শইচ পথাৰৰ খাটি খোৱা জনতাৰ লগত মিতিৰালি কৰিবলৈ।
স্বাধীনতাক ভালপাওঁ বাবে বহুদিন ধৰি মোক
মুক্ত আকাশৰ পিনে চাবলৈ দিয়া হোৱা নাই
হেলাৰঙে কাঢ়ি নিব বিছাৰিছে হৃদয়ত সঞ্চিত গোপন স্বাধীনতাৰ বতৰা।
ইয়াত এতিয়া মুক্ত বতাহ পাবলৈ নাই,
আশাৰ ঠাইত নিৰাশা হয়, অথবা
ৰাজপথত বস্ত্রহৰণ কৰা হয় আজিৰ দ্রোপদীক।
জীয়াই থকাৰ প্রেৰণাত কবিতা লিখা মই কবি
তথাপিও বিবেকক মই বিক্রী কবিব খোজা নাই
শত্রুৰ সন্মুখৰে আহোতেওঁ জেপত গোপনে লৈ ফুৰিছো
বহুতো উত্তপ্ত নকল 'সূর্য্য'
যদিওঁ মই দেশৰ গলিয়ে-আলিয়ে বিচৰণ কৰা নাই
তথাপিওঁ মই অকাতৰে লিখিছো—
যোৱা কালি ভুমিষ্ঠ হোৱা শিশুটিৰ ডাষ্টবিনত খাদ্যৰ অন্বেষণ
লগতে আকি গৈছো—
মোৰ দেশৰ ন-লাচিত সকলৰ স্বাধীনতাৰ দেৱালখনলৈ আগুৱাই যোৱা
বক্ত বঞ্জিত ভৰিবোৰ।

শ্রীঅমল বৈশ্য।
স্নাতক প্রথম বার্ষিক (কলা)

তিনিটা প্রেমৰ কবিতা

এদিন ৰাতিপুৱাতে শুনিলো
তাই হেনো ক'ৰবাত লুকাল।
বোধহয় কাৰোবাৰ বুকুৰ মাজত
এতিয়া মই কাকো নামাতো
আনকি নদীখনৰ উদাৰ বুকুখনকো;
যত কপি উঠিছিল
তাইৰ যৌৱনৰ ৰ'দালি জাক,

(২)

সেমেকা ৰাতিবোৰ হয়তো এনেকুৱাই
প্রিয়জনক লগ পাবলৈ
ইমান মন যায়
ৰাহিৰত হুৱ্ হুৱ্ বতাহ।
বতাহ যিমানে বলিয়া হয়
স্মৃতিবোৰো সমানেই নির্দয় হয়।
সচাঁকৈ য়ে
এতিয়া যদি তুমি মোৰ কাষতে থাকিলাহেতেন।

(৩)

প্রেম মই কাহানিওঁ কৰা নাই
প্রেম মানেই যদি
বন্ধ বাকছত আলফুলে ৰাখি থোৱা
কেইখিলামান কাগজৰ টুকুৰা
তেনেহলে।
মই ভুল বুজিছিলো
সচাঁকৈয়ে
হৃদয় মানেই যদি
প্রেম হলহেতেন।

মোঃ আইনুদ্দিন আহমেদ
স্নাতক ২য় বার্ষিক

শান্তিৰ সন্ধানত

নীলাম্বৰ শুকুলা
মেঘজাকে
তেজদ্দীপ্ত জ্যোস্নাৰ
আৱৰণ হল—
দপ দপ কৈ
ধৰাত জ্বলিছে
ক্রোধৰ দাবানল;
শান্তিৰ দূতসবে
যোগালে ইন্ধন
শান্তি সন্ধানী শান্তি যাত্রী হৈ।
চহৰৰ আলিয়ে গলিয়ে
আতচবাজীৰ চমকনি
দীপান্বিতা !
নিলোৱ চোতালতো
পাতিছে
শান্তি বাহিনীৰ গুৰুম ! গুৰুম !
ধ্বনিবে;
গাৱৰ সিটো মুৱৰ বজাৱত
কান তাল মৰা শব্দ
হিলৈ ৰৰটোপৰ নহয়
শক্তিশালী খেন বোমাৰ।
বিহু তলিত সঙ্গীত সন্ধিয়া
গুৰি পকৱাৰ সাইলাখ
আনবোৰৰ—
কল খোৱা ধাতু বাজ
গৃহহীন নিদ্রাহীন
ৰাত্রী থাপনঃ
এয়া—
আত্ম রুচি
আত্ম স্বার্থ
কোন কাৰ আপোন।
প্রতিবাদী ডেকা পুত্রৰ
পাশৱিক হত্যা
দুর্ভগীয়া পিতৃৰ চৰণত।
নাৰী, শিশুৰ বুকু ভেদিছে
স্বত্বাধিকাৰী ষ্টেন গাৰ
এটুকুৰা রুটিৰ বাবে
হাহাকাৰ কাৰীৰ ভাগ্যত
ৰাজপথেৰে শান্তি যাত্রী
সমদলৰ লাঠি গুলি।
দুর্লভ আপুকগীয়া
এই শান্তি
অন্ন, বস্ত্র, সংস্থান
কেৱল চাৰেণ্ডাৰীৰ নে ?

মোঃ ইছলামুদ্দিন
স্নাতক দ্বিতীয় ৰা

এতিয়া নিশা

এতিয়া নিশা আমাৰ ইয়াত
মই সাৰে আছো
তোমালোক ছাগে এতিয়া টোপনীত
এতিয়া নিশা॥
ই মাত্র শব্দ কৰি নামনিমুৱা ট্রেইনখন পাৰ হল
জপথৰ ভতুৱা কুকুৰবোৰ এতিয়া টোপনিত
ৱা ৰাতি হস্পিতালত মানুহতো মৰি থাকিল
মানুহজনে কিবা কৰ খুজিছিল
মানুহজনে কিবা কৰ খুজিছিল !!
নুহজনৰ নামতো তোমাৰ মনত আছে নে
আমাৰ ইয়াত এতিয়া নিশা
মই সাৰে আছো .....

শ্রীৰমেন্দ্র কুমাৰ দাস
(উচ্চতৰ ২য় ৰাৰ্ষিক)

অব্যক্ত সুৰ

মোৰ অব্যক্ত বেদনাবোৰ
শুকুলা ডাৱৰৰ আঁৰে আঁৰে
অপ্রকাশিত হৈ ৰ'ল
মনত প্রচণ্ড ভাৱে জাগি উঠে
নিৰৱতাৰ ভাৱ।
ভাঁহি উঠে মোৰ জীৱনৰ
চৰম পৰাজয়
অব্যক্ত বেদনাবোৰ
এতিয়াও আছে
অনুভৱ কৰো মই
জীৱনৰ তীব্র বেদনা
কি অসহ্য যন্ত্রনা !
বেদনাবোৰ মিলি গৈছে
ৰঙা নীলা নদীবোৰেৰে
আশ্রয় লৈছে মূৰ্খৰ
প্রতিটো মনতে
মনতে ভাঁহি আহে কৰুণ হুমুনিয়াহ
কৰুণ বেদনাৰ মাজত
সভ্যতাই ঠাই ললে
মূৰ্খৰ কল্পনাৰ ফুল পাহী
বাস্তৱৰ সংঘাটত পৰি
চিৰদিনৰ বাবে মৰহি গ'ল॥

এম, মখলেজৰ ৰহমান
স্নাতক প্রথম ৰাৰ্ষিক

মৰমীৰ সতে

এতিয়া মাজ ৰাতি
মই জাগি আছোঁ, মৰমী
মোৰ কেউফালে তোমাৰ অশৰীৰি ছবি
চকু মেলিলেই নাইকিয়া হয়
চকু মুদিলেই কাষচাপে।
এতিয়া এই মাজৰাতি
আকাৰ ইকাৰ চন্দ্রবিন্দু বিসর্গৰে
মই তোমাৰ ছবি আঁকিছো
বগা কাগজত কলমেৰে।
সেই যে,
তুমি শুই আছিলা
মই ৰ'লাগি চাইছিলো
তোমাৰ নিস্পাপ শায়িত মুখ
পূর্ণিমাৰ নিশাও জোন ঢাকি ধৰা
মেঘৰ দৰে তোমাৰ অবিন্যস্ত চুলি
সেই নাক, সেই মুখ
সেই টোপনিৰ হাঁহি।
এতিয়া মাজ ৰাতি
সাৰ পাই গৈছা নেকি মৰমী ?
আচলতে দুষ্ট চুলিখিনি গুছাই দি
মোৰ চাৰলৈ মন গৈছে
তোমাৰ মুখত তিল আছে নেকি ?
সাৰ পালে তুমি পানী খোৱা
চ্চৰণি খাই যদি ভাবা

এতিয়া এই মাজৰাতি কোনে তোমাৰ কথা ভাবে
মোৰ এই ব্যঞ্জন বর্ণৰ পিছত স্বৰবর্ণ
আকাৰ, ইকাৰ, ডেছ, কমা, ডাবি ইত্যাদি ইত্যাদি
মেট মৰা শব্দৰ
কবিতাবোৰ তোমাৰ কেউফালে
তোমাৰ ওচৰতে
তোমাৰ বাবেই ৰৰ মৰমী'।
ভয় নাই মৰমী
তোমাৰ ভ্রূৰ ওপৰেৰে ৰগাই
কপালত চুমা খাওঁতে
কেনেবাকৈ কোৰ খাই যদি
চকুৰ পতাত বাগৰি পৰে।
তথাপি তুমি সাৰ নাপাবা মৰমী
মোৰ কবিতাৰ শব্দ
শব্দৰ আত্মা
আমাৰ আশা আকাংখা
সকলোবোৰ অশৰীৰি
মহা জাগতিক ৰশ্মিৰ দৰে।
মোৰ কবিতাৰ অতন্দ্র শব্দ সৈনিকে
যদি তোমাৰ ফুলি থকা নাকৰ পাহি
সন্তপর্ণে সোমাই গৈ
হৃদয়-খন চাই আহে
তুমি যদি গমকে নোপোৱা ?
ভয় নাই মৰমী

হৃদয় চোৱাৰ দুঃ সাহস মোৰ
মোৰ কবিতাৰ শব্দৰ
শব্দৰ সৈনিকৰ
ভাবোৱেই নাই।
হৃদয় চোৱাৰ সাহস
সম্ভৱ ঈশ্বৰৰো নাই।
তাতোকৈ এয়াই ভাল
তোমাৰ ঘুমন্ত কোমল মুখৰ কেউপাশে
অবিন্যস্ত চুলিৰ ভাঁজে ভাঁজে
তোমাৰ সমস্ত সত্তাৰ কায়ে কায়ে
মোৰ কবিতাৰ দুৰন্ত শব্দ
শব্দৰ আত্মা
আত্মাৰ আশা আকাংখা
একান্ত গোপনে মিলিযাব
চিৰ-দিন চিৰকাল,
তোমাৰ সতেই শুই ৰ'ব
সহস্র মাজ ৰাতি
হাজাৰ বছৰ মোৰ
এনেদৰেই পাৰ হৰ মৰমী।

চৈয়দ আটাউৰ ৰহমান
স্নাতক দ্বিতীয় বর্ষ

নিৱৰ প্ৰকৃতিৰ কোলাত ইতিহাসৰ উচুপনি

আজিৰ এই শাৰদীয় পুৱাত,
প্ৰভাতৰ বিপুল সম্ভাৱেৰে
মুকলি আকাশৰ এয়া মুকলি বতাহ,
বন-বননিত মধু-মিঠা গুঞ্জনেৰে বন্যপ্ৰাণীৰ কিৰিলি,
দুৱণিত কঁপিছে দুৰু দুৰু
গছ লতিকাৰে ভৰা বিশাল পৰ্ব্বতমালা।
প্ৰভাতী পখীৰ কণ্ঠত লয়লাস সুৰ তুলি
ভাহি অহা শুনিছো,
শিলালিপিৰে একালৰ
ইতিহাস লিখা প্ৰতিশ্ৰুতি।
অৰুণৰ কোমল ৰক্তিম আভাত
তিৰবিৰাই নিৱৱধি বৈ আছে,
ক'লা মানুহৰ ৰঙা তেজৰ
উত্তপ্ত নৈ খন।
নৈৰ বালি চাপৰিত
বালিঘৰ সাজি প্ৰয়াস কৰিছো,
সেই ক'লা মানুহৰ ৰঙা তেজেৰে
এখন নতুন ইতিহাস লিখিবলে
য'ত সভ্যতাৰ ন-পুৰণিৰ সমন্বয় চিৰকাল অটুত থাকে।
পৃথিৱীৰ কোলাত নিৱৱে শুই থকা
জন্ম-জন্মান্তৰৰ সাক্ষীস্বৰূপ,
সেই নৈৰ পাৰত থকা বৃহৎ আকাৰৰ শিলবোৰত
লিখি গৈছো আদিৰ পৰা অন্তলৈ
সিহঁতৰ সাহিত্য, কলা, সংস্কৃতি,
ভিন্ন সৃষ্টি-কৃষ্টি জাতীয় জীৱনৰ কথা।

শ্ৰীমাধবী পাটোৱাৰী
দ্বিতীয় বাৰ্ষিক, কলা

মইনাৰ কি হল ?

মইনায়ে হেনো মদ খাইছিল
সঙ্গৰ দোষত পৰি ;
যেনে তেনে কৰি ঘৰ পাইছিল
অ'ত ত'ত পৰি ধৰি।
জেপত আছিল ছকুৰি টকা
হাতত আছিল ঘড়ী:
মইনাৰ গাত হুচ নাইকীয়া
বাটত আছিল পৰি।
চুৰিয়া ফাটিল জোতাও হেৰাল
কৰবাত থাকিল পৰি;
গোটেই গাতে কটা চিঙা ঘা
বখলা বখলে কৰি।
আঠুও ভাঙিল দাঁতো সৰিল
উখহি বোন্দাটো হ'ল;
অলিয়া বলিয়া হল মতলীয়া
মাথোন জকাটো ৰ'ল।
বাপেক মাকে ভূতে পালে বুলি
বেজক আনিলে মাতি,
তন্ত্ৰ মন্ত্ৰকৰি এৱা সুঁতাৰে
দিলে ককাঁলত গাঠি।
তেজ বমি কৰি গাৰ বিষ ধৰি
এমাহ থাকিল পৰি;
ডক্তৰ বাবুৱে কথামপি বচালে
বহুত যতন কৰি।
তেতিয়াৰ পৰা প্ৰতিজ্ঞা কৰিলে
মদত নিদিও মুখ,
সেইদিন ধৰি চেহেৰা বাঢ়িল
বাঢ়িল সম্পদ সুখ।

গণতন্ত্ৰৰ নামত শপত খাই

সকলো মানুহ অপৰাধী।
সকলো যুৱক ডকাইত।
সকলো ৰমণী বেশ্যা।
সকলো বৃদ্ধ দালাল।
মানুহবোৰৰ লাইচেঞ্চবোৰ ক'ত ?
মানুহবোৰৰ ঠিকনাবোৰ ক'ত ?
মানুহবোৰৰ পুঠিভঁৰালবোৰ ক'ত ?
মানুহবোৰৰ শোৱনীকোঠাবোৰ ক'ত ?
মানুহবোৰ মিছলীয়া।
মানুহবোৰ ঠগ।
মানুহবোৰ বে আইনী।
সকলোবোৰ মানুহ বে আইনী ?
বে আইনী মানুহবোৰক হত্যা কৰিলো।
বে আইনী যুৱকবোৰক পোতাশালত দিলো।
বে আইনী নাৰীবোৰক ধৰ্ষণ কৰিলো।
সিহঁতৰ হাতবোৰ ভাঙি পেলালো।
সিহঁতৰ ভৰিবোৰ ভাঙি পেলালো।
সিহঁতৰ চকুবোৰ আঁকুহি আনিলো।
উগ্রপন্থীহতক ধন্যবাদ ॥
সৱবোৰ আইন আমি বে আইনী কৰিলো।

মঃ লুটফুৰ ৰহমান
স্নাতক ১ম বাৰ্ষিক

↕—↕

চৈয়দ নজৰুল ইছলাম
স্নাতক ১ম বাৰ্ষিক

পায়েৰী

✵ বদল যায়ে আগৰ মালি
চমন হোতা নেহিখালি
বাহাৰে ফিৰিঙি আতি হায়
বাহাৰে ফিৰঙি আয়হে ।
হায়া যদি মাৰিল সলনি
ফুলনিৰ নহয় বিঘিনি
বসন্ত আকউ আহে
সদায় আহিয়ে থাকিব ।
✵ যিসনে দিল খোয়া উসী কো কুছ মিলা
কায়দা দেখো উসী নুকসান সে ।
অন্তৰ উজাৰ কৰি
কৰে যদি হিয়া দান
সেইদান কদাপিতো বিফলে নাযায়
যদিওৱা সেইদান অপচয় লাগেসেন
তাৰ সতে আন কৰো তুলনা নহয়।
✵ দিলকে টুকৰে দেখকৰ ও দিল
হম হম কৰৱ কহতে হায় ।
কিসতে তোড়া কুংকৰ তোড়া
তোড় দিয়া য়া টুট গয়া
ভগা কলিজাৰ মোৰ সিচৰিত কনাবোৰ
দেখি তেও হাঁহি হাঁহি সুধিলেহি মোক
কিনো হই কেনেকই ভাগিগল কলিজাটি
জোৰ কৰি ভাঙিলেনে নিজে ভাগি গল ।

মিছ বিজু দাস
স্নাতক দ্বিতীয় বাৰ্ষিক
(দিবা শাখা)

গল্প

"..... a kind of prose fiction distinguisted from the novel (roman and the novellete (novelle or novella) by its compression and intensity"

Encyclopaedia Britarica.

অপুৰ চকুলো

অপুৱে এদিন ৰৱ বেদনা পূৰ্ণ মনেৰে সিহঁতৰ
হুলী মুখত থিয় হৈ ৰৈ আছে। তেওঁ আছিল
ম মান শ্ৰেণীৰ ছাত্ৰ। তেওঁ সকুই থাকোতে
ভাক ঢুকাইছে। তেওঁৰ পৰিয়ালত আছে
নিটা প্ৰাণী। তাৰ ভিতৰত আছিল মাক,
মৰ ভনীয়েক কমী আৰু তেওঁ। এতিয়া
ৰিয়ালটো সুকলমে চলোৱাৰ দায়িত্ব পৰিছে
ওঁৰ ওপৰতে। সেই কাৰণে সেইদিনা পৰি-
লটোক ৰক্ষণা বেক্ষনা দিবৰ কাৰণে পতুলী
ত তেওঁ বেজাৰ মনেৰে থিয় হৈ আছিল।
এনেতে পিছফালৰ পৰা ৰমেনে আহি তেওঁৰ
ঠত এটা বন্ধুত্বৰ চাপৰ মাৰি সুধিলে, অপু
কিয় এনে দুখ মনেৰে ৰৈ আছা অ।
তিয়া অপুৱে ৰৱ দুখেৰে কলে—"মই ৰৱ
পদত পৰিছো বন্ধু।" মোৰ পঢ়া ইমানতে
সামৰণী পৰিব। তুমি পাৰা যদি দেউতাৰাক
কৈ মোৰ এটা ব্যৱস্থা কৰি দিয়ানা ভাই।
কাৰণ ৰমেন আছিল উকিলৰ ল'ৰা। কিন্তু
ৰমেনে অপুৰ সেই বেদনাপূৰ্ণ দুখীয়াৰ অন্তৰ
খন জয় কৰিব নোৱাৰিলে। তেওঁ মাত্ৰ এটা
বিদ্ৰুপৰ হাঁহিহে মাৰিলে। অপুৱে তেওঁৰ হাঁহিঁ
ত ৰৱ আঘাত পাইছিল। শেষত তেওঁ
উপায়ন্তৰ হৈ পুনৰাই তেওঁক সেইদিনা চলিবৰ
কাৰণে টকা পাঁচটা খুজিলে। ৰমেনে তেওঁৰ
পকেটৰ পৰা টকা পাঁচটা দিলে। কিন্তু
এসপ্তাহৰ ভিতৰত তেওঁক ঋণ পৰিশোধ কৰি-
ৰলৈ ক'লে। অপুৱে ইয়াতে সন্মতি দিয়ে
আৰু টকাখিনি লৈ দোকানলৈ বুলি ৰাওঁনা
হৈছিল আৰু দোকানত গৈ তেওঁ চাউল
আৰু দাইল অলপ লৈ ঘৰলৈ বুলি খোজ

ললে। কাৰণ তেওঁৰ যোৱা নিশাৰ দৃশ্যটো বাৰে বাৰে মনত পৰিছিল। সেই নিশাটোত সিহঁতৰ ঘৰত পানী এটুপিৰ বাহিৰে এটি খুদ কনওঁ নাছিল। বাৰে বাৰে তেওঁৰ মনত ভাঁহি উঠিছিল তেওঁৰ অতি মৰমৰ ভনীয়েকৰ কথাফাঁকি সেয়া আছিল। "মাঁ মোক কিবা খাবলৈ দে-না, মোৰ বৰ ভোক লাগিছে।"

সেই কাৰণে অপুৰে খন্তেকো পলম নকৰা-কৈ ঘৰলৈ আহিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ এনেতে হঠাৎ এখন চাইকেলে আহি তেওঁক খুণ্ডা মাৰি বগৰাই দিলে আৰু হাতত থকা চাউল, দাইলখিনি চিটিকি গৈ বাটাৰ ধূলীৰ লগত মিহলি হৈ গৈছিল। চাইকেল চালকে পুনৰাই অপুকে চাইদ ভুল হোৱা বুলি দোষা-ৰোপ কৰি গালি পাৰি গুচি গৈছিল। উপাই নাপায় অপুৰে পাৰে মানে বুকুত ভুকুৱাই কান্দিলে। তেওঁ ইমান দুখ পাইছিল যে সেই সময়ত তেওঁ ভগৱানকো প্ৰাৰ্থনা কৰিবলৈ পাহৰি গৈছিল। যেতিয়া গধূলী সময়ত খালী-হাতে কান্দি কান্দি ঘৰলৈ গৈছিল, তেতিয়া মৰমৰ ভনীয়েক ৰুমীয়ে গোটেই দিনটো ভোকত চট্‌ফটাই থাকি ককায়েক যোৱা গম পাই দৌৰি আহি সুধিলে, "ককাইদেউ আপুনি মোৰ কাৰণে কি আনিছে? মোক সোনকালে দে-না, মোৰ বৰ ভোক লাগিছে।" এনেতে মাকো ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। অপুৰে কিন্তু ভনীয়েকক একো উত্তৰ দিব পৰা নাছিল, তেওঁ মাত্ৰ ভনীয়েকক বুকুত সাৱতি ধৰি কান্দিবলৈ ধৰিলে। মাকে বহুত দুখ পিছত অপুৰে লাহে লাহে তেওঁৰ দুখ বিবৰি কলে। উপাই নাপাই সেইদিনাৰ গোটেই কেইজনে অনাহাৰে কটাবলগীয়া কৰুণীয়ে কিন্তু সেইদিনা ভোকতে শুৱ নোৱাৰি

পিছদিনা বাতিপুৱা অপুৰে, উক্ত দি... কাৰণে কাম বিচাৰি ওলাল আৰু ... হাতত জোলোঙা লৈ মানুহৰ পদুলীয়ে পদু... বাওঁনা হ'ল। সচাঁকৈয়ে ভাবিলে তেওঁ... পৰিয়ালটো বৰ কৰুণৰ। প্ৰতিটো ... অন্তৰ বেদনাপূৰ্ণ। তেওলোক আটাইবো... এটায়ে চিন্তা কেনেকৈনো এসাজ লঘোন... বাকৈ প্ৰকৃতিৰ প্ৰতিকূল অৱস্থাত ... জীয়াই ৰাখিব পাৰে। ঠিক এনেদৰে এদিনৰ পিছত এদিন দিনবিলাক ৰাগি... আহি পালে তেওঁৰ সেই দিনটো ... দিনত তেওঁ ৰমেনৰ টকা পৰিশোধ... লাগিব। সেয়েহে তেওঁ ৰাতিপুৱাই বৰ ... পৰিছে। অৱশেষত তেওঁ স্থিৰ কৰি... সেইদিনা হোটেলত পানী বৈ হলেও ... টকা পৰিশোধ কৰিব লাগিব। সেই ... তেওঁ তিনি আলিৰ পিনে খোজ ... এনেতে ৰমেনে কৰবাৰ পৰা চাইকে... আহি তেওঁক লগ কৰে আৰু টকা ... খোজে। অপুৰে বন্ধুজনক বৰ সৰল ... কলে যে আবেলি তেওঁ কাম কৰি ... টকা খিনি দিব। কিন্তু ৰমেনে তেওঁৰ ... মান্তি নহ'ল। আৰু কিছুসময় অপুৰ

কৰি শেষত অপুক বেয়াকৈ মাৰিবলৈ ... লে। ঠিক সেই সময়তে ৰমেনৰ দেউতাকে ...াৰ অফিচলৈ আহি আছিল আৰু বাষ্টাত ...কক এজন ভিকহুৰ লগত কাজিয়া কৰা ...ি তৎক্ষণাত বিক্সাৰ পৰা নামিল আৰু ...তৰ কাষলৈ গৈ কাজিয়া কৰাৰ কাৰণ ...বলে। তেতিয়া ৰমেনে কলে যে অপুৰে ...না তেওঁৰ পকেটত মনে মনে হাত সুমাই-... । তেতিয়া অপুৰে কান্দি কান্দি কৈছিল ...ওঁ ৰমেনৰ পকেটত হাত সোমোৱা নাই। ...ন্তু অপুৰ কৰুণ কান্দোন আৰু কথাক ...নেও বিশ্বাস নকৰিলে। সকলোৱে ৰমেনৰ ...কে সত্য বুলি ধৰিলে। কাৰণ ৰমেন হ'ল উকিলৰ লৰা। সেই কাৰণে সকলোৱে অপুক ধমকণি দিলে আৰু সকৰ পৰা তেনে-কুৱা অসৎ প্ৰবৃত্তি লোৱাৰ কাৰণে পুলিচৰ হাতত গটাই দিলে।

অপুৰে বাৰে বাৰে কান্দি কান্দি উকিলৰ ভৰিত ধৰি কৈছিল যে তেওঁ ডকাইটি নহয়, তেওঁ কেতিয়াও ৰমেনৰ পকেটত হাত সোমোৱা নাই। তেওঁৰ অবিহনে পৰিয়ালৰ অস্তিত্ব নাইকীয়া হব। কিন্তু তেওঁৰ সেই কৰুণ কাহিনী আৰু দৃশ্যয় সিহঁতৰ হৃদয় স্পৰ্শ কৰিব নোৱাৰিলে। মাথোন বিক্সাৱালাইহে তেওঁৰ সেই কৰুণ বিননীত দূষিত ঃ হৈছিল আৰু চকুলো টুকিছিল।

শ্ৰীভূধন মালাকাৰ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ
(কলা শাখা)

হেকৰা অতিত

"মা" নাই আজিও একো নহল পৰহি আকৌ মাতিছে। গুৱাহাটীৰ পৰা আহি ৰাজীৰ শইকীয়াই মাকক কথাষাৰ কৈ কাপোৰ সলাই ভৰি হাত ধুবলৈ গল। মাকে ভাত দিবলৈ গ'ল। ভাত খাই থাকোতে মাকে কবলৈ ধৰিলে আমাৰনো কেতিয়া হব বোপা। "নহয় মা পৰহিলৈ যিকোনো উপায়ে যাবই লাগিব" ৰাজীৰে কলে। ভাত খাই উঠি সি বিছনাত দীঘল দি পৰিল। মাক আহি তাৰ কাষত বহি অতীতৰ কথাবোৰ কবলৈ ধৰিলে। তোমাৰ দেউতাৰা আছিল গাওঁৰ মূখিয়াল, মানুহে মাতিছিল ধনীৰাম মহাজন বুলি। ধন সম্পত্তি মাটি-বাৰী যথেষ্ট আছিল, মানুহক টকা ধাৰে দিছিল সুদত। খেতিৰ মাটি আছিল ২৫-৩০ বিঘা, এখন চাউল চেনীৰ দোকানো আছিল। সেই সময়ত গাওঁখনৰ ভিতৰত একমাত্ৰ টকা থকা আছিল তোৰ দেউতাৰাই। মুঠৰ আমি কোনো অভাৱত পৰা নাছিলো।

তুমি তেতিয়া সৰু, বোধহয় চতুৰ্থ পঢ়া, সেই সময়ৰ পৰা দেউতাৰাৰ প্ৰথমে আমি সৰুসুৰা অসুখ বুলি মহীধৰ ওজাৰ পৰা আসুৰি খুৱাইছিলো। সময়ত মহীধৰ ওজা নাম জ্বলা ওজা। বাৰ ঘৰত অসুখ হলেই উধাতু খাই ছিল মহীধৰৰ ঘৰলৈ, আৰু তেওঁৰ আৰোগ্য লভিছিল। দেউতাৰাৰ হিয়া তুমাহকৈ এবছৰ হৈছিল ভাল পোৱা ভাল নোপোৱা মানে এনে সুস্থ হৈ কেতিয়াবাহে বেছি হয়। এনেকুৱা

ামাক আৰু ভণ্টিক পঠাইছিলো মহীধৰ জাৰ ঘৰলৈ, মহীধৰেও জাৰি ফুকি কিবা লপ দিয়ে আৰু ভালো হয়। এবছৰৰ া যেতিয়া দুবছৰ হল তেতিয়া আৰু বেচি ধৰিলে। দেউতাৰাৰ এই অসুখৰ সময়ত ীলতৰাম, ভবেন উজিৰ ইহঁতে প্ৰায় খবৰ য়ে থাকে। দৌলতৰাম হল আমাৰ ওচৰৰ ওঁৰে এজন দেউতাৰাৰ দৰে সম-পৰ্য্যায়ৰ াক। তেওঁৰো মাটি-বাৰী টকা পইচা যথেষ্ট ছিল। ভবেন উজীৰ হল কোম্পানীৰ নেজাৰ দেউতাৰাৰ অন্তৰংগ বন্ধু। তেখেতৰ াৰ চাকৰি যাও যাও অৱস্থা কিবা কেছত ৰি তেওক বাৰ হাজাৰ টকাৰ আৱশ্যক ছিল, এই টকাখিনি দেউতাৰাই তেওঁক সহায় কৰিছিল আৰু তেতিয়াৰ পৰাই উতাৰাৰ লগত অন্তৰংগ বন্ধু হৈ পৰিছিল। তুমি তেতিয়া ৬ষ্ঠ শ্ৰেণীত, ভটি ৪র্থ শ্ৰেণীত, ইটি বিপ্লৱ ২য় মানত আৰু দীপাই ভাল কথা কব পৰা হৈছে, ইফালে সিফালে ৰিব পৰাও হৈছে। ঠিক সেই সময়ৰ ৰবিবাৰ সন্ধিয়া দেউতাৰাৰ মাত বোল ঘৰত সকলোৰে কন্দা কটা লাগিল। নকুৱা অৱস্থা দেখি ওচৰৰ মেডিকেললৈ নিয়াৰ স্থা কৰিলো। বিক্সা এখন আনি মেডি- পালো। তাৰ ডাক্তৰে কলে গুৱাহাটীত াৰ কথা। সেইদিনা ৰাতিয়েই পালো াগড় মেডিকেল। তাত ছ মাহ মান থকাৰ ত ডাক্তৰে এদিন অপাৰেচন কৰাৰ কথা কলে। ডাক্তৰে যিদিনা অপাৰেচনৰ কথা কলে সেইদিনা আমাৰ ঘৰত কোনো নাছিল, এই সুযোগ লৈয়ে আমাৰ ঘৰত চোৰ হৈ গ'ল। পিছদিনা আহি দেখো যে ঘৰৰ বিছনা পত্ৰ সকলো বস্তু লণ্ড-ভণ্ড। ঘৰত একোয়েই নাই বস্তু বাহানি, টকা পইচা সকলো চোৰ হৈ গ'ল আনকি, দোকানখনৰ বস্তুখিনিও নেৰিলে। এইপিনে চোৰ খেদিম নে সেইপিনে দেউতাৰাক চাম। দেউতা- ৰাৰ অপাৰেচনৰ কামত টো এতিয়া টকা লাগিব কিন্তু পাওঁ কত? মই নিৰুপায়ত পৰি দৌলতৰাম চাং কাকতিৰ ওচৰত পাঁচবিঘা মাটি বন্ধকত দি পাঁচহাজাৰ টকা লৈ পিছদিনা আকৌ মেডিকেল পালো। অপাৰেচন কৰালো কিন্তু তাতো কোনো ফল নধৰিল। তাত তিনিমাহ থকাৰ পিছত এদিন ঠিক দুপৰীয়া চাৰে বাৰ বজাত তোৰ দেউতাৰাই ইহ সং- সাৰৰ পৰা চিৰদিনৰ বাবে বিদায় ললে। সেইদিনাৰ পৰা আমাৰ ওচৰলৈ যেন অন্ধকাৰ নামি আহিল। আকাশৰ পৰা এচটা ডাঠ ক'লা মেঘে আমাক আগুৰি ধৰিলে।

তুমি যেতিয়া পি-উ পাচ কৰা তেতিয়াৰ পৰাই বিমলা, বিপ্লৱ, আৰু দীপাক পঢ়ুওৱাৰ আশা বাদ দি তোমাকেই ভালদৰে পঢ়ুৱাৰ চেষ্টা কৰিলো। তুমিও বি,এ পাছ কৰিবৰ আজি দুবছৰ হ'ল, তোমাক আৰু বেছিকৈ পঢ়াই এটা ভাল মানুহ কৰিবৰ সপোন দেখি- ছিলো। কিন্তু সেই সপোন দিঠকত পৰিণত নহল, তোমাক এইখিনিলৈ পঢ়াওতেই যেতিয়া

আমাৰ অৱস্থা পানীত হাঁহ নচৰা হল। ঘৰৰ মাটিবাৰী হিচাবে থাকিল মাত্ৰ ঘৰটোৰ চাৰিসীমা খিনিয়ে, টকা আনোতে গোটেই খিনি দৌলতৰামেই পালে। বস্তু বাহানিও একো নোহোৱা হল। এনেকৈ কৈ মাকে হুক-হুকাই কান্দি দিলে। মাকৰ কান্দোনত হে ৰাজীৱ সাৰ পাই উঠিল। এই কথা বিলাক সি মাকে কৈ থকা শুনাই নাই সি যেন সপোনতহে দেখা পাই আছিল।

: মা অতীতৰ কথা কৈছা অতীতক মই আকৌ বৰ্ত্তমানলৈ ঘূৰাই আনিম তুমি নাকান্দিবা মা, মাকক সান্ত্বনা দি কলে ৰাজীৱে। এনেতে তাৰ বন্ধু ৰঞ্জিত আৰু বিজন আহিল। ৰঞ্জিত ফৰেষ্ট অফিচৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, বিজন ৰাজীৱৰ লগত একেলগে পঢ়া।

: ৰাজীৱ, শুই আছা নেকি ? এই সন্ধিয়ানো কি টোপনি লাগিল ? বিজনে ৰাজীৱক কলে।

: টোপনি নহয় অ, বিজন জুই জ্বলিছে। ৰাজীৱে কলে।

: জুই, জুই ক'ত জ্বলিছে ৰাজীৱ ভালকৈ ক ? ৰঞ্জিত আৰু বিজনে তাৰ হাতত ধৰি কলে। ইহঁতৰ গণ্ডগোল শুনি বিমলাও দৌৰি আহিল। বিমলা আৰু ৰঞ্জিত দুয়োজনেই পৰস্পৰে পৰস্পৰক ভাল পায়। এই কথা অৱশ্যে গাওঁৰ কিছুমানে জানেও, ৰাজীৱহতে কিন্তু গম পোৱা নাই। : কত জ্বলিছে জুই সপোন দেখিছে হবলা কথাষাৰ কৈয়েই বিমলাই ৰঞ্জিতৰ পিনে চাই মিচিকিয়া হাঁহি এটা মাৰি দিলে।

: জুই মোৰ অন্তৰত লাগিছে, মোৰ মনত লাগিছে। বাহিৰৰ জুই নুমুৱাব পাৰি, কিন্তু অন্তৰত যেতিয়া জুই জ্বলে লাহে লাহে গোটেই শৰীৰটো পুৰিবলৈ ধৰে। এই জুয়ে মানুহক নিনিয়ে আৰু শান্তিত থাকিবলৈও নিদিয়ে। মনৰ জুই নুমাব পাৰি কিন্তু মনৰ জুই মুখেৰে নোৱাৰি। দুখ প্ৰকাশ কৰি ৰাজীৱে কান্দি দিলে। বিমলা ভিতৰলৈ গল।

: তই এই বিলাক কি প্ৰলাপ বকি ৰঞ্জিতে কলে।

: প্ৰলাপ নহয় ৰঞ্জিত, মই সঁচা কথাই কৈছো। এটা চাকৰিৰ কাৰণে আজি কিমান দিন ঘুৰি লাগিছো কিন্তু তাৰ সলনি পাইছো কি ? তইতো আমাৰ ঘৰৰ অৱস্থা জানা, মই যি টিউচন কৰো তাতে মোৰ খৰচটোৱেই নাউঠে। বিপ্লৱেও বেচেৰাই কি কৰিব। থাকোতে খেতি কৰিছিল। আজি তিনি হল, সি ঘৰৰ পৰা ওলাই গৈছে, খৰৰ নাই একো নাই। ময়ো আজি ভবেন উজীৰৰ পৰা আহিলো। তেও এসময়ত দেউতাৰ বন্ধু আছিল। দেউতা থাকোতে ঘৰলৈ প্ৰায়ে আহিছিল। মই ইমান যেতিয়া একো নহল, এদিন মায়ে কলে ভবেন উজীৰৰ তালৈ যা। তোক এটা কোনো নীৰ চাকৰি দিব পাৰিব। মই এদিন দুদিন নহয় আজি এবছৰে তেখেতৰ

হা যোৱা কৰিলো কিন্তু এতিয়ালৈ হলে ল একো পোৱা নাই। ময়ে ঘৰখনৰ ভিতৰত ঙৰ আৰু ইমান খিনিলৈ পঢ়াইছেও মা ত মোৰ ওপৰতে আশাৰ ৰঙীন সপোন খিছে। মই এতিয়া কি কৰো ৰঞ্জিত ক ? মই কি কৰো ? এনেকৈ কৈ ঞ্জিতৰ কান্ধত মুখ থৈ ৰাজীৱে কান্দি দিলে : তোমাক তেখেতে আৰু কেতিয়া মাতিছে জীৱ বিজনে কলে।

: পৰহি মাতিছে, মোৰ আৰু যাবৰ ইচ্ছা ই বিৰক্তিৰে কলে ৰাজীৱে।

: তোমাক মাতিছে যেতিয়া যোৱা। কিয় ৰ ইচ্ছা নাই ৰঞ্জিতে কলে।

: সিহঁতৰ যি আচৰণ যি ব্যৱহাৰ পাতি মাক মানুহ বুলিয়েই গন্য নকৰে, ৰাজীৱে ল। দীপাই চাহৰ ট্ৰেখনত তিনিকাপ চাহ আহিল।

খালী চাহ হে দিলো দাদা বেয়া নাপাব ই কলে।

তোমাক চাহ দিবলৈ কোনে কলে, আমি মাত্ৰ চাহ খায়েই আহিছো—ৰঞ্জিতে কলে। খাই উঠি দুয়োজনে ৰাজীৱহতৰ পৰা য় ললে, যাবৰ সময়ত ৰঞ্জিতে ৰাজীৱক টকা দি আহিল আৰু গুৱাহাটীলৈ যাব ।

বিপ্লৱে ঘৰৰ পৰা ওলাই গৈছিল চহৰলৈ কামৰ সন্ধানত। কেইদিনমান ঘূৰাৰ ত এটা কাঠৰ মিলত শ্ৰমিক হিচাবে নিয়োগ হৈছিল। এনেকৈয়ে পাৰ হৈছিল তাৰ চাৰিটা মাহ। বিপ্লৱে কোনো কামেই লাজ নকৰিছিল। যি কোনো কামেই কৰিবও পাৰিছিল। তাৰ বন্ধু অজিতে তাক এই কামত লগাই দিছিল। দুয়ো একে লগে কাম কৰে একেখন গাওঁৰে আৰু একেলগে থাকেও। অজিত পৰহি ঘৰলৈ গৈছে। বিপ্লৱে অজিতৰ হাতত অলপ টকা দিছে মাকক দিবলৈ আৰু ঘৰত কব দিছে তেওঁ ইয়াত কাম পোৱাৰ কথা সেইদিনা নাহি তেওঁ পিছদিনা ৰাতিপুৱা আহিল।

: অজিত তুমি যোৱাকালি কিয় নাহিলা, মা হঁত ভালে আছে নে ? টকাখিনি দিলিনে ? কি কলে ? বিপ্লৱে অজিতক কলে।

: সকলো ভালে আছে বিপ্লৱ, পিছে এটা নতুন খবৰহে আনিছো। খবৰটো বৰ ওজন ওজন লাগি আছে নকলে শান্তি নাপাম— অজিতে কলে।

: কোৱা কি খবৰ ? বিপ্লৱে কলে,

: আজি চাৰিদিন হ'ল তোৰ বাইদেউ বিমলা ৰঞ্জিতৰ লগত গুছি গৈছে। আৰু ৰঞ্জিতক মাক দেউতাকে ঘৰৰ পৰা উলিয়াই দিছে। ৰঞ্জিতেও ঘৰত নাথাকো বুলি ওলাই গৈছে। তোৰ মাই আজি চাৰিদিনে একো খোৱা নাই শুকাই ক্ষীণাই গৈছে। অজিতে কথাখিনি একে উশাহতে কলে। বিপ্লৱে বহু সময় তললৈ মুখ কৰি থকা দেখি অজিতে কলে, কি হল তোমাৰ ? বিপ্লৱ ?

মুখ তুলি কন্দাৰ দৰে কলে বিপ্লৱে- সকলো

হেৰাই গল অজিত, সকলো হেৰাই গ'ল। মোৰ উঠি অহা আশা পানীত উটি গ'ল।

: এইটোতো একো ডাঙৰ কথা নহয়, একো নোহোৱা নোপজা কথা হোৱা নাই। পৃথিৱীত এনেকুৱা অলেখ লেখ ঘটনা ঘটিয়েই থাকে। বুজনিৰ সুৰত কলে অজিতে।

: তথাপিও আমাৰ নিজৰ ঘৰতে এনেকুৱা খন মই থকা হলে তাইক..... । বিপ্লৱে কৰ নিদি অজিতেই কৰ ধৰিলে।

:... ... কি কৰিলিহেতেন ? পলাই নগলে তাইক কি কৰিলিহেতেন ? পাৰিলিহেতেন সামাজিক ভাৱে বিয়া দিবলৈ ? সম্বল আছে ? কি আছে তোৰ ? যিখিনি মাটি বাৰী আছিল তাকো বেছি বেছি শেষ কৰিলি। কি চাই আহিব তোৰ ঘৰত ? কোন আহিব তোৰ ঘৰত সম্বন্ধ জুৰিবলৈ ?

: হব, হব, অজিত আৰু নকবি। তই ঠিক কথাই কৈছা, ধন্য, বাইদেউ তোমাক ধন্য। সমাজে বেয়া পাব, হাঁহিব, ইমানেইতো হাঁহক সমাজে। মই ভাৱো মোৰ বাইদেউৱে ঠিক কামেই কৰিছে, মই কালি ঘৰত যাম অজিত, বিপ্লৱে কলে।

: মই তোমাক চাকৰি দিম এটা চৰ্তত। তোমাৰ দেউতাবাৰ পৰা মই বহুদিন সহায় পাইছো। আৰু তেওঁ মোৰ বন্ধুও আছিল। গতিকে তুমি চৰ্তটোত মান্তি হলে দিব পাৰো। মোৰ ছোৱালী ৰীণাক বিয়া কৰাব লাগিব। বিয়া কৰালেই নহব, তোমালোকৰ সেই পৰিবেশত থাকিব নোৱাৰা, তাইক কোনো অ
বিধা দিব নোৱাৰা, মোৰ কথা মানি চ
লাগিব। সময়মতে তাইৰ কথাও
লাগিব। এই চৰ্তত মান্তি হলে মই তো
দিব পাৰো আৰু উচ্চ পৰ্য্যায়লৈ
চেষ্টাও কৰিম। ভবেন উজিৰে ৰাজীৱক ক

: মই মাক শুধি চাব লাগিব, ৰাজীৱে ক

: যোৱা মাৰাক শুধি চোৱা। মই
তোমাৰ কোনো বেয়া নহয়। উজীৱে ক

ৰাজীৱ ঘৰলৈ আহি মাকক কথাখিনি
পাতি কলে। মাকে সম্মতি জনালে
হেকৰা অতীত পোৱাৰ সন্ধানত আশাৰ
পাতিলে। ইয়াৰে কেইটামান মাহ
যোৱাৰ পিছত ৰাজীৱৰ চাকৰি হয়
বিয়াও হৈ যায়। বিয়াৰ ছ মাহ পিছত
মাকৰ পৰা এখন চিঠি পালে, মাকৰ
গতিকে তেওঁক সোনকালেই মাতিছে

ৰাজীৱ গাওঁলৈ আহিল লগত ৰী
লৈ আহিল। এই ছ মাহে তেওঁ গাওঁৰ
মাকক দেখা নাই। গাওঁৰ চিনাকী মানুহ
দেখি তাৰ ভাল লাগিল। ৰীণাৰ কিন্তু
লাগি গল, তাত দুদিন থাকিয়েই তাই
চহৰলৈ যোৱাৰ কথা কলে।

: মাৰ ইমান অসুখ বিচনাৰ পৰা
নোৱাৰে। ইপিনে বিপ্লৱো নাই, দীপাই
কি কৰিব ? ৰাজীৱে ঘৈণীয়েকক ক
: ইয়াত কি আছে মই থাকিবলৈ ?
টেবুল নাই মাটিত ভাত খাব লাগে।

পৰা মোৰ এয়ে প্ৰথম মাটিত বহি ভাত খোৱা। ড্রেচিং টেবুল, বাথৰুম একোৱেই নাই। মই ইমান অসুবিধাত থাকিব নোৱাৰো, বলক মোক এতিয়াই থৈ আহিব লাগিব। অভিমানৰ সুৰত কলে ৰীণাই।

. তুমি একো নুবুজা ৰীণা। এই সময়ত যদি মই ইয়াৰ পৰা গুছি যাও মাৰ অৱস্থা কি হব ? গাওঁৰ মানুহে আমাক কি কব ? ৰাজীৱে ঘৈণীয়েকক কলে।

: মই কি বুজা নাই। তুমি গাওঁৰ মানুহৰ কথামতে মোক বিয়া কৰাইছিলানে ? তুমি কি চৰ্তত চাকৰি পাইচ ভাবি চাইছানে ? সেই ইয়াত আৰু একমিনিট সময়ো থাকিব নোৱাৰো, তোমাৰ কোনো কথাই মই শুনিব নিবিচাৰো। এনেকৈ কৈ তাই যাবৰ কাৰণে উলালেই। এনেকৈ বহু তৰ্ক বিতৰ্ক হৈ ৰীণা সকলে গুচি গল। ৰাজীবে কান্দি কান্দি মাকক কবলৈ ধৰিলে।

: মা, তোমাৰ বোৱাৰীয়ে তোমাৰ এই অৱস্থাটো এবাৰ মুখৰ পিনে নাচালে। তোমাৰ লগত এবাৰো কথাকে নাপাতিলে। ইয়াৰ বাবে দোষী কোন মা... ... । মই যে তাইক কানো কথাই কবই নোৱাৰো। নাই মই ইবাৰ তাইক ক্ষমা নকৰিম। লাগিলে মই কৰিয়ে নকবো।

: নহয় ৰাজীৱ, তুমি যোৱা, ভুল তোমাৰ হোৱা নাই, তুমি ৰীণাৰ ওচৰত ক্ষমা খুজি তাইৰ লগত ভালকৈ থাকা ৰাজীৱ। তুমি ঘূৰি যোৱা, ইয়াত থাকিলে তোমাৰ বিপদ হব। আমাৰ কথা পাহৰি যোৱা আৰু তাত তুমি সুখত থাকা। আমাৰ সুখ অতীততে হেৰাই গৈছে, অতীত আৰু কেতিয়াও বৰ্ত্তমানলৈ ঘূৰি নাহে, সি অতীততে বিলীন হৈ গৈছে। ৰাজীৱ তুমি সোনকালে যোৱা। ভীষণ জ্বৰ হৈ থকা স্বত্বেও মাকে কান্দি কান্দি কথাখিনি কলে।

: তোমাৰ মুখত কান্দোন শোভা নাপায় মা, মই অতীতক বৰ্ত্তমানলৈ ঘূৰাই আনিম, ৰাজীৱে মাকক কলে।

: নোৱাৰিবা, তুমি নোৱাৰিবা। মই আজি বাৰ বছৰে জীৱনৰ লগত সংগ্ৰাম কৰিও যেতিয়া নোৱাৰিলো। তুমি সিহঁতৰ হাতৰ পুতলা হৈ গৈছা ৰাজীৱ, তুমি কেনেকৈ পাৰিবা। মই ক-ন্দা নাই, মই হাঁ-হি-ছো, মই জোৰেৰে হাঁ-হি-ম হাঁ-হাঁ-হাঁ। মাকে কথাবিলাক কৈ কৈ হাঁহিব ধৰিলে।

: মা তুমি পাগল হৈছা। দীপা পানীভয় আৰু বিতৃষ্ণাৰ সুৰত ৰাজীৱে কলে। ক্ৰমান্বয়ে মাকৰ হাত ভৰি শিথিল হৈ পৰিল। দীপাই মাকৰ ওচৰলৈ আহি জোৰেৰে চিঞৰি দিলে 'মা' গোটেই দিনটোৰ পিছত সূৰ্য্যই পশ্চিম আকাশত বুৰ মাৰিছে লাহে লাহে সূৰ্য্যটো নেদেখা হৈ আহিল আৰু পৃথিৱীলৈ নামি আহিছে অন্ধকাৰ কলা ঘোৰ অন্ধকাৰ।

শ্ৰীশৰৎ চন্দ্ৰ ওঁজা
স্নাতক ২য় বাৰ্ষিক

হত্যাৰ আৱৰত

ছয় বছৰৰ মূৰত সমীৰে আজি ঘৰলৈ উভতিছে। এতিয়া অৱশ্যে তাৰ স্বাস্থ্যৰ বহুত উন্নতি ঘটিছে। আগৰ সেই চেৰেংপেটেং স্বভাববোৰো বহুত আতৰিছে। গৰম কাল, তেনেই ঘৰটোৰ ভিতৰত আৱদ্ধ থাকিব নোৱাৰি। সমীৰে সন্মুখতে থকা পুখুৰীৰ পাৰৰ আম গছ জোপাৰ তলত চকীখনত বহি বাতৰি কাকত খন পঢ়িবলৈ ললে। তাৰ দৃষ্টি এবাৰ পঢ়াৰ পৰা আতৰি পাহাৰৰ নামনিত থকা শ্মশানৰ ওপৰত নিবদ্ধ হ'ল। লগে লগে তাৰ মনলৈ আহিল তাৰ বাল্যকালৰ স্কুলীয়া জীৱনৰ কথা, মনলৈ আহিল বাল্যকালৰ সঙ্গীবোৰৰ কথা। অৱশ্যে তাৰ প্ৰায়েই মনত পৰিছিল ৰূপক, ৰাংঢালিৰ কথা। স্কুললৈ যাওঁতে তিনিও তিনিওৰে হাতে হাতে ধৰি গৈছিল, ওভতাৰ সময়তো প্ৰায় একে ধৰণে উভতিছিল। ভিতৰতো সিহঁতেই আছিল বেছি আবেলিৰ সময়ত প্ৰায়ে সিহঁতে গৈছিল, সন্মুখতে থকা বকুল পাৰিবলৈ। সিহঁতক লগ পাবলৈ, সিহঁতৰ কথা সি প্ৰায়েই আগ্ৰহী হৈ উঠে। হোৱাৰ লগে লগে সি ঘৰ সোমাল। পান খাই সি বিছনাত বহি পৰিল। তাৰ ওচৰতে বহিল।

মা, ৰূপক ৰাংঢালিহঁতৰ খবৰ কি? আকৃতিবোৰ প্ৰায় পাহৰিছোৱেই। কলে—

মাকে হতাশাৰ ভাৱ প্ৰকাশ কৰি, ফালে চাই কবকৈ ধৰিলে—সিহঁতে ধ্বংসৰ পথত।

তাৰমানে··· ··· ··· সমীৰে আশ্বস্ত হৈ ঠিল। কাষতে বহি কাম কৰি থকা লৰা জয়ে তপৰাই মাত লগালে—সেই পাগলি াৰ কথা কৈছে, নহয় জানো আইদেউ?

··· ··· আৰু ··· ··· ·· সেই তাই মাৰি লোৱা ৰূপক ডাক্তৰৰ কথা।

অ ··· ··· তই ঠিক ধৰিছ, সিহঁতৰ কথা মাকে কলে।

সমীৰৰ বুজিবলৈ বাকি নাথাকিল। এতিয়া ঢালি পাগলী হল আৰু তাইৰ দ্বাৰা ৰূপকৰ ্য হ'ল। কি আচৰিত··· ··· ··· নিজকে জ প্ৰশ্ন কৰিলে—কি অদ্ভুদ পৰিৱৰ্ত্তন?

াল সমন্বয়ৰ শিকলি বন্ধা প্ৰতিটো সন্ধিয়ে য় খোল খালে? কিহৰ বাবে ·····?

লোহে লাহে মাকে কৱলৈ ধৰিলে ৰাংঢালি েতিয়া পাগলী। তাইয়েই ৰূপকক হত্যা লে, তাৰোপৰি ৰবীন আৰু নৰেণকো। ইৰ ওচৰত কোনেও নাযায়, ওচৰ পালেই হত্যা কৰে। তাই প্ৰায়ে শ্মশানৰ বকুল জোপাৰ তলতে অকলশৰে বহি থাকে। া পাঁচ বছৰে তাই জেলতে আছিল। এমাহ আগতেহে তাইক মুকলি দিছে। তাইৰ তো কেলেংকাৰীৰ কথাওঁ মানুহে কয়। য়েই তাই নীৰৱে শ্মশানলৈ আহে আৰু ।

মীৰে তাইক জানিবলৈ ব্যগ্ৰ হৈ পৰিল। শ্য তাৰ মনত ভয়ৰ ভাৱ সঞ্চাৰ নোহোৱাকৈ নাছিল। সি মনতে সাহস গোটালে তাইৰ ওচৰ চাপিবলৈ। মনতে ভাৱ হয় কিবা তীব্ৰ আক্ৰোশতে তাই এনে কৰিলে।

ৰাতিটো সি পুৰণি এলবামৰ ফটোবোৰত চকু ফুৰালে। এলবামৰ প্ৰায়বোৰ ফটো সিহঁত তিনিওৰে। হঠাৎ, এটা ফটোৰ প্ৰতি তাৰ দৃষ্টি আকৰ্ষিত হ'ল, যত আঙুলি জোকাৰি ৰাংঢালিয়ে কিবা সতৰ্কবানী শুনাইছিল তাৰ মনত পৰিল ৰাংঢালিৰ কথাফাঁকি—

"মই ক্ষমা নকৰো, মোৰ জীৱনক ধ্বংসৰ পথলৈ ঠেলি দিয়া জনক"।

সমীৰৰ মনত তাইৰ কথাফাঁকি প্ৰতিফলিত হৈ বাজি থাকিল। ৰাতি পুৱাবলৈ প্ৰায় তেতিয়াও আধাপৰ বাকী। তাৰ মনত বিভিন্ন প্ৰশ্নৰ উদয় হ'ল। শোৱাৰ পৰা আতৰি সি কোঠাৰ ভিতৰতে অহাযোৱা কৰিবলৈ ধৰিলে বিভিন্ন প্ৰশ্নৰ সমাধান বিচাৰি।

লাহে লাহে পূব আকাশত সূৰ্য্য উদয় হ'ল। সমীৰে ৰাতিপুৱাৰ লঘু আহাৰ খাই দৈনিক পেপাৰখন লৈ পঢ়িবলৈ ললে। হঠাৎ খিৰিকি খনেৰে সি বকুল গছজোপাৰ তলত কোনোবা বহি থকা যেন দেখিলে। তাৰ বুজিবলৈ বাকী নাথাকিল, সেয়া ৰাংঢালি, সি অতি সোনকালে তাৰৈ ঢাপলি মেলিলে। লাহে লাহে সিহঁতৰ মাজৰ দূৰত্ব কমি আহিল। সি গৈ তাইৰ ওচৰতে বহিল ··· ··· ···।

ৰাংঢালি— সমীৰে মাত লগালে।

ৰাংঢালিয়ে ঘুৰি সমীৰৰ ফালে বিছু সময় চাই থাকিল, ··· ··· ··· লাহে লাহে তাইৰ তুচ-

কুৰে চকুলো নিগৰিল। প্ৰায় অচল স্ৱৰে ৰাংঢালিয়ে কলে—

মোৰ দ্বাৰা ঘটা ঘৃণনীয় কাৰ্য্যৰ কথা শুনিও তুমি মোৰ ওচৰ চাপিছা! অৱশ্যে যদিওঁ আনৰ ক্ষেত্ৰত এয়া ঘৃণনীয়, মোৰ ক্ষেত্ৰত এয়া সদায় প্ৰযোজ্য।

সমীৰে প্ৰশ্ন কৰাৰ আগতেই তাই বৰ্ণাৱলৈ আৰম্ভ কৰিলে, তাই কৰা কাৰ্য্যৰ কাৰণবোৰ।

ৰাংঢালিয়ে কলে ... ... সমীৰ তই মোক সৰুৰে পৰা জান, নৈৰ পাৰে পাৰে দৌৰি ফুৰা, আকাশত চিলা উৰুৱাই আনন্দিত হৈ চিঞৰি ফুৰা দিনবোৰ। ৰূপক তোৰ আৰু মোৰ মাজৰ এনা জৰীডাল যদিও আছিল বন্ধুত্বৰ, তথাপি মোৰ মনত তোমালোকক প্ৰতিষ্ঠা কৰিছিলো একে পিতৃৰ সন্তানৰূপেৰে হয়তো তোমাৰ ক্ষেত্ৰতো অইন নাছিল। কিন্তু ... ... ৰূপকে ... ... তাৰ মন ইমান হীন বুলি কেতিয়াও ভৱা নাছিলো।

সমীৰৰ মনত তাইৰ কথাবোৰৰ সাঁচবোৰ স্পষ্ট হৈ ৰল। প্ৰায় ভেৰা লাগি তাইৰ কথাবোৰ শুনি থাকিল।

ৰূপকৰ মনত আমাৰ বন্ধুত্বৰ বান্ধোনত মামৰে ধৰিছিল, সি যেন মোক খেলাৰ সামগ্ৰী যেনহে বোধ কৰিলে। অৱশ্যে বন্ধু হিচাবে প্ৰথম বাৰৰ বাবে ক্ষমা কৰিলো, আৰু সতৰ্কবানী শুনালো। ডাক্তৰী ডিগ্ৰীয়ে তাক ভদ্ৰ সমাজত উপস্থিত কৰা যেন ভাবিলে, হয়তো এনে অহংকাৰী মনৰ বাবে সি পশুৰ শ্ৰেণীলৈ আতৰিল।

তেতিয়া প্ৰায় সন্ধিয়া পাচমান বাজি ইয়াৰ পিছত এদিন ... ... । পৰা কাষৰ ৰাষ্টাৰে মই গৈ থাকোতে পিছ পৰা গাড়ী এখন মোৰ কাষত ৰ'ল থমকি ৰলো। ৰূপক গাড়ীৰ পৰা নামিল ফলে তীব্ৰবেগে আগৰাঢ়িল। গাড়ী পুনৰ দুজন ভদ্ৰলোক নামিল, সেয়া আমাৰে বন্ধু ৰবীন আৰু নৰেন। তীব্ৰ বেগে মোলৈ ধাপলি মেলিলে। আহিয়েই মোৰ মুখত সোপা দিলে সিহঁতেও দৌৰি আহি মোৰ চকুত বান্ধিলে। তাৰ পিছত সিহঁতে মোক নিলে, কত থলে, সেই কথা মোৰ মাথো অনুভৱ কৰিছিলো পাহাৰৰ গুহালৈ মোক লৈ যোৱা। তাৰ অজ্ঞান কৰি পেলাইছিল। ৰাতিপুৱা খৰি বিচাৰি যোৱা খৰিকটীয়াহঁতে মোক ঘুৰাই আনিলে।

ইয়াৰ পিছত ... ... ইয়াৰ সিহঁতৰ প্ৰতি থকা আক্ৰোসে মোক পুৰি মাৰিব ধৰিলে। মনতে ভাৱ হ'ল মনক কলংকিত কৰা সিহঁতৰ ওপৰত জপিয়াই পৰিম। কিন্তু এইয়া কেনেকৈ অকলশৰীয়া মই সিহঁতৰ লগত কেনেকৈ কিন্তু ইয়াক বাস্তৱত ৰূপ দিবলৈ চলাইছিলো।

এদিন মই কলংকিত নাৰীৰ

হঁতক মোৰ পঁজালৈ আমন্ত্ৰণ কৰিলো। এই মন্ত্ৰণ সিহঁতে ৰক্ষা কৰিলে। মই সিহঁতৰ ত ঐক্যমত হৈ মেনড্রেক্স টেবলেট মিহ-ৱা কফিৰ গিলাচবোৰ সিহঁতলৈ আগ-লো। অলপ সময়ৰ পিছতে সিহঁতে নৰ খেল সামৰি শেষ লক্ষ্যৰ সমাধি স্থানলৈ ল। তাৰ পিছত মোক জেললৈ নিয়া হ'ল, তেই আজি প্ৰায় পাঁচ বছৰে কটালো। কিন্তু সকলোৱে ভাৱে মই পাগলী হ'লো, সকলোৱে কয় মই চৰিত্ৰহীনা, হত্যাকাৰী অপৰাধী।

কিন্তু ... ... কোনোৱে বিচাৰে নে মই কিয় সিহঁতক হত্যা কৰিলো। সমীৰে ৰাংঢালিৰ চকুলোবোৰ মচি দিলে।

সমীৰে অনুভৱ কৰিলে, ৰাংঢালিৰ বুকুভেদি যোৱা ঘটনাবোৰ। তাৰ ৰাংঢালিৰ প্ৰতি থকা ভালপোৱা পুনৰ গাঢ় হৈ পৰিল।

শ্ৰীদীপিকা গোস্বামী
স্নাতক দ্বিতীয় বাৰ্ষিক

'আধা আঁকা ছবি'

অনিল তালুকদাবে হাততে থকা আলোচনী
খন সজোবে দলিয়াই দিলে, তেওঁক আজি
ৰাতিপুৱাৰ পৰাই আমন জিমনকৈ থকা যেন
অনুভৱ হৈছে। ৰাতি মই মেচলৈ অহাত
পলম হৈছিল। মোক দেখি তালুকদাবে কৈছিল-
'কলিতা মই এতিয়া ভাত নেখাওঁ, মোৰ কাবণে
ভাত ৰান্ধিব নালাগে, হঠাৎ অবাঞ্ছনীয় প্ৰশ্ন
শুনি মই শুধিলো আপোনাৰ আজি কি
হৈছে ? ৰাতিপুৱাওঁ দেখোন ভাত নাখালে,
কৰবাৰ পৰা কিবা বেয়া খবৰ পালে নেকি ?
মোৰ প্ৰশ্নৰ উত্তৰ স্বৰূপে তালুকদাবে কলে—
আঃ মোক আমনি নকবিব, মোক অলপ
অকলশৰে থাকিবলৈ দিয়ক। মোৰ দুখত
দুখী হোৱাত আপোনাৰ জানো ভাল লাগিব,
তেনেহলে চাওঁক এইখন ফটো 'কেনে লাগিছে

কলিতা 'বাঃ বৰ ধুনীয়া ছোৱালী
কৰ ছোৱালী এইজনী অনুপ্ৰাণিত
এইজনী মোৰ সম্বন্ধীয় ভনী।
মিনু দাস। যেতিয়া মানুহে দেখি
পৰে তেতিয়াই তাৰ বুদ্ধি বৃত্তি
উৎসাহ উদ্দীপনা লোপ পায়,
এজন মানুহৰ জীৱনৰ সমষ্ট শক্তি
প্ৰয়োগ কৰি মানি লব লগা পৰে
দিব নোৱাৰা বিপৰ্য্যয়ক তেতিয়াই
পৰিস্থিতিৰ দাস কিন্তু এয়া জানো
সেয়াই হয় ভাগ্য বা অদৃষ্টৰ লিখন
হয় তেন্তে কিয় এচাম লোকে আন এ
জীৱনটো কাঢ়ি নিয়ে কিয় ? এচাম
এচাম লোকৰ নামত শোষণ, নিৰ্য্যা
ধৰ্ষণ, অন্যায় অবিচাৰ কৰে।

আপোনাৰ অৰ্থ মই বুজা নাই তালুকদাৰ
জাই কওঁক আজি আপোনাৰ কথাষাৰ সচাঁ
কয়ে শুনিবলৈ মোৰ মনটো ব্যাকুল হৈছে।
শুনক তেন্তে কোনো এক নিশাৰ নিৰিবিলি
ৰাৱত জগত বৰুৱা নামৰ এজন ডিপ্লমা লোৱা
ঞ্জিনিয়াৰ, চাকৰি হলে পোৱা নাছিল (মোৰ
ন্তৰঙ্গ বন্ধু) শ্ৰীমতী মিনু দাসৰ ঘৰৰ কাষত
ত্য অৱস্থাত, পৰি থকা দেখা গৈছিল।
ত্যুৰ কাৰণ হ'ল জগতক ঘৰৰ দেউতাক
দায়েকহঁতে মিনুদাসৰ লগত মিলা মিচা
লপোৱা নাছিল। জগতে ঘৰত নজনাকৈয়ে
নুৰ লগত অবাধ অহা যোৱা কৰিছিল।
াইটোৱেই তাৰ মৃত্যুৰ কাৰণ হ'ল। এই
ৰ দেউতাক আৰু দদায়েকহঁতে মুঠেও পচন্দ
ৰা নাছিল। জগত নামত যেনে কামতে
চনে, জগতৰ ভাৰত সকলো এক ঈশ্বৰৰ
ন্তান। মানুহে উচ্চ-নিচ ধনী দুখীয়া ভেদ
ৰ কৰে। বেচেৰা অমায়িক এই শান্ত
ভাৱৰ লৰাজনক ঘৰৰ আটাইবোৰে হিংসা
ৰা হ'ল ; তাক কিন্তু গাৱঁত সকলোৱে
নি চলে সি সমাজৰ লগত ঘূৰি ফুৰা মানুহ
ৰ লগৰ বন্ধুবোৰেও তাৰ কথা মতে চলে,
নহলে গাৱঁত এনে এখন ফাংচন হোৱা নাই,
ৰণ সি গান বাজনাতো পাৰ্গত আছিল।
ওঁখনৰ উন্নতিৰ হ'কে সি বহুতো কষ্ট স্বীকাৰ
ৰিছিল। মুঠতে সকলোফালৰ পৰা আগবঢ়া
ছিল। দেউতাকে তাক কৈছিল সেইবোৰ
নুহ আমাৰ তলতীয়া আমাৰ বংশৰ সন্মান
আছে আমাক নজনা মানুহ এই অঞ্চলতে
নাই। সি কিন্তু ঘৰখনৰ বিপৰীত। আচলতে
তাৰ যোগ্যতাৰ ঘৰখন নাছিল। ঘৰখন
অন্ধবিশ্বাসী কু-মনোভাবি আছিল। তাক
সম্পূৰ্ণ ৰূপে সেই ছোৱালীজনীৰ লগত সম্বন্ধ
বন্ধ কৰি দিলে, আনকি সি কলেজৰ পৰা
ঘৰত যাওঁতে পলম হলে দেউতাকে কাৰো-
বাক পঠাই দিয়ে জগত কলেজত আছেনে
অন্য কৰবাত আছে। চাকৰি নোপোৱা
হেতুকে এনে ঘৰত বহি থকাতকৈ সি স্থানীয়
কলেজখনতে এডমিচন লৈ পঢ়িছিল। সি
ঘৰখনৰ যন্ত্ৰণাত দিনক দিনে সহিব নোৱাৰা
হ'ল। আনফালে সি ইঞ্জিনিয়াৰ ডিপ্লমা
লৰৰো তিনিবছৰ হল আজিলৈকে হলে চাকৰি
নেপালে। শেষত দেউতাক আৰু দদায়েকহঁতে
মিলি তাক একেবাৰে শেষ কৰাৰ পৰিকল্পনা
হাতত ললে। ঘৰখনৰ আচাৰ ব্যৱহাৰত সি
তেওঁলোকে কৰা ষড়যন্ত্ৰ কথা গম পালে,
খোৱা লোৱাৰ প্ৰতি তাক কোনেও গুৰুত্ব
নিদিয়া হ'ল। সেয়েহে সি শেষ সিদ্ধান্ত কৰিলে
হয় চাকৰি, নহয় প্ৰফেচাৰ ডিগ্ৰীলৈ কলেজত
অধ্যাপনা কৰা। সি পঢ়াতো ইমানবোৰ ছাত্ৰ-
ছাত্ৰীৰ ভিতৰত প্ৰথম আছিল। বেছেৰা-
ৰঙীন কল্পনা মনতে মাৰ গ'ল। শেষত এদিনা-
খন তাৰ লগ বন্ধু তথা ঘৰখনৰ পৰা চিৰবিদায়
লৈ কোনো এক তাৰিখত আমাক সকলোকে
কন্দুৱাই ভাল এখন ঠাইলৈ উৰা মাৰিলে।
তাত আছে মাথো প্ৰেম ভালপোৱা তাত

কোনো হিংসা বিদ্বেষ নাই কোনো দিনে তাক আমি দেখা নাপাওঁ সি আৰু আমাৰ মাজলৈ কোনোদিনে ঘূৰি নাহে। তাৰ মাথো স্মৃতি পৰি ৰ'ল এই হিংসাকুৰীয়া জগতখনত। ফৰেণচিক লেবোৰটবিয়ে বিৰ্পোট দিলে সি মৰাৰ আগদিনা খোৱা ভাতত কোনোবাই বিষ মিহলাই দিয়া হৈছিল। প্ৰশ্ন হ'ল কোন সেই হত্যাকাৰী ? দেউতাক নে আন কোনোবা ? দোষী সাব্যস্ত কৰা হ'ল মিনু দাসৰ দেউতাক ৰমা দাসক। কাৰণ বৰুৱা বংশৰ টকা পইচা আছে আৰু দাসৰ টকা পইচা নাই। মাননীয় আদলততেও হুকুম দিলে ৰমা দাসৰ দহ বছৰ সশ্ৰম কাৰাদণ্ড। তালুকদাৰৰ মুখলৈ চাই প্ৰশ্ন সুধিলো, আচলতে ৰমা দাস হত্যাকাৰী জানো ?

মোৰ বিশ্বাস ৰমা দাসে এনে পৈশাচিক হত্যা-কাণ্ড কৰিব নোৱাৰে। তেওঁলোকে জানো প্ৰতিবাদ কৰা নাছিল।

মিনু দাসে প্ৰতিবাদ কৰিছিল, যদিও কোনো ফল নহ'ল আদালতত ধন ভাঙিব নোৱাৰে, কাৰণ সিহঁতৰ ধন নাই।

হঠাৎ মই তালুকদাৰলৈ চাই প্ৰশ্ন কৰিলো মিনুৰ লগত জগত বৰুৱাৰ কিবা সম্পৰ্ক আছিল নেকি ?

কলিতা সেয়া এক কৰুণ কাহিনী। সেই কাহিনী জোনাক পকৰাৰ দৰে দেহত জুই কটিয়াই এন্ধাৰৰ বাটেৰে খোজকঢ়া কিছুমান জীয়া মানুহৰ কাহিনী। মিনুহঁতৰ কোনো প্ৰাণীয়ে নেজানিলে জগত বৰুৱা সিহঁতৰ ঘ কাষত পৰি মৃত্যুক আকোৱালি লৈছে। ৰা পুৱাই শুই উঠি ৰমা দাসে মৰা শ'টো দে চিঞৰ বাখৰ লগায়। ওচৰ চুবুৰীয়া মানুহতে সমাবেশ হ'ল। মিনুয়ে কান্দি কান্দি অ হয়। কোনোৱে ঘটনাৰ আটিগুৰি নেপো

কিছুপৰৰ পিছত জগত বৰুৱাৰ দেউ দদায়েক, ভনীয়েক সকলো কান্দি কা আহি ৰমা দাসৰ ঘৰৰ কাষত উপস্থিত আচলতে তেওঁলোকৰ ঘৰিয়ালৰ চকু নিচিনা হ'ল, বংশৰ কুলঙ্গাৰজন শেষ হ'ল। ওচৰৰ পুলিচ থানাৰ মহোদয়ে ৰমা দাসক ঘটনাৰ বিষয়ে বহু কৰে কিন্তু একো ত'ত ধৰিব নোৱাৰিলে মঠতে গাওঁখনৰ মানুহে ঘটনাটো আৰু কেতিয়া ঘটিল কোনোৱে নেজানিল অৱশেষত লাচটো পোষ্টমৰ্টেমৰ কাৰণে গাঁ উঠাই নিলে, যদিও গৃহস্থক এদিন লাচটো গটাই দিলে। শেষত বিৰাট বেশৰ মাজত সন্মান সহকাৰে মৃত দেহ দাহন কৰা হ'ল। তাৰ দুদিন পিছত আহি ৰমা দাসক ধৰি লৈ যায়।

মিনুয়ে আদালতত প্ৰতিবাদ কৰিলে দেউতা এনে পৈশাচিক হত্যাকাণ্ড কৰিব নোৱাৰে কিন্তু আদালতত মিনুৰ প্ৰতিবাদে কোনো ফল নধৰিলে। ৰমা দাসে ভগৱানক সাক্ষী কৰি আদালতৰ হুকুম মানি এধাৰ অশ্ৰু তিয়াই কাঠ ঘৰৰ ভিতৰলৈ যায়।

তাইৰ চিৰজীৱনতেই ভালপোৱা কিবা এটা যেন আজিৰ পৰা হেৰুৱালে। সি যে জন্মান্তৰেও পুৰণ নহব। তাই জগতৰ মুগ্ধ হৈ বাহিৰে যেনেকৈ জগতক ভাল অন্তৰতো দেৱতা বুলি পূজা কৰিছিল। ভালপোৱা সচাঁ—ভালপোৱা আছিল। পোহনীয়া আশাই প্ৰতিক্ষা কৰিছিল এটা গোপন কামনালৈ কিন্তু তাইৰ াই সফলতা লাভ কৰিবলৈ নাপালে। মন মৰহি গ'ল। তাই নিজৰ জীৱনত অধিক ভালপোৱাজনক কোনোৱাই কৰিব পাবে বুলি ভাৱে কেনেকৈ, তাইৰ ওপৰত যে এটা ভীষণ বজ্ৰপাত পৰিল। মুন্নে মনত বহুত কল্পনা কৰিছিল কিন্তু কোনো কল্পনাই বাস্তৱত পৰিণত নহ'ল। তাই মনৰ মাজত এখন ৰঙীন ছবি আকিছিল কিন্তু সিওঁ সম্পূৰ্ণ নহল। তাইৰ মনৰ মাজত ছবিখন আধকৰা অৱস্থাত পৰি থাকিল। সেই মিনুৱে হেৰুৱালে মানসিক ভাৰ-সাম্যতা। তালুকদাৰৰ মুখেৰে ছোৱালীজনীৰ কাহিনী শুনি মোৰ বৰ দুখ লাগিল। তথাপি সান্তনাৰে কলো। কি কৰিব তালুকদাৰ। আজিৰ মানুহে পশুত্বলৈ নামিছে পশুবো এটা বিষেষত্ব আছে, কিন্তু সেই চাম মানুহৰ সেই ফেৰাওঁ নোহোৱা হ'ল।

আপুনি সাহিত্যিক মোৰ অনুৰোধ এই কাহিনীটোৰ আলমত আপুনি এখন উপন্যাস লিখক নাম যাৰ "আধা আঁকা ছবি"।

শ্ৰীঅপূৰ্ব্ব কলিতা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ কলা

চিত্রাঙ্গৰ ভিত্তিত প্ৰথম পুৰস্কাৰ

—ঃঅব্যক্তঃ—

জীৱনে তৰ্কিবই নোৱাৰিলে। কি হ'ল ? এয়া সি হস্পিটেলত ? তাৰ কাষত মৃদুল আৰু বঞ্জু। সি মনত পেলাবলৈ ধৰিলে। কি হৈছিল তাৰ আৰু কেনেকৈ। উ, অসহ্য বেদনা ! হে ঈশ্বৰ তুমি মোক মাৰি নিয়া। কষ্ট কৰিও জীৱনে তাৰ শৰীৰটো লৰাব নোৱাৰিলে, ভৰি দুখন কোচাই আনিব নোৱাৰিলে।

জীৱন ডঃ অবিনাশ চৌধুৰী একমাত্ৰ সন্তান। পঢ়া-শুনাত চোকা লৰা যোৱা বেলি সুখ্যাতিৰে সম্মান সহ (ৰসায়ান) স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈছে। ঘৰখনৰ বাবে সি চকুৰ মনি। দেউতাক গুৱাহাটীৰ এখন মহাবিদ্যালৰ মুৰব্বী অধ্যাপক। খেলা-ধুলাত পাকৈত এজন চফল ডেকা—জীৱন।

দুদিন আগৰ ঘটনা। ছাত্ৰ সংগঠন NUP ৰ সদস্য সংখ্যা সেনাবাহিনীয়ে ব্যাপক তালাচী দোষী-নিৰ্দোষী নিৰিচাৰে শত্রু ডেকা ল'ৰা দেখিলেই সেনাই নিছে। ছাউনীত আৰম্ভ অকল্পনীয় অত্যাচাৰ। শাস্তি চিঞৰ দিলেও কোনেও শুনুনে চিৰদিনীয়াকৈ অংগ খুত কৰিছে। বৈদ্যুতিক শ্বক দিছে-গুপ্তাংগত বাক হয়তো চিৰদিনৰ বাবে পৰা বিদায় দিছে। সিদিনা খন লৈ নিশা ন-মান বজাত অলস ভাৱে এনেয়ে বহি হঠাৎ দুৱাৰত টোকৰ পৰিল।

আছ ! সোনকালে ওলাই অহা— অন্যথা গুলি কৰিম। জীৱনে ক্ষন্তেক থমকি দুৱাৰৰ হুকটো খুলি দিলে। লগে লগে সোমাই আহিল হাতত মৰণাস্ত্ৰ লৈ এক ডজন সেনা বাহিনী। এজনে কলে—উচকো পাকৰাওঁ। লগে লগে জীৱনক বান্ধি লোৱা হ'ল। জীৱনে কলে "মোক কিয় নিয়ে ? মোৰ দোষ কি ? "আলফা কাহা হ্যায় ?" এজন সেনাৰ প্ৰশ্ন। "নাই চাৰ নেজানো, মোক নিনিব।" এনেতে জীৱনৰ দেউতাক আৰু মাক ওলাই আহিল। তেওঁলোকে অজস্ৰ অনুৰোধ কৰা স্বত্বেও সেনাবাহিনীয়ে কোনো কেৰেপ নকৰি গজ্ গজ্ কৈ বঙা চকু দেখুৱাই জীৱনক লৈ গ'ল। জীৱনৰ মাকে হিয়া ঢাকুৰি কান্দিলে।

পিছদিনা ডঃ চৌধুৰীয়ে থানাত খবৰ কৰিলে। থানাৰ মুৰব্বী গৰাকীয়ে কলে— "চৌধুৰী চাহাব, আমি নিৰুপায়, এতিয়া দেশত সেনাৰ আইনেই সকলো আমি নিৰুপায়, বিষাদ মনেৰে ডঃ চৌধুৰী থানাৰ পৰা ওলাই আহিল। যাহিবৰ সময়ত মুৰব্বী গৰাকীয়ে কলে— আমি খবৰ পালে নিশ্চয় জনাম"।

চাৰিদিন পিছত ডঃ চৌধুৰীয়ে থানাৰ পৰা খবৰ পালে যে জীৱন গুৱাহাটী মেডিকেলত আছে। ডঃ চৌধুৰী আৰু মিছেছ চৌধুৰী ততাতৈয়াকৈ মেডিকেলত উপস্থিত হ'ল। জীৱনৰ মুখলৈ চাই মিছেছ চৌধুৰীয়ে হিয়াধুনি কান্দিলে এনেতে নাৰ্ছ এজনীয়ে বেজী এটা দিবলৈ আহি জীৱনৰ মাকক নাকান্দিবলৈ ধমক দিলে। এনেতে তাৰ সহপাঠী মৃদুল আৰু ৰঞ্জুও তাত উপস্থিত হ'ল। ৰঞ্জু তাৰ চিনাকি—বহু দিনৰ পৰা। হয়তো সি তাইক জীৱনৰ সঙ্গীনী হিচাপে কল্পনা কৰিছে। ৰঞ্জুৱেও তাক জীৱনৰ সঙ্গী ৰূপে মানি লৈছে। ৰঞ্জুৱে একো কব নোৱাৰিলে ! মাথো উচুপি ৰ'ল। তেতিয়া জীৱনৰ কপালত ঘাম বিৰিঙি উঠিছে। কিবা কবলৈ জীৱনে চেষ্টা কৰিও নোৱাৰিলে। তাক দুদিন ধৰি সেনাৰ শিবিৰিত কৰা অত্যাচাৰৰ কথা মনত পেলাই জীৱন পুনৰ মূৰ্চা গ'ল। এটা গেঙনি শুনা গ'ল। তেতিয়া বাহিৰত সুৰুযটোৱে মেঘৰ আৰত লুকাই আছিল।

এম আব্দুল মালিক
স্নাতক মহলা, ৩য় বৰ্ষ

মুকুতা মালা

মাতৃৰ প্ৰেম কোনেও বলেৰে কাঢ়ি নিব নোৱাৰে, ই কেতিয়াও পৰিবৰ্ত্তন নহয় আৰু
ই মৰিও যাব নোৱাৰে।

ৰাচিংটন আৰভিন

অস্পৃশ্যতা মানবীয়তাৰ প্ৰতি এটা অক্ষমণীয় অপৰাধ।

মহাত্মা গান্ধী।

যিজনে নিজকে ক্ষমা কৰে তেওঁ নিজকে দোষীহে সজায়।

গ্ৰেবিয়েল মেৰিয়াৰ

মূৰ্খৰ মুখৰ প্ৰশংসাতকৈ জ্ঞানীৰ নিন্দা বা গালি বেছি শ্ৰেষ্ঠ।

বাইবেল

অকৃতজ্ঞতাৰ ভাগফল সদায় শূন্য।

ডনবস্ক

যত ইচ্ছা বা আগ্ৰহ ডাঙৰ, তাত কেতিয়াও প্ৰতিবন্ধক ডাঙৰ হব নোৱাৰে।

মেকিয়াভেলি

ভোকাতুৰক আহাৰ দিয়া, ৰোগীক দৰ্শণ কৰা বন্দীজনক মুক্তি দিয়া, যদি তেও অনাত্মীয়
ভাবে বন্দী হয়। নিপীড়িত জনক সহায় কৰা, তেও মুছলমানেই হওক নাইবা হিন্দুয়ে
হওক।

হজৰত মহম্মদ

দুখ কষ্টৰ যোগেদিহে প্ৰগতিৰ পথত আগবাঢ়িব পাৰি, হতাশাৰ যোগেদি নহয়।

সৰ্ব্বপল্লী ৰাধাকৃষ্ণন

মঃ জব্বৰ আলী।
স্নাতক দ্বিতীয় বাৰ্ষিক।

ৰহস্যময় পৃথিৰীৰ বিচিত্ৰ বাৰ্ত্তা

ৰহস্যময় পৃথিৰী, ৰহস্যময় লীলা। এই পৃথিৰীতে এনে কিছুমান বিচিত্ৰ সত্য ঘটনাৰ
ষ্টিহে আছে যাক মানুহে বিশ্বাস কৰিবলৈ টান পায়। কিন্তু তেনে বিচিত্ৰ কাহিনী তথা
না অবিশ্বাস্য হ'লেওঁ সত্য। যিবোৰ ঘটনাৰ ৰহস্য আজি পৰ্য্যন্ত মানৱে ভেদ কৰিবৰ
ক্ষম হোৱা নাই। সিহঁত আজিওঁ ৰৈ আছে আদিহীন, অন্তহীন সাঁথৰ ৰূপে।

পাঠক সকলৰ মাজত কেইটামান সত্য ঘটনা অবতীৰ্ণ কৰিবলৈ লৈছো। ঘটনাবোৰ
নেধৰণৰ—

(১) ১৮৩৯ চনত চুইজাৰলেণ্ডত এটি পৰিয়ালত এজনী কন্যা সন্তানৰ জন্ম হয়। নাম
াইৰ নাম জোচেফাই। জন্মৰে পৰা জোচেফাইনৰ মুখ মণ্ডলত ঘন দাড়ি দেখি মাক-বাপেক
ন্তিত হ'ল। ডাক্তৰৰ ওচৰলৈ চিকিৎসা বিচাৰি যাওতে ডাক্তৰে ডাঙৰ হলে এই দাড়িবোৰ
াপ পাই যাব বুলি আশ্বাস দিছিল। ভাগ্যৰ কি পৰিহাস। সেয়া হৈ নুঠিল। এদিন
দিন কৈ জোচেফাইনৰ দেহলৈ যৌৱন আহিল। যৌৱনা প্ৰাপ্ত দেহত কোনো অভাৱ তাইৰ
হত মনত নাছিল। নাৰী দেহৰ কোমলতাৰ লগে লগে তাই দাড়িও বাঢ়ি আহিল।

(২) ভূত! ভূত! ই সচাই অদ্ভুদ! ই সাধাৰণতে জীৱজন্তুক ধৰে বুলি শুনিছো। কিন্তু
জীৱ পদাৰ্থক ভূতে পোৱা শুনা নাই। কিন্তু আজি মই পাঠক সকলৰ আগত ভূতে পোৱা
এটাৰ কথা দাঙি ধৰিছো।

মিছ হেলেনবাৰ্কে এখন বাতৰি কাকত প্ৰতিষ্ঠানৰ কৰ্মচাৰী। তেওঁৰ এটা পূৰ্ব্বপুৰুষ সকলৰ
ঘড়ী আছিল। ইয়াৰ কাৰ্য্যকলাপ বৰ অদ্ভুদ ধৰণৰ। যদি কোনো লোকৰ মৃত্যু হয়
ীটো নিজে নিজে বন্ধ হয়। হেলেনৰ ককাদেউতা চাৰ্লছৰ মৃত্যুৰ সময়ত ই নিজে নিজে
হয়। ইয়াৰ পাছত ঘড়ীটো ইম্ৰাৰ্ছনৰ হাতলৈ যায়। তেওঁৰ মৃত্যুত স্পেলসেনৰ হাতলৈ
আৰু তেওঁৰ মৃত্যুত একে ঘটনা ঘটে। হেলেনৰ দেউতাকে ঘড়ীটো মেৰামতিৰ বাবে
জন কাৰিকৰক দিয়ে। কাৰিকৰে চাই আচৰিত কাণ্ড দেখি বিস্মিত হয়। ঘড়ীটোৰ ডায়েল
উল্টা অৰ্থাৎ ছয়টো ওপৰত আৰু বাৰটো তলত। এদিন এজন ফটোগ্ৰাফাৰে ইয়াৰ
টো লবলৈ যাওতে পুনৰ ই চলে। অথচ ইয়াৰ কল কব্জা একো নাছিল

মিছ কল্যানী দাস
স্নাতক দ্বিতীয় বাৰ্ষিক

টুকুৰা খৰৰ

⁂ জন্ম-মৃত্যু-বিবাহ হেনো ঈশ্বৰৰ বিধান। বৈবাহিক জীৱনৰ সফলতা-বিফলতা স
কোনেও নিশ্চয়তা দিব নোৱাৰে। পিছে, সম্প্রতি ইণ্ডিয়ান ইন্সটিটিউট অব বাঅ'-বিহেভ
চায়েন্স নামৰ প্রতিষ্ঠানটোৱে 'match-maker' নামৰ এটা কম্পিউটাৰ পদ্ধতিৰ উদ্ভাৱন ক
ইয়াৰ দ্বাৰা বিয়াৰ আগতে দৰা-কইনাৰ ব্যক্তিত্ব তুলনা কৰি বৈবাহিক জীৱনৰ ভ
কৰিব পৰা যাব। ভাৰতীয় সমাজ ব্যৱস্থাত বিবাহ পদ্ধতিত দৰা-কইনাৰ শিক্ষা,
মর্য্যদা, পাৰিবাৰিক স্থিতি, বৃত্তি, বংশ আদি চোৱা-চিতা কৰি বিয়াৰ বন্দোবস্ত
পিছে, এই পদ্ধতিত দৰা-কইনাৰ মানসিকতা, ব্যক্তিত্ব আদি বিচাৰ কৰিব নোৱাৰি। কিন্তু
match-maker ৰ সহায়ত এই ধৰণৰ কথাবিলাকো পৰীক্ষা কৰিব পৰা হ'ব বুলি প্রতি
সঞ্চালক ৰঞ্জিৎ বসুয়ে কয়।

⁂ অবিশ্বাস্য হ'লেও সত্য। ধর্ম্ম আচৰণৰ অপৰাধত ছৌদি আৰবত বহু বিধর্মী
দিব লগা হৈছে। একবিংশ শতিকাৰ প্রাক্কালত ধর্মীয় অসহিষ্ণুতাৰ এনে মধ্যযুগীয়
বিশ্বৰ যিকোনো প্রান্তৰ মানুহৰ বাবে উদ্বেগৰ কাৰণ হ'ব। মানৱাধিকাৰ সংস্থা এমনেষ্টি
নেশ্বনেলৰ সাম্প্রতিক প্রতিবেদনত এই লৈ উদ্বেগ-উৎকণ্ঠা প্রকাশ কৰা হৈছে।
হৈছে, ৯০'৯১ৰ উপসাগৰীয় সংকটৰ পিছত ছৌদি আৰবৰ ধর্মীয় সংখ্যালঘুৰ প্রতি
আৰু প্রাণদণ্ডৰ ঘটনা লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে।

চুন্নি প্রধান ছৌদিত ছিয়াসকলৰ ওপৰত অত্যাচাৰ-উৎপীড়নৰ কাহিনী মুঠেই ন
কথাই কথাই গ্রেপ্তাৰ, বিনা বিচাৰে আটক কিম্বা বিচাৰৰ নামত 'প্রহসন'। চৰম শা
বলগীয়া হৈছে ছিয়াসকলে। অকল ছিয়াই নহয় খ্রীষ্টানসকলৰ ওপৰত চুন্নিয়ো কোপদৃষ্টি কৰ
নির্য্যাতনৰ ভয়ত ছিয়া আৰু খ্রীষ্টানসকলে গোপনে ধর্মচর্চা কৰে। কিন্তু তাতে
লোকে বেহাই নাপায়। ছিয়াসকলৰ ঘৰত 'তুৰবা' (পবিত্র পথাৰ) অথবা খ্রীষ্টানসকল
যীশুৰ ছবি ৰখাটোও অপৰাধ। কিয়নো, ইছলামৰ বাহাবি পথেই ছৌদি আৰবৰ ৰা
অন্য সকলো মত বা ধর্ম তাত নিষিদ্ধ।

এমনেষ্টিৰ মতে, ধর্মীয় অসহিষ্ণুতাই ছৌদিৰ জনজীৱনক গভীৰ সংকটত
ইয়াৰ চিকাৰ হৈছে নিৰিহ লোক।

শ্রীৰবী মালাকা
স্নাতক দ্বিতীয় বা

কেইটামান জানিবলগীয়া

প্রশ্নৰ উত্তৰ

ায়ুমণ্ডলত প্রদূষণৰ মুখ্য কাৰক কি?
:— ধোৱা।
১৮-২৬ চনত অহা ব্রহ্মদেশৰ মান সেনা কিমান আছিল?
:— প্রথমে ২০,০০০ হাজাৰ আৰু মুংকংহকং, মনিপুৰ সেনা লগ লাগি ২৬,০০০ হাজাৰ।
১৯৩০ চনত মহাত্মা গান্ধীয়ে মনোনীত কৰা প্রথম সত্যাগ্রহী কোন আছিল?
:— আচার্য কৃপালনি।
১৩৩ চনত গান্ধীজীয়ে কিয় ২১ দিনীয়া অনশন কৰিছিল?
:— হৰিজনৰ সেৱাৰ বাবে আত্ম শুদ্ধি।
০০০ চনৰ ভিতৰত ভাৰতে কিমান মেগাৱাট পাৰমানৱিক শক্তি উৎপাদনৰ লক্ষ্য লৈছে?
:— ১০,০০০ মেগাৱাট।
ভাট দানৰ বাবে বয়সৰ নিম্নসীমা ১৬ বছৰলৈ হ্রাস কৰা বিশ্বৰ প্রথম দেশখন কি?
:— ব্রাজিল।
াৰতৰ ষ্টেট ক্রিকেটত প্রথম চেঞ্চুৰী কৰা খেলুৱৈ জন কোন?
:— লালা অমৰ নাথ।
াক ১২৮৭ চনত দাদা চাহেব ফাল্কে বঁটা প্রদান কৰা হৈছিল?
:— ৰাজকাপুৰ।
াৰতৰ সর্ব্বাধিক সংখ্যাক বাতৰি কাকত আৰু আলোচনী প্রকাশ কোনে কৰে?
:— ইণ্ডিয়ান এক্সপ্রেছ গোষ্ঠী।
৮-৭ চনত ছোভিয়েট দেশ বঁটা লাভ কৰা অসমৰ সাহিত্যিক গৰাকীৰ নাম কি?
:— হীৰেণ ভট্টাচার্য্য।

গ্লেচনস্ত শুদ্ধ অর্থ কি ?

উঃ— খোলামন।

হালধীয়া চৰাইয়ে বাওঁধান খায়। মূল কাহিনীটোৰ লেখক কোন ?

উঃ— হেমেন ৰবগোহাঞি।

এয়াৰ ইণ্ডিয়াৰ প্ৰথম মহিলা বিমান চালিকা কোন ?

উঃ— হগৰিত আলুকুৱালিয়া।

অসমৰ আটাইতকৈ ডাঙৰ ভূমিকম্পটো ১৯৫০ চনত ঘটে, ৰিটচাৰ স্কেলত ইয়াৰ কিমান আছিল।

উঃ— ৮·৬

ভাৰতে পৃথিৱীৰ মূল ভূখণ্ডৰ কিমান ভাগ আগুৰি আছে ?

উঃ— $\frac{১}{৩৩}$ ভাগ।

মিছ আনোৱাৰা
স্নাতক দ্বিতীয় বাৰ্ষিক

মুকুতা মালা :—

আমি অনুভৱ কৰিব পৰা আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ৰহস্য। সকলো কলা আৰু বিজ্ঞানৰ ইয়েই হ'ল উৎস। যি জনৰ বাবেই আবেগ অপৰিচিত। যি জন আচৰিত হব নোৱাৰে সেই জন মৃত প্ৰায়।

আইনষ্টাইন।

মিছ কল্যাণী দাস
স্নাতক ২য় বাৰ্ষিক

॥ সুবেন দাস মহাবিদ্যালয় আলোচনী

ENGLISH SECTION

THE ETHNIC COMPOSITION OF ASSAM: AN OVERVIEW

by
Prof. Nandita Chaliha
Department of Pol. Science

The word 'Assam' is an Ang-
ised form of the Assamese word
sam. Although there are Several
inions regarding the origin of
name Asama, it is believed to
connected with the Shan in-
lers, now known as Ahoms,
o entered the land in the
inning of the thirteenth century.
D. and ruled over most of the
sent Assam Valley for about
years till the coming of the
tishers in 1826. Banikanta
kati suggests that the word Asama
aning 'pearless' may be a latt-
ay Sanskritization of some earlier
mation like acham by which
Shan people were known.[1]
In Tai (Ahom) language, Cham means to be defeated, and with the prefix 'a' the formation acham would mean undefeated or 'peerless' was applied to the Shans by the local people.[2] The word Asama first given to the Shans (Ahoms) was later on applied to the country.[3]

Although in early times Assam then known as Pragjyotisha or kamarupa, covered a much wider area including the whole of Eastern Bengal down to the sea, as well as Bhutan and a part of Bihar, present day Assam is limited to the Brahmaputra Valley and the Barak Valley including the hill districts of karbi Anglong

and North Cachar Hills. The mighty Brahamaputra river, with its numerous tributaries, flowing almost through all the plains districts of Assam, exercises great influence on the life and culture of the Assamese people. Although the political boundaries of Assam have changed from time to time, nature has marked out its goographical limits in such a manner that it has retained its cultural identity through the ages.

Assam is the homeland of a large number of populations who came from different directions at periods of time. They belong to different racial stocks, speak different languages and have different socio-cultural traditions of course, the traditional boundary of Assam was shifted from time to time and the present day Assam is much smallor than it was before. The states of Nagaland, Meghalaya, Mizoram, etc. Which once formed parts of Assam, are now no longer with it. But the

population of Assam cannot discussed properly with-out r ing to the entire region of N East India.

It is not possible to say initely as to who were the liest inhabitants of Assam ancient Sanskrit texts such the Ramayana, the Mahabh and Some of the Purana inhabitants of Assam are ref to as Kiratas, Cinas (Chines other primitive tribes com designated as Mlecchas and A

The Mahabharata refers army of Bhagadatta as com of Cina and Kirata soldiers glittered like gold. [4] Linguistic ences, [5] popular customs and of the place names of Assa dicate that the earliest inhab of Assam belonged to the Khmer branch of the A stock. The date when the A speaking peoples came to A is not known, but it must been many centuries before Christian era.

